● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

অযোগ্যসকলৰ বাবে হিংসাই অন্তিম অস্ত্ৰ।

আইজাক এছিম'ভ
*আমেৰিকাৰ লেখক*



৭ মমতাৰ বিৰুদ্ধে বিজেপিয়ে প্ৰিয়ংকাক প্ৰক্ষেপ কৰিলে কিয়?
১৩ অনিৰ্দিষ্টকাললৈ স্থগিত শৃংখলাৰ অন্তিম টেষ্ট
৪ আৰ্থিক বিকাশৰ সম্ভাৱনা নিম্নগামী
নিবনুৱাৰ হাৰ আশাতীতভাৱে ঊৰ্ধ্বগামী

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ৩৩২তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ২৫ ভাদ ১৪২৮ ভাস্কৰাব্দ ১১ ছেপ্টেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 11 September 2021 মূল্য ঃ ৭.০০ টকা

■ বিধায়কৰ সন্মুখতে কৈটাসিদ্ধি-ৰাইবড়ীৰ বাসিন্দাৰ গৰ্জন ■ ভেটি ৰক্ষাৰ বাবে মৃত্যুলৈকো সাজু ■ ১৮০৫তে স্থাপিত শ্ৰীশ্ৰীকৈটাসিদ্ধি সত্ৰ-ৰাজহুৱা নামঘৰ-বিদ্যালয়-মন্দিৰো হেৰুৱাব

# বিমানকোঠক এৰি নিদিয়ে ভেটি মাটি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১০ ছেপ্টেম্বৰ ঃ** বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠৰ 'ৰাণ ৱে' সম্প্ৰসাৰণৰ নামত কাষৰীয়া কৈটাসিদ্ধি আৰু ৰাইবড়ী গাঁৱৰ মাটি বিচাৰি কামৰূপ জিলা প্ৰশাসনে অধিগ্ৰহণৰ জাননী জাৰি কৰাৰ লগে লগে গৰজি উঠিছে ইতিহাস প্ৰসিদ্ধ গাঁও দুখনৰ বাসিন্দাসকল। পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত আৰু বৃহত্তৰ বঙৰা অঞ্চলৰ ডাঙৰ কৈটাসিদ্ধিস্থিত শ্ৰীশ্ৰীকৈটাসিদ্ধি সত্ৰৰ প্ৰাংগণত স্থানীয় বিধায়ক হেমাংগ ঠাকুৰীয়াৰ উপস্থিতিত আজি অনুষ্ঠিত হোৱা ৰাইজমেলতো তাৰেই বহিঃপ্ৰকাশ ঘটিল। আজি *১০ পৃষ্ঠাত চাওক*



## উপঢৌকন লৈ কোকৰাঝাৰত ধৰা পৰিল জিলা আবকাৰী অধীক্ষক

### হাতে-লোটে গ্ৰেপ্তাৰ হ'ল হিমানজ্যোতি বৰা



**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ১০ ছেপ্টেম্বৰ ঃ** উপঢৌকন লৈ আজি হাতে-লোটে ধৰা পৰে কোকৰাঝাৰ জিলাৰ আবকাৰী অধীক্ষক হিমানজ্যোতি বৰা। গুৱাহাটীৰ পৰা অহা আৰক্ষীৰ *আঠ পৃষ্ঠাত চাওক*

## জনস্বাস্থ্যৰ টেংকী চাফাই কৰিবলৈ গৈ শ্বাসৰুদ্ধ হৈ মৃত্যু তিনিজনৰ

### উত্তাল পৰিস্থিতিৰ সৃষ্টি

**বিশেষ সংবাদদাতা**
**কৰিমগঞ্জ, ১০ ছেপ্টেম্বৰ ঃ** জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ৰিজাৰ্ভাৰ টেংকী চাফাই কৰিবলৈ গৈ আজি শ্বাসৰুদ্ধ হৈ তিনিজনকৈ শ্ৰমিকৰ মৃত্যু হোৱাৰ ঘটনাই উত্তপ্ত পৰিৱেশৰ সৃষ্টি কৰে কাছাৰত। জিলাখনৰ তুফখানাত আজি দিনৰ ভাগত জনস্বাস্থ্য *আঠ পৃষ্ঠাত চাওক*

## আদিবাসী শান্তি চুক্তিৰ পূৰ্বে আনলাত বিভাজন

### চনু চোৰেণৰ নেতৃত্বত আনলা (স্বাধীন) গঠন

**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ১০ ছেপ্টেম্বৰ ঃ** চৰকাৰে যুদ্ধবিৰতিত থকা পাঁচটা আদিবাসী উগ্ৰপন্থী সংগঠনৰ লগত শান্তি চুক্তি কৰিবলৈ আগবঢ়াৰ সময়তে আজি আনুষ্ঠানিক বিভাজন ঘটিল আনলাৰ। আদিবাসী জনগোষ্ঠীক জনজাতিকৰণ *১০ পৃষ্ঠাত চাওক*



*নাও দুৰ্ঘটনাত পতিতসকলক উদ্ধাৰ কাৰ্যত অংশগ্ৰহণকাৰীক সম্বৰ্ধনা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ।*

বহুতে কৈছে মই দলঙক লৈ ৰাজনীতি কৰিছো, শুনি দুখ পাইছো

## চাৰি বছৰৰ ভিতৰত সম্পূৰ্ণ কৰিম মাজুলীৰ দলঙৰ কাম ঃ সোণোৱাল

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**যোৰহাট/কমলাবাৰী, ১০ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ যৌথ উদ্যোগত অসমৰ সকলোবোৰ ঘাটৰ আন্তঃগাঁথনি উন্নত কৰা হ'ব। ভৱিষ্যতে যাতে এনে হৃদয় বিদাৰক ঘটনাৰ পুনৰাবৃত্তি নঘটে তাৰ বাবে যৌথভাৱে সকলো ব্যৱস্থা হাতত লোৱা হ'ব। মাজুলীৰ পৰা বিশেষ ফেৰীযোগে নিমাতীঘাটত উপস্থিত হোৱা কেবিনেট মন্ত্ৰী *১০ পৃষ্ঠাত চাওক*

## বিশ্বনাথঘাটত উদ্ধাৰ হ'ল নাৱৰ যাত্ৰী ৰূপৰেখাৰ বেগ



**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**যোৰহাট/তেজপুৰ/বিশ্বনাথ চাৰিআলি, ১০ ছেপ্টেম্বৰ ঃ** নিমাতীঘাটৰ ভয়াৱহ নাও দুৰ্ঘটনাত সন্ধানহীন হোৱা ইন্দ্ৰেশ্বৰ বৰা *১০ পৃষ্ঠাত চাওক*

চোৰ গ'লে বুদ্ধি!

## সকলো জিলাত জল পৰিবহণ ব্যৱস্থা নিৰীক্ষণৰ নিৰ্দেশ দিছপুৰৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১০ ছেপ্টেম্বৰ ঃ** চোৰ গ'লেহে বুদ্ধি ওলোৱাৰ দৰে নিমাতীঘাটৰ ভয়াৱহ নাও দুৰ্ঘটনাৰ পাছতহে যাত্ৰীৰ সুৰক্ষা আৰু জল পৰিবহণৰ নামত চলি অহা বেআইনী *১০ পৃষ্ঠাত চাওক*

## বাঙালী যুৱ-ছাত্ৰ ফেডাৰেছনৰ বিৰুদ্ধে হুংকাৰ আলফাৰ

**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ১০ ছেপ্টেম্বৰ ঃ** বাঙালী যুৱ-ছাত্ৰ ফেডাৰেছন নামৰ সংগঠনটোৱে অসমীয়া বিৰোধী মন্তব্য কৰাৰ পৰা বিৰত নাথাকিলে প্ৰয়োজনত হাতত অস্ত্ৰ তুলি ল'ব বুলি আজি আলফাই হুংকাৰ দিয়ে। ফেডাৰেছনে অলপতে বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাৰ সন্দৰ্ভত অসমীয়া *আঠ পৃষ্ঠাত চাওক*

■ মুখ্যমন্ত্ৰীৰ অনুমতি অবিহনে স্থগিত নহ'ব বদলিকৰণৰ নিৰ্দেশ

সতীৰ্থক কঠোৰ নিৰ্দেশ শৰ্মাৰ ■ বিষয়াৰ বদলিতো লগালে নাকী

## ৪৮ ঘণ্টাৰ ভিতৰতেই জমা ফাইলৰ কাম শেষ কৰিব লাগিব মন্ত্ৰীবৰ্গই



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১০ ছেপ্টেম্বৰ ঃ** সতীৰ্থ মন্ত্ৰীসকলৰ প্ৰতি কঠোৰ হৈছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হোৱাৰ পাছৰে পৰা সতীৰ্থসকলৰ স'তে বুজাবুজিৰ মাধ্যমেৰে কাম কৰা ড° শৰ্মাই শেহতীয়াভাৱে কঠোৰ নিৰ্দেশ প্ৰেৰণ কৰিছে সতীৰ্থসকলক। কাৰ্যভাৰ হাতত লৈয়ে দ্ৰুত প্ৰশাসনিক গতিৰে ৰাজ্যত উন্নয়নৰ খৰতকীয়া যাত্ৰাপথ নিৰ্ণয় কৰিব বুলি দৃঢ়তা প্ৰদৰ্শন কৰা মুখ্যমন্ত্ৰীৰ *১০ পৃষ্ঠাত চাওক*

## বিজেপি চৰকাৰৰ ভুল নীতিৰ বাবে দেশত আঢ়ৈ কোটি লোকে হেৰুৱালে কৰ্ম সংস্থাপন

### এটাও উদ্যোগ স্থাপন নকৰা মোদীয়ে বিক্ৰী কৰিলে ২৩টা উদ্যোগ ঃ সাংসদ বৰা



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১০ ছেপ্টেম্বৰ ঃ** বছৰি দুই কোটি যুৱক-যুৱতীক সংস্থাপনৰ প্ৰতিশ্ৰুতি দিয়া নৰেন্দ্ৰ মোদী চৰকাৰৰ সাত বছৰীয়া কাৰ্যকালত বিমুদ্ৰাকৰণ, জিএছটি আৰু ক'ভিডৰ অপৰিকল্পিত তলাবন্ধৰ ফলত দেশত *১০ পৃষ্ঠাত চাওক*

অতুল বৰাৰ নেতৃত্বত কৃষি উন্নয়নৰ এক বুনিয়াদ তৈয়াৰ হৈছে ঃ মুখ্যমন্ত্ৰী ড° শৰ্মা

## ট্ৰেক্টৰ বিতৰণ আঁচনি বন্ধ কৰাৰ ইংগিত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১০ ছেপ্টেম্বৰ ঃ** প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিত ভুৱা হিতাধিকাৰী অন্তৰ্ভুক্ত হোৱাৰ অভিযোগ তথা এই সমগ্ৰ বিষয়টো অহা ৩০ নৱেম্বৰৰ ভিতৰত নিষ্পত্তি হ'ব বুলি আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে। আজি খানাপাৰাস্থিত কৃষি সঞ্চালকালয়ৰ কাৰ্যালয়ত কৃষিমন্ত্ৰী অতুল বৰা আৰু বিভাগীয় বিষয়াসকলৰ উপস্থিতিত *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৬° | ২৭° |
| ডিব্ৰুগড় | ৩৫° | ২৫° |
| দিল্লী | ২৯° | ২৫° |
| কলকাতা | ৩৫° | ২৭° |
| মুম্বাই | ২৯° | ২৬° |
| চেন্নাই | ৩৫° | ২৮° |
| বাংগালুৰু | ২৭° | ১৯° |
| শ্বিলং | ২৫° | ১৮° |

*১০ ছেপ্টেম্বৰ, ২০২১*

■ আগন্তুক তিনিদিনলৈ উত্তাপ অপৰিৱৰ্তিত থকাৰ সম্ভাৱনা

## গুৱাহাটীসহ ৰাজ্যত প্ৰচণ্ড উত্তাপ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১০ ছেপ্টেম্বৰ ঃ** মৌচুমীয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ পৰা বিদায় মাগিবলৈ ধৰাৰ সময়তে উৎকট গৰমত দহিছে সমগ্ৰ ৰাজ্য। আজি গুৱাহাটীত তাপমাত্ৰাৰ সৰ্বোচ্চ পৰিমাণ হয় ৩৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৭ ডিগ্ৰী ছেলছিয়াছ। এনে উৎকট গৰম ৰাজ্যৰ আন আন জিলাতো থাকে। শিলচৰত গুৱাহাটীতকৈয়ো তাপমাত্ৰা অধিক হয়। বৰঝাৰস্থিত বতৰ বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি অসম আৰু ইয়াৰ পাৰ্শ্বৰৰ্তী অঞ্চলৰ পৰা মৌচুমীয়ে ৰাজস্থানৰ জয়ছালমেৰৰ দিশে গতি কৰিছে। ফলত পূব ৰাজস্থান আৰু ইয়াৰ কাষৰীয়া *১০ পৃষ্ঠাত চাওক*

### অধিক ঘন-ভয়াৱহ তাপপ্ৰৱাহ হ'ব ভাৰতত

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১০ ছেপ্টেম্বৰ ঃ** কিছুদিন পূৰ্বে কানাডাত যি ধৰণৰ প্ৰচণ্ড তাপপ্ৰৱাহৰ ঘটনা প্ৰায় এসপ্তাহ ধৰি অব্যাহত আছিল, ভাৰততো অনুৰূপ ঘটনা সংঘটিত হোৱাৰ আশংকা *আঠ পৃষ্ঠাত চাওক*

■ প্ৰতিমাহে ২০ লাখকৈ টকা আদায় দুই বন বিষয়াৰ ■ নেতৃত্বত ৰাজদ্বীপ-ভিমু-গোবিন্দ সৰকাৰ-বিজয় আগৰৱাল ■ বাৰ্মিজ চেগুণকে ধৰি বিভিন্ন কাঠ গুৱাহাটীৰ মাজেদি সৰবৰাহ

## দিছপুৰৰ কাষতে চোৰাং কাঠৰ ছিণ্ডিকেট

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১০ ছেপ্টেম্বৰ ঃ** বাৰ্মিজ চেগুনকে ধৰি পাইন, অকাঠি, ঘৰুৱা চেগুন আদি মূল্যৱান কাঠৰ চোৰাং সৰবৰাহ অব্যাহত ৰাখিবলৈ এক বৃহৎ ছিণ্ডিকেট গঢ়ি উঠিছে। গুৱাহাটীত প্ৰৱেশৰ নামত এই বৃহৎ ছিণ্ডিকেট চক্ৰটোৱে প্ৰতিখন ট্ৰাকৰ পৰা এক লাখ টকা গুণ্ডাকৰ আদায় কৰাৰ তথ্য পোহৰলৈ আহিছে। বিশেষকৈ ডিমাপুৰৰ পৰা দৈনিক ৰাজ্যৰ বিভিন্ন প্ৰান্তকে ধৰি বহিঃৰাজ্যলৈ সৰবৰাহ হৈ অহা বাৰ্মিজ চেগুনৰ সমান্তৰালভাৱে মেঘালয়ৰ পৰা অহা পাইন-অকাঠি আদিৰ কাঠৰো এক বৃহৎ ছিণ্ডিকেট টোপাতলি আৰু যোৰাবাটত গঢ় লৈ উঠিছে। উল্লেখ্য যে যোৰাবাটক মূল কেন্দ্ৰ কৰি গঢ়ি উঠা এই চোৰাং *১০ পৃষ্ঠাত চাওক*









# মৰিয়নিৰ লজত নগালেণ্ডৰ আৰক্ষী বিষয়াৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ১০ ছেপ্টেম্বৰ ঃ** মৰিয়নি নগৰৰ মাজমজিয়াত থকা এখন লজৰ এটা কোঠাত আজি পুৱা চুবুৰীয়া ৰাজ্য নগালেণ্ড আৰক্ষীৰ এজন আৰক্ষী বিষয়াৰ মৃতদেহ উদ্ধাৰ হয়। মৰিয়নিৰ 'লোকনাথ' লজৰ ১১০ নম্বৰ কোঠাটো চাৰিদিন পূৰ্বে ভাড়ালৈ লৈছিল নগালেণ্ড আৰক্ষীৰ সহকাৰী উপ-পৰিদৰ্শক এজনে। মোককচাং জিলাৰ লংছেমত ছয় পৃষ্ঠাত চাওক

## বিলাসনন্দন চ'ৰা




### অসুৰ বধ নহ'ব

**খবৰটো** পাই দেৱীৰ মনটো ভাল লাগি গ'ল। ভাল লাগিব লগা কথাই। এবছৰে বহি থাকিল। একো কাম-কাজ নাই। মন্দিৰ-চন্দিৰো বন্ধ। গতিকে উপাৰ্জনো নাই। ডাঙৰ ছোৱালী লক্ষ্মীৰেই অৱস্থা টাইট হৈ গৈছে! ঘৰৰ প্ৰপাৰ্টিবোৰনো আৰু কিমান বেচি বেচি খাব! বেচিবলৈ কেৱল এতিয়া ফেঁচাটোহে আছে। গণপতি বাবাৰ অৱশ্যে দিনবোৰ বৰ বেছি বেয়া যোৱা নাই। মূৰটো হাতীৰ কাৰণে লগালগ ৰজাঘৰৰ লগত মিলিজুলি চলি থাকিব পাৰিছে। কাৰ্তিক আকৌ চিনেমা-তিনেমা এৰি অ' টি টি প্লেটফৰ্মত ব্যস্ত। চেন্সৰো নাই, টেনছনো নাই। আহুকাল হৈছে সৰস্বতীৰ! অফ্‌লাইন এৰি সৰ বিদ্যা-বুদ্ধিৰ অধিষ্ঠাত্ৰী দেৱী বা দেৱতা হৈ পৰিছে এই ম'বাইলটো। লাহে লাহে সৰস্বতীক এৰি ছাত্ৰ-ছাত্ৰীয়ে ম'বাইল হেণ্ডছেটকে পূজা কৰিবলৈ আৰম্ভ কৰিব বুলি অস্তিত্বৰ শংকাত ভুগিছে দেৱীয়ে। হাঁহটোৱেও বোলে পেকপেকাই তেওঁক জোকায়ে থাকে—'টাইম শেষ! টাইম খতম!' এনে এটা সময়ত ধৰালৈ গৈ নিজৰ মুখখন দেখুৱাই অহাটো বৰ জৰুৰী হৈ পৰিছে সৰস্বতীৰ কাৰণে। এনে সময়তে ইংগিত পোৱা গ'ল মহাৰাজৰ মুখেদি যে এইবাৰ পূজা হ'ব। খবৰটো পাই দেৱীৰ মন আনন্দে নধৰা হ'ল। আঃ কি যে গুড নিউজ! এই গুড নিউজটো প্ৰথমে আনি দিলে সিংহটোৱে। কাৰোবাৰ ঘৰত সি বোলে টিভিত 'সিংঘম' চিনেমাখন চাই আছিল। তেতিয়াই কাৰোবাৰ ম'বাইললৈ গুড নিউজটো আহিল। নিউজটো পায়ে সিংহই আৰু নৰ'ল। চিধাই দেৱীৰ কাষলৈ আহিল। দেৱীৰো গা থৌকি-বাথৌ হ'ল। খবৰটো দিবলৈ কৈলাসলৈ লৰ মাৰিলে। কৈলাসপতিয়ে প্ৰথমে ইণ্টাৰেষ্ট নিদিলে। নিদিয়াৰ কাৰণটো হ'ল—তেওঁ এটাও ভেকচিন লোৱা নাই। দেৱীয়ে ধৰালৈ গৈ প্ৰথমে ভেকচিনটো লোৱাই দিব বুলি কোৱাত তেখেত মান্তি হ'ল।

বাকী সব মেনেজ হৈ গ'ল। এতিয়া খা-খবৰ কৰিব লাগিল অসুৰটোৰ। এবছৰে অসুৰটোৰ লগত দেৱীৰ কোনো কানেকচন নাই। ঘুনুক ঘানাককৈ খবৰবোৰহে পাই থাকে যে অসুৰ ইলেকছনৰ কামত তামাম ব্যস্ত, বহুতৰে বোলে সি খাচ মানুহ, ৰজাঘৰত বোলে তাৰ 'এন অ' ই' আছে। মানে 'নো অৱজেকচন এণ্ট্ৰি'। মাজে মাজে বোলে সি টক্ শ্বোত বহি তৰ্জন-গৰ্জন কৰি বৌদ্ধিকতাৰ ফুলজাৰি ছটিয়াই প্ৰমাণ কৰি দিয়ে যে সকলো বুদ্ধিজীৱীয়ে অসুৰ নহ'ব পাৰে, কিন্তু সকলো অসুৰেই এক ধৰণৰ বুদ্ধিজীৱী।



সেইবোৰ বাৰু ঠিকেই আছে। কিন্তু পূজা পাতিবলৈ অসুৰটোতো লাগিব। ভিলেইন নহ'লে চিনেমা নজমিব নহয়। দেৱীয়ে অসুৰটোৰ লগত কানেকচন কৰিবলৈ তামাম চেষ্টা কৰিলে। বহু খা-খবৰ কৰাৰ অন্তত যেনিবা অসুৰৰ ফোন নম্বৰটো পালে। বহুবাৰ ফোন কৰিলে, কিন্তু ৰিচিভ্ নহ'ল, কল বেকো নহ'ল।

এদিন হঠাতে সেই নম্বৰটোৰ পৰাই দেৱীৰ ফোনলৈ ফোন আহিল—'ফোন কৰিছিল নেকি দেৱী?'

ঃ কি হ'ল, তুমি ফোনটো ধৰা নাই যে!

ঃ আপোনাৰ নম্বৰটো ছেভ নাই নহয়! কওক কিয় ফোন কৰিছিল?

ঃ গুড নিউজটো পাইছানে?

ঃ কি গুড নিউজ?

ঃ এইবাৰ পূজা হ'ব নহয়। মহাৰাজে কৈছে।

ঃ খবৰটো ময়ো পাইছো। কিন্তু মইতো থাকিব নোৱাৰিম।

ঃ কিয়?

ঃ বৰ্তমান মই কোম্পেনীত সোমাইছো নহয়।

ঃ কি কোম্পেনী?

ঃ মহাৰাজৰ পাৰ্মানেণ্ট কোম্পেনী।

ঃ কি কৰিব লাগে তুমি?

ঃ মহাৰাজৰ লগত যোৱাকেইজনৰ মাজত যিকেইজন পাৰ্মানেণ্টলী থাকে, তাৰে ভিতৰত ময়ো এজন।

ঃ তেন্তে মই কাক বধ কৰিম?

ঃ নালাগে বধ কৰিব। এনেয়ে খাড়া হৈ থাকিব। আমিবোৰ সব জাগাই জাগাই সোমাই গৈছো।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# বিহদিয়াত পথ দুৰ্ঘটনাত নিহত তিনি

**অগ্ৰদূত বাৰ্তা**
**দুমনিচকী, ১০ ছেপ্টেম্বৰ ঃ** বাগ্‌সা জিলাৰ গাছবাৰী শিমলুবাৰীৰ পৰা সাত-আঠজনীয়া দল এটাই বিধায়ক দিগন্ত কলিতাক লগ ধৰি ওভতাৰ পথত সংঘটিত এক পথ দুৰ্ঘটনাত তিনিজন লোকৰ মৃত্যু হয়। এখন টেম্প'ৰে লোককেইজনে ওভতাৰ সময়তে বাইহাটা-গোৰেশ্বৰ পথৰ বিহদিয়া ধূপৰতলত এখন এম্বুলেঞ্চে খুন্দিওৱাৰ ফলত দুজন লোকৰ ঘটনাস্থলীতে মৃত্যু হোৱাৰ লগতে আনকে'বাজনো আহত হয়। উক্ত ঘটনাত ছয় পৃষ্ঠাত চাওক

**■ অবড়ো সুৰক্ষা সমিতি শালবাৰী জিলা সমিতিৰ গুৰুতৰ অভিযোগ**

# অবড়ো ৰাইজৰ সংগ্ৰাম ধ্বংস কৰাত নামি পৰিছে সাংসদ শৰণীয়াই

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ১০ ছেপ্টেম্বৰ ঃ** 'দীৰ্ঘদিনীয়া অবড়ো সুৰক্ষা সমিতিৰ সংগ্ৰাম ধ্বংস কৰাত নামি পৰিছে কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ নব কুমাৰ শৰণীয়াই।' এই বিস্ফোৰক অভিযোগ উত্থাপন কৰিছে অবড়ো সুৰক্ষা সমিতি, অসমৰ অন্তৰ্গত শালবাৰী জিলা সমিতিয়ে। বিটিআৰৰ অন্তৰ্গত বাগ্‌সাৰ ছয় পৃষ্ঠাত চাওক

# হোজাইত প্ৰৱঞ্চনাৰে ধন সংগ্ৰহ কৰা প্ৰৱঞ্চক গ্ৰেপ্তাৰ

**■ বন বিভাগ-আৰক্ষীত চাকৰি দিয়াৰ জাল পেলাইছিল অভিযুক্তই**

**অগ্ৰদূত বাৰ্তা**
**হোজাই, ১০ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰৱঞ্চনাৰ জাল তৰি বহু লোকক প্ৰৱঞ্চনা কৰি অহা কুখ্যাত প্ৰৱঞ্চক এজন যোৱা নিশা হোজাই আৰক্ষীয়ে গুৱাহাটী মহানগৰীৰ পৰা গ্ৰেপ্তাৰ কৰে। ধৃত প্ৰৱঞ্চকজন হোজাইৰ ইছলাম নগৰৰ ফতেহপুৰৰ বাসিন্দা জাকিৰ হুছেইন। অভিযোগ মতে, জাকিৰে দীৰ্ঘদিন ধৰি সহজ-সৰল লোকক আৰক্ষীৰ চাকৰি, অগৰু কাঠ বিক্ৰীৰ ছয় পৃষ্ঠাত চাওক

# বিশ্বনাথৰ সুনিপুণ ভাৱৰীয়া-খেলুৱৈ প্ৰফুল্ল শৰ্মাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ১০ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ চাৰিআলিৰ বিশিষ্ট ভাওৰীয়া, খেলুৱৈ প্ৰফুল্ল শৰ্মা (৬৫)ৰ আজি বৰিগাঁৱৰ নিজ বাসভৱনত মৃত্যু ঘটে। কিছুদিন ধৰি তেওঁ বৃক্কৰ ৰোগত আক্ৰান্ত হৈ আছিল। মৃত্যুৰ সময়ত শৰ্মাই পত্নীৰ উপৰি তিনি পুত্ৰ সন্তানক ইহ সংসাৰত এৰি যায়। বিশ্বনাথ চাৰিআলিৰ বন্ধু সংঘৰ সাৰ্বজনীন ভাওনা, বৰিগাঁও আৰু বিভিন্ন স্থানত বালি সুগ্ৰীৱ, ৰাৱণ, উত্তৰ চাৰিআলি সাৰ্বজনীন ৰাসত কংসৰ ভাও লৈ জনপ্ৰিয় হৈছিল। ব্ৰজাৱলী ভাষাত ভাওনাৰ বচন মতাত পাৰ্গত আছিল শৰ্মা। তেওঁ আছিল এজন ছয় পৃষ্ঠাত চাওক

**■ দুৰ্নীতি নিবাৰক শাখাৰ জালত উচ্চবৰ্গৰ সহায়ক**

# অৱসৰপ্ৰাপ্ত শিক্ষকৰ পেঞ্চনৰ ধন মোকলাই দিয়াৰ নামত উৎকোচ

**অগ্ৰদূত বাৰ্তা**
**লংকা, ১০ ছেপ্টেম্বৰ ঃ** উপঢৌকন লৈ দুৰ্নীতি নিবাৰক শাখাৰ জালত পৰিল হোজাই জিলাৰ ঐতিহ্যমণ্ডিত হাইস্কুলৰ এজন উচ্চবৰ্গৰ সহায়ক। ১৯৫০ তে স্থাপিত লংকা হাইস্কুলৰ বিকাশ ৰায় নামৰ উচ্চবৰ্গৰ সহায়কজনক আজি মুখ্যমন্ত্ৰীৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰক শাখাই গ্ৰেপ্তাৰ কৰে। বিদ্যালয়খনৰ সদ্য অৱসৰপ্ৰাপ্ত শিক্ষক কমল বৰাৰ অভিযোগৰ ভিত্তিত দুৰ্নীতি নিবাৰক শাখাই অভিযান চলায়। অভিযোগ মতে, অৱসৰপ্ৰাপ্ত শিক্ষকজনৰ পেঞ্চনৰ ধন মোকলাই দিবলৈ উচ্চবৰ্গৰ সহায়কজনে ৭০ হেজাৰ টকা উৎকোচ বিচাৰিছিল। ইয়াৰে আগধন হিচাপে আজি ১০ হেজাৰ টকা লওঁতে হাতে-লোটে ধৰা পৰে।

# পাঁচ বছৰে বাংলাদেশত কাৰাৰুদ্ধ মঙলদৈৰ ৰিক্সাচালক মুকুলৰ প্ৰত্যাৱৰ্তনৰ পথ প্ৰশস্ত



**■পিতৃসহ আৰক্ষীয়ে আজি উৰা মাৰিব বাংলাদেশ-ত্ৰিপুৰা সীমান্তলৈ ■ দৰং আৰক্ষী অধীক্ষকৰ তৎপৰতাত শ্বাসৰুদ্ধকাৰী নাটকীয় ঘটনাৰ মিলনান্তক ৰূপ**

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ১০ ছেপ্টেম্বৰ ঃ** বিদেশী ৰাষ্ট্ৰ বাংলাদেশৰ সুদীৰ্ঘ পাঁচবছৰীয়া শ্বাসৰুদ্ধকাৰী নাটকীয় ঘটনাৰ 'মিলনান্তক' হোৱাৰ দিশে আগবাঢ়িছে দৰং জিলাৰ মঙলদৈৰ দুৰ্ভগীয়া ৰিক্সা চালক পৰিয়ালৰ। উল্লেখ্য যে মঙলদৈ আৰক্ষী থানাৰ অন্তৰ্গত কেওটপাৰা (হোদাপাৰা) গাঁৱৰ ফুলেশ্বৰ হাজৰিকাৰ পুত্ৰ মুকুল হাজৰিকা নামৰ এজন দৰিদ্ৰ ৰিক্সাচালক আঢ়ৈ বছৰ ধৰি সন্ধানহীন হৈ আছিল। পৰৱৰ্তী সময়ত চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ কাৰাগাৰত ৰিক্সা চালকজনৰ সন্ধান লাভ কৰে পৰিয়ালৰ লোকে। মুঠ পাঁচ বছৰে পৰিয়ালৰ স'তে সংযোগহীন হৈ থকা আৰু বাংলাদেশত আবদ্ধ হৈ থকা ৰিক্সা চালকজনৰ ৰহস্যঘন নাটকীয় ঘটনা এতিয়া যৱনিকা পৰাৰ উপক্ৰম হৈছে। উল্লেখ্য যে তিনি বছৰ পূৰ্বে বাংলাদেশৰ ঢাকাত থকা ভাৰতীয় উপ-উচ্চ আয়ুক্তৰ চিঠি নম্বৰ ডি এ চি/চি অ' এন এচ/৪১১/০৩/২০১৯ মৰ্মে অসমৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ প্ৰধান সচিবক বিষয়টোৰ সন্দৰ্ভত অৱগত কৰা হৈছে। পত্ৰত উল্লেখ ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে



# কলগাছিয়াত ব্যৱসায়ীক মাৰপিট কৰি দুৰ্বৃত্তই লুটিলে ন লক্ষাধিক

**কলগাছিয়া, ১০ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ কলগাছিয়া অঞ্চলত এজন ব্যৱসায়ীক মাৰপিট কৰি দুৰ্বৃত্তই ন লক্ষাধিক নগদ ধন লুট কৰি নিয়াৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তথ্য মতে, কলগাছিয়া বালিকুৰি গাঁৱৰ আলহাজ ৰমজান বেপাৰীৰ পুত্ৰ কছেৰ উদ্দিনে বেংকৰ ছয় পৃষ্ঠাত চাওক

**APOLLO HOSPITALS CHENNAI**
**UROLOGIST**
ডাঃ নীতেশ জৈন MBBS, MS(Gen Surg), M.Ch (Urology)
কেৱল পৰামৰ্শৰ বাবে **নগাঁৱত** উপস্থিত থাকিব।
**On 25th September'2021**
যি কোনো ইউৰলজিকেল সমস্যা, কিডনী কৰ্কট, কিডনী ষ্টোন, প্ৰোষ্টেট কৰ্কট, বি পি এইছ, ব্লাডাৰ কৰ্কট আদিত ভোগা ৰোগীয়ে তলৰ ঠিকনাত আগতীয়কৈ নাম পঞ্জীয়ন কৰিব পাৰে।
APOLLO HOSPITALS INFORMATION CENTRE
F.B.Lab and Diagnostic Center, K.G.Road, Fouzdaripatty.
Near Old Elphinstone Cinema Hall, Nagaon (Assam)
PH: 9435701047




# শ্ৰীৰামপুৰত ৰক্ষণাবেক্ষণৰ অভাৱত কোটিটকীয়া আঁচনি ধ্বংসৰ গৰাহত

**■বগা হাতীত পৰিণত হাৰাফুটা জলসিঞ্চন আঁচনি■মেৰামতিৰ অভাৱত বিকল মেচিন ■অস্তিত্বহীন ডোং-নলা ■বিষয়া-কৰ্মচাৰীয়ে কাম নকৰাকৈয়ে ঘৰত বহি দৰমহা লৈ আছে**



**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ, ১০ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰৰ জলসিঞ্চন বিভাগে কৃষক ৰাইজক কৃষি পথাৰত পানী যোগান ধৰাৰ নামত বিভিন্ন আঁচনিৰ জৰিয়তে কোটি কোটি টকা ব্যয় কৰিলেও বাস্তৱ ক্ষেত্ৰত এইবোৰ আঁচনিৰ দ্বাৰা অধিকাংশ ৰাইজ উপকৃত নোহোৱাৰ অভিযোগ উত্থাপন হৈছে। তাৰ জ্বলন্ত উদাহৰণ গোসাঁইগাঁও ৰাজহ চক্ৰৰ অধীনৰ ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্রদূত

গুৱাহাটী শনিবাৰ ২৫ ভাদ ১৪২৮ ভাস্কৰাব্দ ১১ ছেপ্টেম্বৰ ২০২১

## চৰকাৰে শিক্ষা ল'বনে?

যোৰহাটৰ নিমাতীঘাটৰ নৌকা দুৰ্ঘটনাৰ পাছত ৰাজ্যৰ নৌকা পৰিবহণ ব্যৱস্থাটোক লৈ নানা প্ৰশ্ন উত্থাপিত হৈছে। মাজুলীলৈ এখন দলং নিৰ্মাণ নোহোৱাৰ ফলতে এইদৰে ব্ৰহ্মপুত্ৰৰ বুকুত ক্ষুদ্ৰ নাও আৰু ফেৰীৰে যাত্ৰীয়ে বিপদসংকুল যাত্ৰা কৰিব লগা হোৱা বুলিও অভিযোগ উঠিছে। দুখনকৈ অত্যাধুনিক ৰ'পেক্স জাহাজ আভ্যন্তৰীণ জল পৰিবহণ বিভাগে ৪৪ কোটি টকা ব্যয়ৰে ক্ৰয় কৰাৰ পাছতো কিয় চলাচল নকৰাকৈ পেলাই থৈছে, সেই বিষয়তো সন্দেহৰ সৃষ্টি হৈছে। শোকাৱহ নৌকা দুৰ্ঘটনাৰ পাছত মাজুলীবাসীয়ে শীঘ্ৰে ব্ৰহ্মপুত্ৰত এখন দলং নিৰ্মাণৰ দাবী জনাইছে। নিমাতীঘাটৰ ঘটনাৰ সন্দৰ্ভত পৰিস্থিতিৰ বুজ লোৱাৰ পাছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্বীকাৰ কৰিছে যে ৰাজ্যৰ আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ অবাধ দুৰ্নীতি, অকৰ্মণ্যতা আৰু অনিয়মৰ ফলতে এই ভয়াৱহ দুৰ্ঘটনাটো সংঘটিত হ'ল। ঘটনাৰ সন্দৰ্ভত চৰকাৰে ফৌজদাৰী গোচৰো ৰুজু কৰিছে; কিন্তু প্ৰশ্ন হ'ল, ৰাজ্যৰ জল পৰিবহণ ব্যৱস্থাটো কেতিয়া বিপদমুক্ত আৰু সুচাৰু হৈ উঠিব? অসমবাসীয়ে ভৰ বাৰিষা ব্ৰহ্মপুত্ৰৰ ওপৰত নিশ্চিন্ত মনৰে যাত্ৰা কৰাৰ সুবিধা কেতিয়াবা লাভ কৰিবলৈ সক্ষম হ'ব নে? স্বয়ং মুখ্যমন্ত্ৰীয়ে যেতিয়া নৌকা দুৰ্ঘটনাৰ বাবে জল পৰিবহণ বিভাগৰ দুৰ্নীতি-অকৰ্মণ্যতাক জগৰীয়া কৰিছে, সেয়েহে এই ক্ষেত্ৰত চৰকাৰে কি ভূমিকা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব।

ব্ৰহ্মপুত্ৰত নৌকা দুৰ্ঘটনা নতুন ঘটনা নহয়। প্ৰায় প্ৰতি বছৰে বিশেষকৈ বাৰিষাত ব্ৰহ্মপুত্ৰৰ বুকুত এনে ধৰণৰ সৰু-ডাঙৰ নৌকা দুৰ্ঘটনা সংঘটিত হৈ আহিছে। ব্ৰহ্মপুত্ৰৰ বুকুত অসংখ্য ক্ষুদ্ৰ নাও আৰু ফেৰীৰ চলাচল হৈ আহিছে। ৰাজ্যৰ আভ্যন্তৰীণ জল পৰিবহণ ব্যৱস্থাটোত এটা কথা প্ৰত্যক্ষ হয় যে নিৰাপদ-অত্যাধুনিক সুবিধাযুক্ত জাহাজ আৰু ফেৰীৰ পৰিৱৰ্তে নৌকা যাত্ৰাত সৰ্বাধিক ভট্‌ভটী নাৱৰ ব্যৱহাৰ হৈ আহিছে। এনেবোৰ ক্ষুদ্ৰ ভট্‌ভটীৰ সৰহ সংখ্যকৰে পঞ্জীয়ন নাই আৰু 'ফিটনেছ' অৰ্থাৎ চলাচলৰ উপযোগী নহয় বুলি অভিযোগ উত্থাপিত হৈ আহিছে। তদুপৰি সবাতোকৈ ভয়াৱহ কথাটো হ'ল ক্ষুদ্ৰ নাওসমূহে অত্যধিক সংখ্যক যাত্ৰী, সামগ্ৰী আৰু যান-বাহন বোজাই কৰাৰ ফলতে বহু সময়ত ব্ৰহ্মপুত্ৰৰ বুকুত এনে নৌকা দুৰ্ঘটনাগ্ৰস্ত হৈছে। নিমাতীঘাটৰ নৌকাখনৰ ক্ষেত্ৰতো অত্যধিক ভাৰ বহনৰ অভিযোগ উত্থাপিত হৈছে। কেৱল অত্যধিক ভাৰ বহন কৰাই নহয়, এনেবোৰ নাও-ফেৰীত নৌকাযাত্ৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় সুৰক্ষা ব্যৱস্থা কেতিয়াও পালন কৰা নহয়। যাত্ৰীসকলক দিয়া নহয় কোনো 'লাইফ জেকেট', যাৰ জৰিয়তে যাত্ৰীয়ে নৌকাযাত্ৰাত প্ৰাণৰক্ষা কৰিব পাৰে। এনেদৰেই অসমত জল পৰিবহণ ব্যৱস্থাটো চলি আছে; কিন্তু প্ৰশ্ন হয়, আভ্যন্তৰীণ জল পৰিবহণ বিভাগ এটা থকাৰ পাছতো কিয় ব্ৰহ্মপুত্ৰৰ বুকুত এইদৰে ক্ষুদ্ৰ নাৱৰ বিপদসংকুল যাত্ৰা অব্যাহত আছে? 'ফিটনেছ' নথকা, অনুজ্ঞাপত্ৰ নথকা ভট্‌ভটীসমূহে ব্ৰহ্মপুত্ৰৰ বুকুত ভৰ বাৰিষা এইদৰে অত্যধিক ভাৰ বহনৰে যাত্ৰা অব্যাহত ৰাখিব পাৰিছে কেনেকৈ? নৌকা দুৰ্ঘটনা অসমত এয়ে প্ৰথম নহয়, বাৰিষাত প্ৰায়ে এনে ভয়াৱহ ঘটনা লুইতৰ বুকুত সংঘটিত হৈ আহিছে। এনে দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছত কেইদিনমানলৈ আভ্যন্তৰীণ জল পৰিবহণ বিভাগে তৎপৰতা প্ৰদৰ্শনৰ নাটক কৰে যদিও পাছত পুনৰ ব্ৰহ্মপুত্ৰৰ বুকুত পূৰ্বৰ দৰেই 'ফিটনেছ' নথকা নৌকাৰ দপ্‌দপনি অব্যাহত থাকে। দলং, জাহাজ আদিৰ ব্যৱস্থা নথকাত উপায়হীন হৈ ৰাইজেও মৰণত শৰণ দি এনেবোৰ ভট্‌ভটীৰেই যাত্ৰা কৰিবলৈ বাধ্য হৈছে। সেয়েহে মুখ্যমন্ত্ৰীয়ে স্বীকাৰ কৰাৰ দৰেই নিমাতীঘাটৰ নৌকা দুৰ্ঘটনাৰ বাবে চৰকাৰেই দায়ী। জল পৰিবহণ বিভাগটো যদিহে সক্ৰিয় আৰু নিকা হ'লহেঁতেন, তেন্তে ব্ৰহ্মপুত্ৰৰ নৌকা পৰিবহণ ব্যৱস্থাটোৱে ৰাইজৰ জীৱনক লৈ এইদৰে হেতালি খেলাৰ সুযোগ নাপালেহেঁতেন।

নিমাতীঘাটৰ ঘটনাৰ পৰা চৰকাৰে অন্তিম শিক্ষা লৈ যথাশীঘ্ৰে ব্ৰহ্মপুত্ৰত প্ৰয়োজনীয় সংখ্যক দলং নিৰ্মাণৰ ব্যৱস্থা কৰা উচিত। মাজুলীবাসীয়ে আজিলৈকে এখন দলং লাভ নকৰাৰ কাৰণ কি? ঐতিহ্যমণ্ডিত নদী দ্বীপবাসীক চৰকাৰে এখন দলঙৰ পৰা বঞ্চিত কৰিছে কিয়? ২০১৬ তে স্বয়ং প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দলং নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়াৰ পাছতো দুবাৰকৈ আধাৰশিলা পাতিও মাজুলীত দলং নিৰ্মাণ আৰম্ভ নোহোৱাটো পৰিতাপৰ কথা। দলং নিৰ্মাণৰ বাবে যদি চৰকাৰৰ সদিচ্ছা বা ধনৰ অভাৱ হৈছে, তেন্তে ব্ৰহ্মপুত্ৰৰ বুকুত নিৰাপদ যাতায়াতৰ বাবে পৰ্যাপ্ত সংখ্যক অত্যাধুনিক বৃহৎ জাহাজ আৰু ফেৰীৰ ব্যৱস্থা কৰক, যাতে ৰাজ্যবাসীয়ে পুনৰ নিমাতীঘাট সদৃশ দুৰ্ঘটনা প্ৰত্যক্ষ কৰিব লগা নহয়। অন্যথা মুখ্যমন্ত্ৰীয়ে নিজে চৰম দুৰ্নীতিগ্ৰস্ত আৰু অকৰ্মণ্য বুলি অভিহিত কৰা আভ্যন্তৰীণ জল পৰিবহণ নামৰ বিভাগটো ৰাজ্যত নথকাই ভাল।

### খোলা মঞ্চ

## অসমৰ সৰ্বদিশত দুৰ্দশাৰ বাবে জগৰীয়া কোন বুলি ভাবে?



প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ অসম। অসমত কি নাই? তাহানিৰ জ্যোতিষ শাস্ত্ৰ চৰ্চাৰ কেন্দ্ৰবিন্দু শস্য-শ্যামলা অসম, এই অসমৰ জনগণে স্বাধীনতাৰ ৭৫ সংখ্যক পতাকা উত্তোলন কৰিবলৈ পালে যদিও উন্নয়নৰ ক্ষেত্ৰত বহু সমস্যাৰে ভাৰাক্ৰান্ত হৈ সকলো ক্ষেত্ৰতে পিছ পৰি আছে।

অৱশ্যে অসমীয়াসকল এলেহুৱা স্বভাৱৰ লগতে সচেতনতাৰ অভাৱ প্ৰত্যেক দিশতে। তদুপৰি সময়ৰ সদ্ব্যৱহাৰ কৰিব নোৱৰা বাবে এই দশা অসমৰ জনগণৰ। ইয়াৰ সুযোগৰ স'তে বিদেশীসকলে অবাধ গতিত আহি খোপনি পুতি ল'বলৈ সুবিধা পালে। শিক্ষাৰ ক্ষেত্ৰতে হওক, উদ্যোগৰ ক্ষেত্ৰতেই হওক, কৃষিৰ ক্ষেত্ৰতেই হওক সকলোতে বিদেশীয়ে আধিপত্য পালে। অসমৰ জনগণৰ আন এটা দোষ হ'ল আনৰ ওপৰত নিৰ্ভৰ কৰা মনোবৃত্তি।

তাতোকৈ ডাঙৰ ঘটনাটো হ'ল— জনসংখ্যা বৃদ্ধি, যাৰ কাৰণে অসমৰ যিমান মাটি-কালি আছিল, তাক ৰক্ষা কৰিবলৈ চৰকাৰ অপাৰগ, চুবুৰীয়া ৰাজ্যবোৰৰ লগত সীমা সমস্যা বৰ্তমানলৈ চলি আছে। প্ৰকৃতি ধ্বংস কৰি হাবি-জংঘলত মানুহে বাস কৰিবলৈ আগবাঢ়িছে। চৰকাৰেও একো নিয়ন্ত্ৰণ কৰিব পৰা নাই। এইবোৰৰ সমাধান ক'ত, কেনেকৈ কৰিব সিও সপোনৰ অগোচৰ। বিশেষকৈ বানপানী সমস্যাত ভাৰাক্ৰান্ত অসমৰ জনগণৰ পানীত হাঁহ নচৰা অৱস্থা, সমাধানৰ পথ বৰ্তমানলৈ চৰকাৰে উলিয়াব পৰা নাই। মুঠতে এশ এবুৰি সমস্যা 'কোনে শুনিব, কাক ক'ব' বিবুধিত জনগণ। তাতে নিবনুৱা সমস্যাৰ কথা ক'বলৈ গ'লে এশজনৰ ভিতৰত ৯০ জনেই নিবনুৱা, যাৰ বাবে উগ্ৰপন্থী, ড্ৰাগছ, নাৰী সৰবৰাহ, দালালৰাজ কামত মনোনিৱেশ কৰি অসমক অধঃপতনৰ দিশে লৈ গৈছে। এইবোৰৰ যদি সমাধান কৰিব নোৱাৰে, তেন্তে দুৰ্দশা আৰু বাঢ়িব।

প্ৰতি পাঁচ বছৰে পাঁচ বছৰে ৰাজ্যখনত ৰাষ্ট্ৰীয় হওক বা আঞ্চলিক দলৰ চৰকাৰৰ উত্থান-পতন হোৱা আমি দেখিছো; কিন্তু আমাৰ জনপ্ৰতিনিধিসকলে সমস্যা সমাধানৰ নামত জনগণক কেৱল আভুৱা ভাঁৰাই, দেশত অনেক আঁচনি গ্ৰহণ কৰে যদিও জনপ্ৰতিনিধিসকলৰ পৰিয়ালকেন্দ্ৰিক সুবিধা পোৱা দেখা যায়।

আমি ভাবো, অসমৰ জনসাধাৰণৰ মাজত একতাৰ বান্ধোন শক্তিশালী কৰি তুলিবলৈ চৰকাৰে উদাৰচিত্তে পদক্ষেপ লওক, জনকল্যাণকামীমূলক কাম কৰিব পাৰিলে দেশৰ দুৰ্দশা আঁতৰাব পৰা যাব।

**অঞ্জনা দাস হাজৰিকা,** লেখিকা

ফোন ঃ ৯৪৩৫৩৪৫৪০১

# আৰ্থিক বিকাশৰ সম্ভাৱনা নিম্নগামী নিবনুৱাৰ হাৰ আশাতীতভাৱে ঊৰ্ধ্বগামী

**ড° অনিল কুমাৰ শইকীয়া**

দেশৰ আৰ্থিক বিকাশৰ হাৰ উৰ্ধগামী হ'বলৈ আৰম্ভ কৰাৰ সময়তে নিবনুৱা বৃদ্ধিৰ হাৰে দেশৰ অৰ্থনীতিক দুঃচিন্তাত পেলাইছে। অৰ্থনীতিবিদ, ৰিজাৰ্ভ বেংক, বিভিন্ন গৱেষণা সংস্থা আনকি দেশৰ সৰ্বোচ্চ ন্যায়ালয়েও প্ৰকাশ কৰা তথ্যত বিকাশৰ উৰ্ধগামিতাৰ সম্ভাৱনাৰ কথা ব্যক্ত কৰিছে। ভাৰতৰ প্ৰথম ত্ৰৈমাসিক গণনাত দেশৰ আৰ্থিক বিকাশৰ হাৰ সেই সময়ছোৱাত ২০.১ শতাংশ হৈছিল যদিও ইয়াৰ আগৰ ত্ৰৈমাসিকৰ সময়ত বিকাশৰ হাৰ আছিল ২৪.৪ শতাংশ। অৰ্থনীতিবিদ কে ভি সুব্ৰমণিয়ামে আশাবাদৰ দৃষ্টিভংগীৰে এই বুলি কৈছে যে বছৰটো সম্পূৰ্ণ হ'লে দেশৰ আৰ্থিক বিকাশৰ হাৰ দুটা অংক অতিক্ৰম কৰিব। চৰকাৰে ইতিমধ্যে উৎকৃষ্ট সম্ভাৱনাৰে পুঁজি বিনিয়োগ কৰিছে আৰু মূলধন ক্ষেত্ৰখনত প্ৰতিবছৰে ১৪.৮ শতাংশকৈ ব্যয় ধাৰ্য কৰি আহিছে। অৰ্থাৎ প্ৰায় ১.২৮ কোটি টকা চৰকাৰে মূলধন বিনিয়োগত ব্যয় কৰিছে। ক'ভিড মহামাৰীয়ে সৃষ্টি কৰা বিধ্বংসী অৱস্থাটো চৰকাৰৰ ব্যয় প্ৰকল্পই প্ৰত্যাশিত বিশ্বাসৰ বতৰা কঢ়িয়াই আনিছে। কেন্দ্ৰই পাঁচ লাখ কোটিতকৈ অধিক অতিৰিক্ত ৰাজহ সংগ্ৰহৰ পৰিপ্ৰেক্ষিতত ৰাজহৰ ঘাটি হ্ৰাস পাইছে। আশা কৰা হৈছে যে ইয়াৰ দ্বাৰা বাজেটীয় ব্যয় পূৰণ কৰিব পাৰিব আৰু বিনিয়োগ বৃদ্ধিত সহায় কৰিব। মুদ্ৰাস্ফীতিৰ হাৰ ডিচেম্বৰ পৰ্যন্ত এক নমনীয় অৱস্থান গ্ৰহণ কৰি এই বৃদ্ধিৰ হাৰ পাঁচ অথবা ছয় শতাংশৰ ভিতৰত সীমাৱদ্ধ থাকিব। মুদ্ৰাস্ফীতিৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা নীতিয়ে সু-ফল লাভ কৰিব বুলি অৰ্থনীতিবিদজনে আশা ব্যক্ত কৰিছে। তেওঁৰ মতে, ৰাজহ ব্যয় আৰু মূলধন ব্যয়ৰ বাজেটীয় প্ৰকল্প উৎসাহজনক যিয়েই নেকি দেশৰ অৰ্থ ব্যৱস্থাত ইতিবাচক প্ৰভাৱ পেলাব পাৰে।

ইতিমধ্যে ভাৰতৰ সমষ্টিগত অৰ্থনীতিৰ মৌলিক গাঁথনিসমূহ শক্তিশালী হৈছে আৰু সেয়ে দেশে গ্ৰহণ কৰা গাঁথনিগত সংস্কাৰ পুনৰ পূৰ্বৰ অৱস্থালৈ ঘূৰি গৈ অৰ্থনীতিৰ বিকাশ হাৰ বৃদ্ধি কৰিব। প্ৰথম ত্ৰৈমাসিক গণনাৰ হিচাপত দেশৰ দ্ৰুত বিকাশৰ প্ৰতিফলন ঘটিছে আৰু মুঠ ঘৰুৱা উৎপাদন ৩০.৬৬ লাখ কোটি টকালৈ বৃদ্ধি পাই, মহামাৰীয়ে আনি দিয়া দুৰ্যোগৰ পৰা যদিহে পৰিত্ৰাণ পাই তেন্তে দেশে সম্পূৰ্ণভাৱে উত্থানৰ ফালে আগবাঢ়িব পাৰিব। প্ৰকৃততে দেশত সংঘটিত হৈ থকা কৰ'নাৰ বিধ্বংসী অৱস্থা উপশম ঘটিলেহে দেশৰ অৰ্থনীতি ঊৰ্ধগামী হ'ব। উল্লেখ কৰা প্ৰয়োজন যে ২০২১-২২ ত্ৰৈমাসিক গণনাৰ প্ৰতিবেদনত প্ৰকাশ কৰা তথ্য মতে দেশত সেই সময়ত মুঠ ঘৰুৱা উৎপাদনৰ হাৰ ২০.১ শতাংশ যিটো হাৰ এই মুহূৰ্তত বিকাশৰ ক্ষেত্ৰত এক ৰেকৰ্ড হৈছে বুলি বিবেচনা কৰা হৈছে। প্ৰকৃততে কৰ'নাৰ সংক্ৰমণৰ প্ৰথম ঢৌত সবাতোকৈ বেছি ক্ষতিগ্ৰস্ত হৈছিল দেশৰ অৰ্থনীতি। প্ৰায় তিনিমাহ জুৰি হোৱা তলাবন্ধই দেশত অকল্পনীয় পৰিস্থিতিৰ সৃষ্টি কৰিছিল। বৈদেশিক বাণিজ্য প্ৰায় বন্ধ হৈ গৈছিল। কাৰণ ক'ভিড মহামাৰীৰ ফলত প্ৰায়বোৰ দেশতেই তলাবন্ধ অব্যাহত আছিল, সংক্ৰমণৰ আশংকাত দেশবোৰে ৰপ্তানি বন্ধ কৰি ৰাখিছিল। ইয়াৰ প্ৰভাৱ ভাৰতবৰ্ষতো পৰিছিল। অৱশ্যে মহামাৰীৰ দ্বিতীয় ঢৌৰ প্ৰকোপ কিছু শাম কাটিছে যদিও পুনৰ তৃতীয় ঢৌৰ সম্ভাৱনাই শংকা বঢ়াই তুলিছে। মহামাৰীৰ সংক্ৰমণ কমি আহিলে চৰকাৰে আত্মনিৰ্ভৰ ভাৰত কাৰ্যসূচী আৰম্ভ কৰাৰ কথা ঘোষণা কৰিছে। আৰ্থিকভাৱে মন্দাৱস্থাত থকা দেশৰ চৰকাৰে এতিয়া দেশৰ লাভবান সম্পদবোৰ বেচৰকাৰী খণ্ডক গতাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে, যাৰ ফলত দেশত এতিয়া প্ৰতিবাদৰ জোৱাৰ উঠিছে।

ইতিমধ্যে প্ৰৱল মূল্যবৃদ্ধিয়ে দেশক জোঁকাৰি আছে। পেট্ৰ'ল-ডিজেলৰ মূল্য, গেছৰ দাম আৰু পৰিবহণৰ খৰচ বৃদ্ধি হৈ অৰ্থনীতি কোঙা কৰি পেলাইছে। নিত্য প্ৰয়োজনীয় সামগ্ৰী যেনে— দাইল, চাউল গম, তেল আদিৰ দাম আকাশলংঘী হৈ উঠিছে। তাৰ মাজতে দেশৰ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিয়ে আশাৰ বতৰা কঢ়িয়াই আনিছে যদিও নিবনুৱা বৃদ্ধিৰ ভয়াৱহতাই অৰ্থনীতিৰ উৰ্ধগামিতা অনিশ্চয়তাৰ ফালে লৈ যোৱাৰ সম্ভাৱনা আছে।

যোৱা বছৰৰ শেষৰ ফালে দেশত নিবনুৱা বৃদ্ধিৰ হাৰ যেনেকুৱা আছিল সম্প্ৰতি তলাবন্ধৰ পাছতো সেই বৃদ্ধিৰ হাৰ একেই আছে বুলি অৰ্থনীতিবিদসকলে ক'ব খোজে। অৰ্থাৎ এই সময়ত নিবনুৱাৰ হাৰ হৈছে ৮.৩৫ শতাংশ। যোৱা আগষ্টত প্ৰায় ১৯ লাখ লোকে নিৰ্মাণ খণ্ডত চাকৰি হেৰুৱাব লগা হৈছে যিটো নিবনুৱাৰ ক্ষেত্ৰত অতিকৈ উদ্বেগজনক খবৰ। ভাৰতীয় অৰ্থনীতি নিৰীক্ষণ কেন্দ্ৰৰ তথ্য মতে নিবনুৱা বৃদ্ধিৰ হাৰ আগষ্টত ৮.৩২ শতাংশলৈ বৃদ্ধি পাইছে। এই কেন্দ্ৰৰ তথ্য অনুসৰি জুলাইত নিয়োজিত কৰ্মীৰ সংখ্যা ৩৯.৯৭ কোটিৰ পৰা আগতকৈ ৩৯.৭৮ কোটি অৰ্থাৎ প্ৰায় ১৮ কোটি হ্ৰাস পাইছে। মে'ৰ মাসিক নিবনুৱাৰ হাৰ আছিল ১১.৯ শতাংশ অৰ্থাৎ

**প্ৰৱল মূল্যবৃদ্ধিয়ে দেশক জোঁকাৰি আছে। পেট্ৰ'ল-ডিজেলৰ মূল্য, গেছৰ দাম আৰু পৰিবহণৰ খৰচ বৃদ্ধি হৈ অৰ্থনীতি কোঙা কৰি পেলাইছে। নিত্য প্ৰয়োজনীয় সামগ্ৰী যেনে- দাইল, চাউল গম, তেল আদিৰ দাম আকাশলংঘী হৈ উঠিছে।**

এই মাহটোত ১.৫ লাখ লোকে চাকৰি হেৰুৱাইছিল। এই সময়ছোৱাত ক'ভিড মহামাৰীৰ দ্বিতীয় ঢৌৱে চূড়ান্ত অৱস্থা পাইছিল। নিবনুৱা বৃদ্ধিৰ হাৰ জুন আৰু জুলাইত বাঢ়িছিল যদিও আগষ্টত ইয়াৰ বৃদ্ধিৰ হাৰ অধিক হৈ উঠাত দেশৰ অৰ্থনীতিত পুনৰ অস্থিৰতাৰ আশংকাই দেখা দিছে।



শেহতীয়া তথ্য মতে, নিৰ্মাণখণ্ডত নিয়োজিত প্ৰায় এক নিযুত লোকে কৰ্ম সংস্থাপন হেৰুৱাইছে এই আগষ্টতে। জুলাইত ইয়াৰ সংখ্যা আছিল আঠ লাখ। নিৰ্মাণখণ্ডটোত কৰ্মৰত মুঠ লোকৰ সংখ্যা আছিল ২.৯৬ কোটি। সেয়া জুনত ২.৮৮ কোটি আৰু আগষ্টত ২.৭৯ কোটি লৈ কাম আহিল। উল্লেখ্য যে এই খণ্ডটোৰ বিপৰীতে কিন্তু সেৱাখণ্ডটোত নিযুক্তিৰ পৰিমাণ বৃদ্ধি হৈছে। আগষ্টত খুচুৰা ব্যৱসায়, ই-বাণিজ্য, মেৰামতি আৰু কাৰিকৰী সামৰ্থ্যৰ ক্ষেত্ৰত প্ৰায় আঠ লাখ লোকৰ নিযুক্তি সংযোজিত হৈছে। জুলাইতে সেৱাখণ্ডটোত নিয়োজিত লোকৰ সংখ্যা ১.৪২ কোটিৰ বিপৰীতে কিন্তু আগষ্টত ইয়াৰ সংখ্যা ১.৫ কোটিলৈ বাঢ়িল।

শ্ৰম অৰ্থনীতিবিদ সন্তোষ মেহৰোট্ৰাৰ ভাষাত—Unemployment situation was back to the level of the post-lock-down period in 2020. তেওঁ আঙুলিয়াই দিছে যে নিৰ্মাণখণ্ডটোত দেখা দিয়া নিযুক্তিৰ দুৰাৱস্থাটো ২০১৭-১৮ৰ পৰা ২০২০-২১ৰ ভিতৰত কৃষিখণ্ডত বৰ্ধিত হাৰত বৃদ্ধি পোৱা নিযুক্তিৰ লগত এক সহ-সম্বন্ধ আছে। কৃষি খণ্ডটোত অব্যাহত থকা উপৰ্যুপৰি হেঁচা আৰু মজুৰি হ্ৰাসৰ ফলত নিৰ্মাণ খণ্ডটোত নিবনুৱা বৃদ্ধিৰ প্ৰভাৱ প্ৰতিফলিত হৈছে।

দেশত নিবনুৱা সংকট যোৱা বছৰৰ দৰেই অব্যাহত আছে। ভাৰতীয় অৰ্থনীতি নিৰীক্ষণ কেন্দ্ৰৰ তথ্যত প্ৰকাশ কৰিছে যে ২০১৭-১৮ বৰ্ষত কৃষিখণ্ডত মুঠ নিযুক্তিৰ অংশ আছিল ৩৫ শতাংশ; কিন্তু ২০২০-২১ বৰ্ষত ইয়াৰ বৃদ্ধিৰ হাৰ ৩৯.৫ শতাংশলৈ বাঢ়িল। এই সময়ছোৱাত নিৰ্মাণ খণ্ডৰ নিযুক্তি ১০ শতাংশৰ পৰা ৭.৫ শতাংশলৈ কমি আহিল। অধিক সংখ্যক লোক কৃষিখণ্ডলৈ গুচি অহাত কৃষিখণ্ডত ইতিমধ্যে বৰ্ধিত হেঁচা পৰিয়েই আছিল, তেনে অৱস্থাত কৃষি মজুৰিৰ হাৰ কমি আহিল আৰু অধিক সংখ্যক লোক নিবনুৱা হৈ পৰিল।

এনেবিলাক তথ্যই প্ৰমাণ কৰিছে যে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্মাণ ভাৰত আৰু আত্মনিৰ্ভৰ ভাৰত কাৰ্যসূচীয়ে প্ৰকৃততে সবল ভূমিকা গ্ৰহণ কৰিব পৰা নাই। ২০১৯-২০ৰ কেন্দ্ৰীয় শ্ৰম শক্তিৰ সময়কালীন গণনাৰ তথ্য অনুসৰি কৃষিখণ্ডই নিযুক্তিৰ ক্ষেত্ৰত এক প্ৰবল ব্যৱধানৰ বোজা বহন কৰিব লাগিছে। উল্লেখ্য যে ২০১৮-১৯ত কৃষিত নিযুক্তিৰ অংশ ৫৭.৮ শতাংশৰ পৰা ২০১৯-২০ত গ্ৰাম্য খণ্ডত ৬১.৫ শতাংশলৈ বৃদ্ধি পাইছিল।

অৰ্থনীতিবিদ মেহৰোট্ৰাৰ বিশ্বাসত, এখন উন্নয়নশীল ৰাষ্ট্ৰত প্ৰকৃততে প্ৰত্যাশিত শ্ৰম শক্তি কৃষিখণ্ডৰ পৰা নিৰ্মাণ আৰু সেৱাখণ্ডলৈ হস্তান্তৰিত হোৱা উচিত। ভাৰতত কিন্তু ইয়াৰ এক বৈপৰীত্যৰ ছবি এখনহে উন্মোচিত হৈ আছে। সেয়ে কেন্দ্ৰীয় চৰকাৰৰ ভাৰত নিৰ্মাণ আৰু আত্মনিৰ্ভৰ ভাৰত শ্ল'গানে সহাৱস্থান গ্ৰহণ কৰিব পৰা নাই।

সম্প্ৰতি দেশৰ আৰ্থিক বিকাশৰ সম্ভাৱনাময় উৰ্ধগামিতাই কিন্তু প্ৰত্যাহ্বান জনাবলগীয়া হৈছে। কাৰণ দেশৰ শ্ৰম শক্তিৰ অপূৰ্ণ ব্যৱহাৰ বা অৰ্ধ ব্যৱহাৰে উন্নয়নৰ ইপ্সিত লক্ষ্যত উপনীত হ'ব নোৱাৰে। এনে অৱস্থাত নিবনুৱা কৰ্ম সংস্থাপনেই হ'ব সৰ্বাধিকভাৱে অগ্ৰাধিকাৰৰ বিষয়। মহামাৰীৰ দুৰ্যোগে, তলাবন্ধৰ যন্ত্ৰণাত কৰ্মচ্যুত হোৱা, কৰ্মহীন হৈ থকা আৰু দিনক দিনে বাঢ়ি অহা নিবনুৱাৰ প্ৰত্যাহ্বান কেন্দ্ৰীয় চৰকাৰে মোকাবিলা কৰিবলৈ যিকোনো সময়তে সাজু হৈ থাকিব লাগিব। ক'বলৈ গ'লে— এই মুহূৰ্তত দেশৰ অৰ্থনীতিত প্ৰধান আৰু জ্বলন্ত সমস্যা হৈছে— নিবনুৱা সংস্থাপন, যিটো দেশৰ আৰ্থিক বিকাশৰ স্বাৰ্থত কেতিয়াও আপোচ কৰিব নোৱাৰিব।

ফোন ঃ ৬০০১৬৮৫৭৮৪

## মৃত্যু অদূৰদৰ্শিতাৰ কাৰক

**অভিমত**

**মৃত্যু** নিষ্ঠুৰ সত্য হ'লেও সুস্থ-সবল ব্যক্তি একোজন হঠাতেই নাইকিয়া হোৱা বতৰাই সাংঘাতিক ধৰণে সকলোৰে মন জোঁকাৰি যায়। সেই মৃত্যুৰ কাৰণ পৌৰ নিগমে ৰাস্তা-ঘাট সূচল কৰাৰ নামত পতা মৰণফান্দ তেনে মৃত্যুক কেতিয়াও মানি ল'ব নোৱাৰি।

এনে ক্ষেত্ৰত পৰিবহণ বিভাগ, পৌৰ নিগম, গড়কাপ্তানী বিভাগৰ বিৰুদ্ধে সমালোচনা বা প্ৰতিবাদৰ খবৰ প্ৰায়েই বাতৰি কাকতত প্ৰকাশ পায়। লাখ লাখ টকা খৰচ কৰি ৰাস্তা-ঘাট, দলং, উৰণীয়া সেঁতু, পদপথ নিৰ্মাণ কৰাৰ নামত যিকোনো মুহূৰ্ততে দূৰ্ঘটনা ঘটিব পৰাকৈ পতা মৰণ ফান্দবোৰৰ বাবে কিমান ব্যক্তিয়ে অকালতে প্ৰাণ হেৰুৱাবলগীয়া হৈছে, কিমান মাতৃৰ বুকু শুদা হৈছে তাৰ ঠিকনা নাই। ৰাস্তা-ঘাট নিৰ্মাণ, উৰণীয়া সেঁতু বনোৱা, মুকলি নলা, কেৱলৰ বাবে খন্দা গাঁত, পানী পাইপৰ বাবে খন্দা গাঁত, পদ পথ নিৰ্মাণ আদি কামৰ বাবেই দূৰ্ঘটনা হ'ব এনে কথা নহয়। প্ৰকৃততে এই কামবোৰৰ লগত জড়িত ব্যক্তিসকলৰ অৱহেলা, অদূৰদৰ্শিতা অথবা অসাৱধানতাৰ বাবেই এই দূৰ্ঘটনাবোৰ ঘটি আহিছে। কাম এটা হাতত ল'লে সদায় পৰিকল্পনা কৰি, সম্ভাৱনীয় সকলো দিশ চালি-জাৰি চাই সেই নিয়মত কৰিব লাগে। ৰাস্তা-ঘাটত কামবোৰ চলি থাকোতে কামবোৰ সম্পূৰ্ণ নোহোৱালৈকে পদচাৰী বা চালকসকলৰ চকুত সহজে পৰিব পৰাকৈ বিপদৰ সম্ভাৱনা থকা ঠাইবোৰত সাৱধানতাৰ সংকেত চিন লগাই থ'ব লাগে বা অইন ব্যৱস্থা কৰিব লাগে। এনে ধৰণৰ ব্যৱস্থা নাই বাবেই আজি অসমৰ বিভিন্ন ঠাইত ৰাস্তা-ঘাট বনোৱাৰ নামত দুৰ্ঘটনা ঘটি বহু লোক ঘূণীয়া আৰু বিকলাংগ অথবা নিহত হৈছে। পাঁচ ছেপ্টেম্বৰ, শিক্ষক দিৱসৰ দিনটো আহিলেই মনলৈ আহে সেই দিনটোৰ নিশা ঘচটা দুৰ্ঘটনাৰ দৃশ্য মোৰ পুত্ৰ দেৱব্ৰত ভূঞাই অভিযান্ত্ৰিক চূড়ান্ত পৰীক্ষাৰ ফলাফল লৈ ৰেলষ্টেছনৰ পৰা বন্ধুৰ মটৰ চাইকেলেৰে ঘৰলৈ আহোতে গণেশগুৰিৰ ফ্লাই অভাৰৰ ওচৰৰ পথত কেৱলৰ বাবে খন্দা গাঁতৰ মাটিৰ দ'মৰ বাবে দুৰ্ঘটনা ঘটি নিহত হৈছিল।

উল্লেখ্য যে অসম চৰকাৰৰ পৰিবহণ বিভাগে প্ৰকাশ কৰা তথ্য অনুসৰি ২০২০ত ৰাজ্যত সংঘটিত মুঠ পথ দুৰ্ঘটনাৰ ৭৫.৩০ শতাংশৰে মূল কাৰণ তীব্ৰ গতিবেগ। অসমত প্ৰতি তিনি ঘণ্টাত একোগৰাকী লোকে পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱায়। ইয়াৰ কাৰণ তীব্ৰ গতিবেগ বুলি চৰকাৰৰ পৰিবহণ বিভাগে দোহাৰিছে যদিও ইয়াৰ অইন এটা মূল কাৰণ হৈছে পৰিবহণ বিভাগৰ অদূৰদৰ্শিতা।

ইয়াৰ দ্বাৰাই সকলো সচেতন নাগৰিকক, পৰিবহণ বিভাগৰ কৰ্ম-কৰ্তা অথবা ইয়াৰ লগত জড়িত ব্যক্তিসকলক নিৰ্বিকাৰ হৈ থকাৰ পৰা সজাগ হ'বলৈ, দূৰদৰ্শী হ'বলৈ আহ্বান জনালো। এতিয়াও যেন ৰাস্তা-ঘাটত থকা বিভিন্ন গাঁত, মাটিৰ ঢাপ বা বিপজ্জনক পথৰ কিবা এটা ব্যৱস্থা কৰে, গতিৰোধকবোৰ চকুত পৰাকৈ সাৱধানতাৰ চিন দিয়ে আৰু প্ৰত্যেক বিপজ্জনক পথৰ সন্মুখত চকুত পৰাকৈ সাৱধানতাৰ চিন দিয়ে।

ৰাষ্ট্ৰীয় পথত নতুনকৈ হোৱা গাঁতবোৰ তাৎক্ষণিকভাৱেই মেৰামতিৰ ব্যৱস্থা কৰিব লাগে নতুবা চকুত পৰাকৈ ফলক লগাই থ'ব লাগে। সাংবাদ মাধ্যমেও যেন এই দিশত সজাগ হৈ বাতৰি প্ৰচাৰ কৰি পৰিবহণ বিভাগক সজাগ কৰি দিয়ে।

**ড° মিনতি চৌধুৰী ভূঞা,** চাৰ্ভে, গুৱাহাটী

## মহাপুৰুষ হৰিদেৱৰ নাৰী মুক্তি আন্দোলনৰ হোতা

*জন্মতিথি উপলক্ষে*

**যোগেন্দ্ৰ নাথ দত্ত**

**লখিমপুৰ** জিলাৰ বৰ নাৰায়ণপুৰত কে'বাগৰাকীও মহাপুৰুষৰ জন্ম হৈছিল। মহাপুৰুষ মাধৱদেৱ, হৰিদেৱ, বদলা পদ্ম আতা, ৰামদাস আতা, হৰিচৰণ আতা, অনিৰুদ্ধ দেৱ আদি। বৰনাৰায়ণপুৰ বাৰ বৈষ্ণৱৰ জন্মস্থান। ১৪২৬ খ্ৰীঃ (১৩৪৮ শকত) মহাপুৰুষ হৰিদেৱৰ জন্ম। তেৰাক বৰনাৰায়ণপুৰৰ বৰ পুত্ৰ বুলি কয়। গুৰুসকলৰ ভিতৰত হৰিদেৱ বয়োজ্যেষ্ঠ। পিতৃ অজনাভ দেৱ সংস্কৃত পণ্ডিত। নাৰায়ণপুৰৰ সংস্কৃত টোলতে গুৰুজনাই বাল্য কালৰ বিদ্যা আৰম্ভ কৰি ব্যাকৰণ, কাব্য, দৰ্শন, বেদ, উপনিষদ, ভাগৱত আদি শাস্ত্ৰত খ্যাতি লভিছিল। কাশী ধামত 'বেদাচাৰ্য' উপাধি লৈ জগন্নাথ মন্দিৰলৈ গৈ ধৰ্মশাস্ত্ৰ অধ্যয়ন আৰু ব্যাখ্যাৰে পণ্ডিত মণ্ডলীৰ প্ৰশংসা আৰু 'ভাগৱতচাৰ্য' উপাধি লাভ কৰিছিল। সাধাৰণ ব্যক্তি নহয় হৰিদেৱ। তেওঁ অৱতাৰী পুৰুষ হিচাপে খ্যাত। যোগসিদ্ধ, স্থিতপ্ৰজ্ঞ বিদ্বান, প্ৰতিভাসম্পন্ন মহাপুৰুষ।



নাৰী মুক্তি আন্দোলনৰ অন্যতম হোতা মহাপুৰুষ হৰিদেৱে ৫০০ বছৰৰ আগতে নাৰীক পুৰুষৰ সমমৰ্যাদা দিছিল। সন্তানৰ ক্ষেত্ৰত কন্যা-পুত্ৰৰ ভেদাভেদ নাই। যাগ-যজ্ঞ, পূজা-পাতল মাংগলিক অনুষ্ঠানত স্ত্ৰী পুৰুষৰ সমধিকাৰ আছিল। বৈদিক যুগত নাৰীৰ আনুষ্ঠানিক শিক্ষা নাথাকিলেও নাৰীৰ আসন আছিল অতি উচ্চত। বেদ অধ্যয়ন, যজ্ঞাদি কাৰ্যত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আদি মহিলাই অধিকাৰ লাভ কৰিছিল। ব্ৰহ্মচাৰ্য ব্ৰত পালন কৰিছিল কন্যাই। নাৰীক মান্যতা দি লিংগ নিৰ্বিশেষে যোগ্যজনক দীক্ষা দিছিল। নাৰী-পুৰুষ ভগৱানৰ অংশ। হৰি আৰাধনাত সকলোৰে অধিকাৰ আছে। ছশ বছৰৰ আগতেই নাৰীক সত্ৰাধিকাৰ পাতি বিৰল দৃষ্টান্ত দেখুৱায়। ভাৰতবৰ্ষত সৰ্বপ্ৰথম গণতান্ত্ৰিক প্ৰথাৰ জন্মদাতা হৰিদেৱ। গণতান্ত্ৰিক চিন্তা-চৰ্চাৰে তেৰাই সত্ৰৰ সত্ৰাধিকাৰ পাতিছিল। নিজৰ সুদক্ষ কন্যাক জাতি, বৰ্ণ, লিংগ নিবিচাৰি নাৰী, পুৰুষ ভগৱানৰ দান বুলি প্ৰচাৰ কৰিছিল। প্ৰথমা কন্যা ভূৱনেশ্বৰীক বিবাহৰ প্ৰস্তাৱ দিয়াত কন্যাই কাতৰ প্ৰাৰ্থনা জনাই চিৰকৌমাৰ্য ব্ৰত পালন কৰিবলৈ পিতৃৰ অনুমতি বিচাৰিছিল। আধ্যাত্মিক আৰু ভৌতিক জীৱনৰ সংগী কামনা কৰিছিল কন্যাই। ভাৰতীয় সমাজ ব্যৱস্থাত মনুসংহিতাই বৰ্ণৰ সৃষ্টি কৰাৰ উপৰি নাৰীৰ মৰ্যাদা খৰ্ব কৰি স্বাধীনতাক মান্যতা নিদিছিল। নাৰীগৰাকী কিশোৰী অৱস্থাত পিতৃৰ, যৌৱনত স্বামীৰ, পাছত নিজ পুত্ৰৰ অধীন হ'ব লাগে। এয়া নাৰী বিদ্বেষৰ চিন। ভাৰতীয় সমাজ ব্যৱস্থাত এয়া ক'লা অধ্যায়। হৰিদেৱে এইবোৰ সকলো বিনাশ কৰি হৃত মৰ্যাদা প্ৰতিষ্ঠা কৰিছিল। শিক্ষা-দীক্ষা দি সুনিপুণ কৰিছিল। কন্যা সন্তানৰ ভ্ৰূণ হত্যা, নাৰীৰ প্ৰতি পুৰুষৰ অৱজ্ঞা যৌতুক প্ৰথা, ধৰ্ষণৰ বিৰুদ্ধে ভাৰতবৰ্ষত যি নাৰী মুক্তি আন্দোলনৰ জন্ম, সেয়া হৰিদেৱৰে অৱদান। পুত্ৰ কিম্বা কন্যাই হওক, শিক্ষা-দীক্ষাৰে সবল কৰিব পাৰিলেহে জাতিৰ উন্নতি হ'ব এই ভাবি কন্যা ভূৱনেশ্বৰীক অনন্য ব্যক্তিত্বৰে গঢ় দিছিল। কন্যা সন্তানৰ জন্মত তেৰা উল্লাসিত আৰু পাছত অনন্য ব্যক্তিত্বৰ অধিকাৰী হ'ল ভূৱনেশ্বৰী। কন্যাক সত্ৰাধিকাৰ পাতি ভাৰতীয় ধৰ্ম ক্ষেত্ৰখনত নতুন পথৰ সূচনা কৰিলে। ভাগৱতী বৈষ্ণৱ ধৰ্ম ক্ষেত্ৰত সাহসী পদক্ষেপ গ্ৰহণ কৰি নাৰী মুক্তি আন্দোলনৰ প্ৰধান সেনানীৰূপে পৰিচয় পালে। ধৰ্মীয় সমাজখনত উচ্চস্থান দি নাৰীৰ গণতান্ত্ৰিক ব্যৱস্থাৰে বিশ্বত এক শ্ৰেষ্ঠ নিদৰ্শন ৰাখি থৈ গ'ল হৰিদেৱ প্ৰভুৱে। যিবোৰ গুণ আৰু মাহাত্ম্যৰ কাৰণে জনসাধাৰণে স্বীকাৰ কৰিছিল যে তেৰা সাধাৰণ ব্যক্তি নহয়। অৱতাৰী পুৰুষ হিচাপে জন্ম।

নিৰ্জনতা প্ৰিয়, অন্তৰ্মুখী ভাবনা সম্পন্ন মহাপুৰুষ হৰিদেৱ আছিল প্ৰকৃতিপ্ৰেমী। প্ৰকৃতিৰ বিনন্দীয়া সৃষ্টিৰ মাজত আশ্ৰম সদৃশ সত্ৰ স্থাপন। যি প্ৰকৃতিৰ পৰিৱেশে আনি দিয়ে মনলৈ সুখ আৰু শান্তি। ঈশ্বৰ উপলব্ধিৰ সহজলভ্য কৰিছিল। ব্ৰহ্মপুত্ৰ আৰু কালদিয়া নৈৰ সংগমস্থলত মানেৰী সত্ৰ স্থাপন কৰিছিল। হৰিদেৱী ধৰ্মৰ প্ৰধান অংগ হ'ল পঞ্চ দেৱতা পূজা। তেৰাৰ প্ৰৱৰ্তিত ধৰ্মৰ নাম হ'ল 'বৈদিক ভাগৱতী ধৰ্ম', বেদ নিহিত কৰ্ম, বিষ্ণুৰ উপাসনা আৰু 'সনাতন বৈদিক ধৰ্ম' প্ৰচাৰেই আছিল হৰিদেৱী সত্ৰৰ মূল লক্ষ্য। পদ্ম পুৰাণ, বিষ্ণুপুৰাণ, মহাভাৰত, ৰামায়ণ আদি শাস্ত্ৰ চৰ্চা। সকলো ধৰ্ম, বৰ্ণ, জাতি একত্ৰিত হৈ সুখ-শান্তিৰে জীৱন যাপন। এই মূলমন্ত্ৰকে আগত লৈ মহাপুৰুষ হৰিদেৱে এখন সুস্থ-সবল অসমীয়া জাতি গঢ়াত অগ্ৰাধিকাৰ দিছিল।

ফোন ঃ ৭৮৯৬১০১৩৩৭

## সন্তানৰ প্ৰতিভা বিকাশত অভিভাৱকৰ ভূমিকা

**সন্তান** এটাৰ আনুষ্ঠানিক শিক্ষা আৰম্ভ হোৱাৰ আগতেই ঘৰতে প্ৰাথমিক শিক্ষা আৰম্ভ হয়। এই শিক্ষা মাক-দেউতাকৰ পৰাই সন্তানে পায়। সন্তানৰ উঠা-বহা, খোৱা-লোৱা, ৰুচি-অভিৰুচি আদি সকলো দিশৰ বিষয়ে সৰুৰে পৰাই ভালদৰে অৱগত হয় মাক-দেউতাক বা অভিভাৱকসকল। শৈশৰ কালছোৱাত প্ৰায় সকলো ল'ৰা-ছোৱালীয়েই দৌৰা-দৌৰি কৰা, গান গোৱা, নচা, ছবি আঁকা বা অন্যান্য সৃষ্টিমূলক যিকোনো কাম কৰি ভাল পায় আৰু কোনোবাতো বিষয়ত সিহঁত খুব বেছি পাৰ্গত হয়। বিশেষকৈ গাঁৱৰ ল'ৰা-ছোৱালীবোৰ দৌৰা, জঁপিওৱা, গছত উঠা, গাঁৱৰ পুখুৰীত সাঁতোৰা, ধনুকাঁড় মৰা, কেটেপা গুটিৰে সঠিক নিচান লগাই চৰাই বা তামোল-নাৰিকল কুটি থকা কেৰ্কেটুৱা খেদোৱা আদি কামবোৰত বহত বেছি পাৰ্গত হয়। ৰ'দ, বৰষুণ, বতাহ, বোকাপানীৰ লগত সৰুৰে পৰাই খেলি ডাঙৰ হয় বাবে নগৰত বাস কৰা ল'ৰা-ছোৱালীতকৈ তেওঁলোকৰ ষ্টেমিনা বহুত বেছি থাকে। প্ৰাকৃতিক পৰিৱেশৰ লগত সহজে তেওঁলোকে মিলি থাকিব পাৰে; কিন্তু তেওঁলোক যে বিৰল প্ৰতিভাৰ অধিকাৰী সেয়া মাক-দেউতাকৰ চকুত নপৰে বা পৰিলেও ল'ৰা বা ছোৱালীজনীক আগুৱাই নিব লাগে যে সেই বিষয়টোত তেওঁলোক অজ্ঞ বা জ্ঞাত হ'লেও সক্ষম নহয় লগতে সুযোগো নাই। বহুতেই স্কুল বা গাঁৱৰ প্ৰতিযোগিতাবোৰত ভাগ লয় যদিও আধাতে স্কুল এৰাৰ বাবেও তেওঁলোকৰ প্ৰতিভাবোৰ বিকশিত হ'বলৈ পোৱাৰ আগতেই শেষ হৈ যায়। গাঁৱৰ বুলিয়েই নহয় নগৰত বাস কৰা কিছুমান মাক-দেউতাকে ল'ৰা-ছোৱালীয়ে খেলা-ধূলা কৰি সময় কটোৱাতকৈ জোৰকৈ পঢ়াত মনোনিবেশ কৰাবলৈ বিচাৰে। যদি আমাৰ সমাজত প্ৰতিভাৱানগৰাকী ছোৱালী হয়, তেন্তে শৈশৱ পাৰ হোৱাৰ পাছতে ঘৰৰ পৰা ওলাই গৈ খেলা-ধূলা



কৰাৰ ক্ষেত্ৰত প্ৰচণ্ড বাধা-নিষেধ আৰোপ কৰা হয়। অন্যান্য প্ৰতিভা যিমানেই নাথাকক পঢ়ি-শুনি ডাক্তৰ-ইঞ্জিনীয়াৰ বা চৰকাৰী চাকৰি এটা কৰাৰ কথাতহে আমি অভিভাৱকসকলে অধিক গুৰুত্ব প্ৰদান কৰো। পঢ়াত মন নাথাকিলেও অন্যান্য দিশত বহুত বেছি প্ৰতিভা থকা ল'ৰা-ছোৱালীৰ উপযুক্ত দিশত আগুৱাই নিবলৈ আমাৰ সুস্থ মানসিকতাৰ অভাৱত তেওঁলোকৰ প্ৰতিভাসমূহৰ অকাল মৃত্যু হয়। কোনোবা এটা বিষয়ত এটা শিশু বহুত পাৰ্গত হ'লেও আমি তেওঁলোকক তাৰ পৰা জোৰকৈ আঁতৰাই আনি পঢ়াত লগাবলৈ বাধ্য কৰাও। অৱশ্যে তেওঁলোকৰ প্ৰতিভা বিকাশৰ দিশে সঠিককৈ আগবঢ়াই নিবলৈ বহুতো অভিভাৱক অপাৰগ হয়; কিয়নো আৰ্থিক সমস্যাৰ লগতে প্ৰশিক্ষণ দিবলৈ আমাৰ ৰাজ্যত বিশেষকৈ গাঁওবোৰত ক্ৰীড়াৰ আন্তঃগাঁথনি মজবুত নহয়। প্ৰথমে তেওঁলোকৰ প্ৰতিভাসমূহ চিনাক্ত কৰি বাহিৰলৈ উলিয়াই অনা ব্যক্তি বা এখন মঞ্চৰ অভাৱ, ষ্টেডিয়ামৰ অভাৱ, ট্ৰেইনিং দি আগুৱাই নিবলৈ প্ৰশিক্ষকৰ অভাৱ। গাঁৱত ল'ৰাবোৰে চাফা কৰি লোৱা ফিল্ডখন বা স্কুলৰ খেলপথাৰখনত আবেলি সময়খিনি কটাবলৈহে ফুটবল বা ক্ৰিকেট খেল খেলে। তাতে কাৰোবাৰ চকুত পৰিলে দুই-এজন অকণমান আগবাঢ়ি যোৱাৰ বাদে বাকীবোৰ বিশেষ আগবাঢ়িব নোৱাৰে। তাৰ উপৰি স্কুল-কলেজসমূহতো কেইটামান দিন বছেৰেকীয়া খেল-ধেমালি পতাৰ বাদে ক্ৰীড়াৰ নামত বিশেষ একো কৰা নহয়। বহুত বিদ্যালয়ত ভাল খেলপথাৰ নাই, ষ্টেডিয়ামৰ অভাৱ। গাঁও বা চহৰতে হওক স্কুল-কলেজতে হওক, চৰকাৰে ক্ৰীড়াৰ আন্তঃগাঁথনি মজবুত কৰি ল'ৰা-ছোৱালীক সুবিধাকণ দিলে সিহঁতৰ প্ৰতি আমাৰ কৰ্তব্য পালন কৰা বুলি ভাবিব পৰা যাব।

**জুৰি শইকীয়া**

ফোন ঃ ৯৯৫৪৩৪৯৫৩৫

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১১ ছেপ্টেম্বৰ শনিবাৰ, ২০২১ পৃষ্ঠা ৫



# কৰ্কটৰ ৰাজ্য নহয় খেলৰ ৰাজ্য হিচাপে অসমক গঢ় দিয়ক

**চৰকাৰখনে আমাৰ ৰাজ্য 'স্পোৰ্টচ কেপিটেল' হিচাপে গঢ়ি তোলাৰ প্ৰয়াস হাতত লোৱা সকলোৰে দৃষ্টিগোচৰ হৈছে। ৰাজ্যবাসীয়ে প্ৰশংসা কৰিছে। ইয়াৰ সমান্তৰালভাৱে 'কেন্সাৰ কেপিটেল' হিচাপে চিহ্নিত হোৱা ৰাজ্য কেইখনৰ মাজৰ পৰা আমাৰ ৰাজ্যখনত আঁতৰাই ৰাখিবলৈ সৰ্বজনে সৰ্বতোপ্ৰকাৰ সমবেত প্ৰচেষ্টা হাতত লৈ চৰকাৰৰ স'তে অগ্ৰসৰ হ'ব পাৰিলে নিশ্চয় অচিৰেই 'কেন্সাৰ কেপিটেল' নামাকৰণৰ পৰা মুক্তি পাবগৈ সক্ষমতা অৰ্জন কৰিব পাৰিব বুলি আমাৰ দৃঢ়বিশ্বাস।**

## আৰ্চি নাথ

**লকডাউনৰ** সময়ত চাকৰি-ব্যৱসায়, কৃষিকাৰ্য ইত্যাদি নিয়মীয়াকৈ চলি নথকা হেতুকে আমাৰ শৰীৰবোৰ কৰ্মঠ হৈ থাকিবলৈ শাৰীৰিক ব্যায়াম কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছিল। ব্যায়াম-কচৰৎ কোনোদিনেই কৰিবলৈ প্ৰয়োজনবোধ নকৰা সকলেও অতি কমেও পুৱা-গধূলি খোজ কঢ়াৰ অভ্যাস গঢ়ি তোলা নিশ্চয়কৈ সকলোৰে দৃষ্টিগোচৰ হৈছে। লকডাউন শিথিল হোৱাৰ লগে লগে আমাৰ সমাজৰ অনেক সদস্যই চাইকেল ক্ৰয় কৰি সেই চাইকেল চলাই নিজকে সুস্থ সবল কৰি ৰখাৰ ব্যৱস্থা কৰিলে। প্ৰায় একপ্ৰকাৰ বন্ধ হৈ যাবলৈ ওলোৱা চাইকেলৰ নিৰ্মাণ আৰু বিক্ৰীৰ ব্যৱসায় হঠাৎ ঠন ধৰি উঠিল। এয়া সঁচাকৈয়েই এক শুভ লক্ষণ বুলিব পাৰি। কিন্তু ইয়াৰ বিপৰীতে আমি গ্ৰহণ কৰা শাক-পাচলি, ফল-মূল, মাছ ইত্যাদিত অভাৱনীয়ভাৱে ৰাসায়নিক সাৰ প্ৰয়োগ আৰু কীট-পতংগনাশক ঔষধ প্ৰয়োগেৰে আমাৰ প্ৰতিবিধ খাদ্য ভেজাল হ'বলৈ লোৱা পৰিলক্ষিত হৈছে। মৎস্য উৎপাদনৰ ক্ষেত্ৰত মাছৰ শ্ৰীবৃদ্ধিৰ বাবে ৰাসায়নিক সাৰ প্ৰয়োগ কাৰ্য অতিকৈ ভয়ানক। প্ৰতিবছৰে ভাদ মাহ আহিলেই নামঘৰবোৰত ৰাজহুৱাকৈ প্ৰসাদ হিচাপে ব্যৱহাৰ কৰা বুট মাহ খাই একো একোখন গাঁৱৰ বাসিন্দা হাস্পতালত ভৰ্তি হ'বলগীয়া হোৱা আৰু ইয়াৰ কিছুসংখ্যক লোক বুটমাহত হোৱা বিষক্ৰিয়াৰ ফলস্বৰূপে দুখজনকভাৱে প্ৰাণত্যাগ কৰিব লগীয়া হোৱাটো নিশ্চয়কৈ অতিকৈ দুৰ্ভাগ্যজনক। চৰকাৰে খাদ্য ভেজালকাৰী সকলৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ অন্তৰ্গত কঠোৰতম ধাৰা প্ৰয়োগ কৰি তেওঁলোকক শাস্তি প্ৰদান নকৰালৈকে এই ভেজালকৰণ কাৰ্য লোপ পোৱাৰ কোনোধৰণৰ আশা আমাৰ দৃষ্টিগোচৰ হোৱা নাই। এই ভেজালকৰণৰ ফলস্বৰূপে বৰ্তমান দহ বছৰীয়া শিশুৰ পৰা আৰম্ভ কৰি বয়োজ্যেষ্ঠ সকললৈকে অনেক লোক দুৰাৰোগ্য কেন্সাৰ ৰোগত আক্ৰান্ত হৈ মৰ্মান্তিকভাৱে মৃত্যুবৰণ কৰিবলগীয়াত পৰিছে। অবিৰতভাৱে বিনা বাধাই চলি থকা এই ভেজাল কাৰ্য চৰকাৰে কঠোৰ হাতেৰে দমন কৰিব নোৱাৰিলে ভৱিষ্যতলৈ আমাৰ দেশৰ নিৰপৰাধী অনেক নাগৰিকে নিৰ্দোষী হোৱা সত্ত্বেও মৃত্যুৰ পথলৈ অগ্ৰসৰ হ'বলগীয়া হ'ব।

অতি সদ্যহতে এগৰাকী অসমৰ খিলঞ্জীয়া খেলুৱৈয়ে অলিম্পিকৰ ক্ৰীড়াক্ষেত্ৰৰ পৰা পদক বিজয়িনী হৈ উভতি আহি আমাৰ ৰাজ্যৰ নাম ভাৰতবৰ্ষত উজ্বলাই তোলা কাৰ্য নিশ্চয়কৈ প্ৰশংসনীয়। নতুন প্ৰজন্মৰ নাগৰিকসকলে এই কাৰ্যৰ পৰা প্ৰেৰনান্বিত হৈ ভৱিষ্যতলৈ অলিম্পিকৰ পৰা অনেক পদক আঁজুৰি আনিবলৈ চেষ্টাত ব্ৰতী হ'ব। কিন্তু ইয়াৰ বিপৰীত দিশে আমাৰ উত্তৰ-পূব ভাৰতবৰ্ষক 'কেন্সাৰ কেপিটেল' হিচাপে নামকৰণ কৰিবলগীয়া কাৰ্য নিশ্চয়কৈ চিন্তনীয় সমাজবিজ্ঞানী, গৱেষণাবিদ, কেন্দ্ৰীয় চৰকাৰ তথা ৰাজ্যচৰকাৰ কেইখনৰ বাবে। উত্তৰ-পূবৰ কে'বাখনো ৰাজ্য অনেক পৰিমাণে পৰ্যটকৰ আগমনৰ ওপৰত নিৰ্ভৰশীল। সেয়েহে যদি পৰ্যটকসকলে পূৰ্বোত্তৰৰ ৰাজ্য কেইখনক 'কেন্সাৰ কেপিটেল' হিচাপে নামকৰণ কৰা কাৰ্যক গুৰুত্ব সহকাৰে গ্ৰহণ কৰে, তেন্তে ভাৰতবৰ্ষৰ আন ৰাজ্যৰ পৰা পৰ্যটকৰ আগমনত প্ৰভাৱ পৰাৰ আশংকা কৰিব পাৰি। যাৰ ফলস্বৰূপে কৰ'নাৰ প্ৰভাৱত একপ্ৰকাৰ ককাল ভাঙি পৰা এই ৰাজ্য কেইখনৰ অৰ্থনীতিয়ে মূৰ দাঙি উঠিবলৈ অনেক বছৰ অপেক্ষা কৰিবলগীয়া হ'বগৈ পাৰে। সেয়েহে যুদ্ধকালীন তৎপৰতাৰে চৰকাৰে যিদৰে সীমিত আৰ্থিক আয় থকা সত্ত্বেও কৰ'নাৰ দ্বিতীয় ঢৌত প্ৰভাৱ জনগণৰ ওপৰত জঁপিয়াই পৰিবলৈ নিদিয়াকৈ ৰাখিবলৈ সক্ষম হৈছে তাৰ বাবে আমাৰ ৰাজ্য চৰকাৰ কেইখন আৰু কেন্দ্ৰীয় ব্যৱস্থাপনাৰ বাবে



অবিৰামভাৱে কৰ্মৰত হৈ থকা স্বাস্থ্য কৰ্মীসকলৰ উপৰি কেন্দ্ৰীয় চৰকাৰ প্ৰশংসা তথা ধন্যবাদৰ যোগ্য। ঠিক এই তৎপৰতাৰে যদি সকলোৰে হাতে হাত মিলাই কেন্সাৰ ৰোগ প্ৰতিহত কৰিবলৈ অগ্ৰসৰ হয় আৰু কেন্সাৰৰ কাৰক হিচাপে চিহ্নিত হোৱা ভেজাল খাদ্য, শাক-পাচলি আৰু মাছ-মাংসৰ ভেজালকৰণৰ দৰে গৰ্হিত কাৰ্যত জড়িতসকলক পুলিয়ে-পোখাই উভালি পেলাবলৈ সক্ষম হয়, তেন্তে অপ্ৰতিৰোধ্য হিচাপে পৰিগণিত হোৱা কেন্সাৰ ৰোগক কিছু পৰিমাণে প্ৰতিহত কৰিবলৈ সক্ষম হ'বগৈ বুলি আমাৰ বিশ্বাস!

আমাৰ ৰাজ্যখনত চৰকাৰে কেন্সাৰ চিকিৎসাৰ বাবে নতুনকৈ কে'বাখনো কেন্সাৰ চিকিৎসালয় স্থাপন কৰা কাৰ্য সকলোৰে একেমুখে প্ৰশংসা কৰিব নিশ্চয়কৈ; কিন্তু এই চিকিৎসালয়বোৰত প্ৰতিগৰাকী কেন্সাৰ ৰোগীয়ে যাতে বিনামূলীয়াকৈ চিকিৎসা গ্ৰহণ কৰাৰ সুযোগ পায় তাৰ ব্যৱস্থা চৰকাৰে নিশ্চিত কৰিব পাৰিলে ব্যক্তিগত খণ্ডত কেন্সাৰ চিকিৎসাৰ নামত চলি থকা চিকিৎসালয়বোৰৰ অত্যাধিক ব্যয়বহুল চিকিৎসাৰ পৰা ৰোগী আৰু ৰোগীৰ পৰিয়ালবৰ্গই সকাহ লভিবলৈ সক্ষম হ'বগৈ। কেন্সাৰ আক্ৰান্ত বুলি পৰিয়ালৰ সদস্য এগৰাকীক কোনেও চিকিৎসাবিহীনভাৱে এৰি দিব নিবিচাৰে। কিন্তু অৰ্থৰ অভাৱত অনেকজনে চিকিৎসাকাৰ্য আধাতে সামৰি নিজৰ ভাগ্যক ধিয়াই ঘৰমুৱা হ'বলগীয়া হোৱা হেতুকে কেন্সাৰ ৰোগৰ অভাৱনীয়ভাৱে প্ৰসাৰণ হ'বলৈ লোৱা যেন অনুভৱ হয়। চৰকাৰী চিকিৎসালয় কেইখনত কোটি টকা ব্যয় সাপেক্ষে অত্যাধুনিক যন্ত্ৰপাতি ক্ৰয় কৰি স্থাপন কৰা হৈছে; কিন্তু তত্ত্বাৱধানৰ অভাৱত এই যন্ত্ৰপাতিবোৰ যাতে এলাগী হৈ পৰি নাথাকে, তাৰ সুব্যৱস্থা চৰকাৰে নিশ্চয়কৈ হাতত ল'ব বুলি আমাৰ বিশ্বাস। কেন্সাৰ ৰোগীৰ পৰীক্ষা কাৰ্যত ব্যৱহৃত যন্ত্ৰপাতিবোৰ যথেষ্ট ব্যয়বহুল হোৱা হেতুকে ব্যক্তিগত চিকিৎসালয়বোৰত অনেক অৰ্থ ব্যয় কৰিবলগীয়া হয়, যাৰ দ্বাৰা ৰোগীগৰাকী কেন্সাৰ পীড়িত বুলি নিশ্চিতকৰণ কৰা হয়। সেয়েহে চৰকাৰী খণ্ডত এনেধৰণৰ যন্ত্ৰপাতি স্থাপন কৰি কেন্সাৰৰ বিৰুদ্ধে যুঁজ দিবলৈ চৰকাৰ একপ্ৰকাৰ বদ্ধপৰিকৰ যেন আমাৰ অনুভৱ হৈছে। কেন্সাৰ ৰোগীৰ চিকিৎসা ব্যয় কৰি সৰ্বস্বান্ত হোৱা পৰিয়ালবৰ্গৰ মনস্তাত্ত্বিক দিশটো চৰকাৰে অনুভৱ কৰি সকাহ দিব পাৰিলে উত্তৰ-পূবৰ অন্যান্য ৰাজ্যৰ পৰা কেন্সাৰ ৰোগীৰ সংখ্যা কিমান হ্ৰাস পাব আগতীয়াকৈ অনুমান কৰা একপ্ৰকাৰ অসম্ভৱ। কিন্তু আমাৰ ৰাজ্যখনত নিশ্চয়কৈ কেন্সাৰ ৰোগীৰ সংখ্যা লেখত ল'বলগীয়াকৈ হ্ৰাস পাব তাত কোনো সন্দেহ নাই। চৰকাৰখনে আমাৰ ৰাজ্য 'স্প'ৰ্টচ কেপিটেল' হিচাপে গঢ়ি তোলাৰ প্ৰয়াস হাতত লোৱা সকলোৰে দৃষ্টিগোচৰ হৈছে। ৰাজ্যবাসীয়ে প্ৰশংসা কৰিছে। ইয়াৰ সমান্তৰালভাৱে 'কেন্সাৰ কেপিটেল' হিচাপে চিহ্নিত হোৱা ৰাজ্য কেইখনৰ মাজৰ পৰা আমাৰ ৰাজ্যখনক আঁতৰাই ৰাখিবলৈ সৰ্বজনে সৰ্বতোপ্ৰকাৰ সমবেত প্ৰচেষ্টা হাতত লৈ চৰকাৰৰ স'তে অগ্ৰসৰ হ'ব পাৰিলে নিশ্চয় অচিৰেই 'কেন্সাৰ কেপিটেল' নামকৰণৰ পৰা মুক্তি পাবলৈ সক্ষমতা অৰ্জন কৰিব পাৰিম বুলি আমাৰ দৃঢ়বিশ্বাস। যিদৰে চৰকাৰখনে কৰ'নাৰ দ্বিতীয় ঢৌৰ পৰা জনসাধাৰণক যথেষ্ট পৰিমাণে মুক্ত কৰি ৰাখিলে ঠিক একেই প্ৰয়াসেৰে ৰাজ্যবাসীক কেন্সাৰমুক্ত কৰি ৰাখিব পাৰিব নিশ্চয়!

*ফোন ঃ ৯৭০৭০১১১০০*

# ক'ভিড প্ৰতিষেধক প্ৰদানত মাৰোৱাৰী সন্মিলনৰ অগ্ৰণী ভূমিকা

## গোপাল জালান

**মানৱ** সেৱাৰ বাবে প্ৰয়োজন ইতিবাচক চিন্তাধাৰাৰে আগুৱাই যাব পৰা এটি মন। এনে সেৱাত ধনতকৈও মনৰ জোৰ আৰু দৃঢ়তাৰ প্ৰয়োজন। কেৱল ধন থাকিলেই যদি মানৱ সেৱাৰ মন জাগি উঠে তেনেহ'লে ক'ভিডকেন্দ্ৰিক আতংকৰ মাজত মানুহৰ জীয়াই থকাৰ যি সংগ্ৰাম আৰম্ভ হৈছে তাৰ ছবি কেতিয়াও দেখা নাপালোহেঁতেন। দীৰ্ঘদিন ধৰি হোৱা তলাবন্ধৰ বাবে জুৰুলা হোৱা প্ৰায়ভাগ আৰ্থিকভাৱে দুৰ্বল লোকে ইমান হাঁহাকাৰ কৰিব নালাগিলহেঁতেন। এনে এক দুৰ্যোগপূৰ্ণ সময়ত এশদিন ধৰি নীৰৱে সেৱা আগবঢ়াইছে মাৰোৱাৰী সন্মিলনৰ গুৱাহাটী শাখাই। এই সংস্থাটোৱে এশদিনতকৈ অধিক সময়ত কমেও ৪২ হাজাৰ লোকক বিনামূলীয়াকৈ ক'ভিড প্ৰতিষেধক প্ৰদান কৰিছে। বৃহত্তৰ গুৱাহাটীৰ সৰ্বসাধাৰণ আৰু দুখীয়া লোকসকলৰ বাবে এনেদৰে ব্যৱস্থা কৰাত বিশেষকৈ ফাঁচীবজাৰৰ লোকসকলে সুবিধা ল'বলৈ সক্ষম হৈছে। ব্যৱসায়ৰ লগত জড়িত লোকসকলৰ লগতে ঠেলাৱালা, ৰিক্সাৱালা আদিয়েও প্ৰতিষেধক লাভ কৰিবলৈ সক্ষম হৈছে। মাৰোৱাৰী সন্মিলনৰ গুৱাহাটী শাখাই এনেদৰে আগভাগ লৈ প্ৰতিষেধক প্ৰদান কৰাৰ ফলত বহুতে এতিয়া প্ৰতিষেধক ল'বলৈ ইচ্ছা প্ৰকাশ কৰিছে। তদুপৰি বহুতো লোকে এন্ড্ৰয়েড ম'বাইল নোহোৱাৰ বাবে অনলাইন পঞ্জীয়ন কৰাত সমস্যাৰ সন্মুখীন হৈছিল। তেনে হোৱাৰ ফলত অৰ্থাৎ জটিলতা থকাৰ বাবে বহুতো লোকে প্ৰতিষেধক ল'বলৈ ইচ্ছা প্ৰকাশ কৰা নাছিল। যিহেতু আনৰ ম'বাইলত বা কাফেত গৈ কৰাটো তেওঁলোকৰ সহজ কাম নহয়, সেইবাবে প্ৰতিষেধক গ্ৰহণৰ পৰা আঁতৰি আছিল। এতিয়া সন্মিলনে পদক্ষেপ গ্ৰহণ কৰাৰ বাবে এইপৰ্যন্ত ৪২ হাজাৰ লোকে আজিলৈ প্ৰতিষেধক ল'বলৈ সক্ষম হৈছে। সন্মিলনে ১০০ দিনতকৈ অধিক সময়ত ইমানসংখ্যক লোকক প্ৰতিষেধক প্ৰদান কৰি অভিলেখো স্থাপন কৰিছে। মাৰোৱাৰী হাস্পতাল আৰু অসম মহেশ্বৰী সেৱা ট্ৰাষ্টৰ সহযোগত চলা এই অভিযানত আগভাগ লৈছে সমাজ সেৱক অশোক ধানুকাই। এইক্ষেত্ৰত সমাজ সেৱক ধানুকাই কয় যে বিভিন্ন ঠাইত প্ৰতিষেধকৰ বাবে দীঘলীয়া শাৰী দেখাৰ লগতে মৃত্যুৰ হাৰ বৃদ্ধি পোৱা দেখি অনুভৱ হৈছিল যে যদিহে কোনো এঠাইত লোকসকলক প্ৰতিষেধক প্ৰদান কৰিব পৰা যায় তেনেহ'লে বহুতৰেই উপকাৰ হ'ব। সেইবাবে যোৱা ১৭ মে'ৰ পৰা এই অভিযান আৰম্ভ কৰা হয়। এই অভিযান সাফল্যমণ্ডিত কৰিবলৈ অসম মহেশ্বৰী সেৱা ট্ৰাষ্টৰ লগতে মাৰোৱাৰী হাস্পতালৰ সেৱকসকলে যথেষ্ট কষ্ট কৰিছে। তেওঁ




পুনৰ কয় যে যিকোনো কাৰ্য বা অভিযানৰ সাফল্য নিৰ্ভৰ কৰে দলীয় প্ৰচেষ্টাৰ ওপৰত। এইক্ষেত্ৰত প্ৰদীপ ভুৱালকা, সুশীল গোৱেল, ৰমেশ চান্তক, সুৰয সিংঘানীয়া, বিবেক সাংগানেৰিয়া, বিকাশ জৈন, সঞ্জীত ধূত, প্ৰভাস পোড্ডাৰ, পবন চাবু, শংকৰ বিৰলা তথা সম্বৰমল আগ্ৰৱালৰ ভূমিকা উল্লেখযোগ্য। এইক্ষেত্ৰত কম্পিউটাৰ অপাৰেটৰ জোনালী গোৱালা আৰু পুলকিত ভুৱালকাৰৰ নামো উল্লেখ কৰিব লাগিব। কাৰণ যিসকলে নিজৰ ম'বাইলত পঞ্জীয়ন কৰিব পৰা নাছিল তেনে লোকক কম্পিউটাৰত ইণ্টাৰনেটৰ সহায়ত নামভৰ্তিৰ লগতে প্ৰতিষেধক লোৱাৰ পাছত দ্বিতীয়পালিৰ বাবে প্ৰিণ্ট উলিয়াই দিও সহায় কৰিছে। অৰ্থাৎ তেওঁলোকৰ দ্বিতীয়পালি প্ৰতিষেধক লওঁতে যাতে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয় তাৰবাবে এনে ব্যৱস্থা কৰা বুলি ধানুকাই কয়। শিবিৰৰ আৰম্ভণিতে কেইদিনমানৰ পাছত তেওঁ উপলব্ধি কৰে যে অনলাইন নাম পঞ্জীয়ন কৰিব নোৱাৰা লোকৰ সংখ্যাই অধিক। সেইবাবে তেওঁ এটা কম্পিউটাৰ ক্ৰয় কৰি মহেশ্বৰী ভৱনত কম্পিউটাৰ স্থাপন কৰি সেই লোকসকলৰ নাম থিতাতে পঞ্জীয়ন কৰি প্ৰতিষেধক প্ৰদান কৰিবলৈ সক্ষম হৈছে। এনেদৰে ১৫ হাজাৰ লোকক প্ৰতিষেধক প্ৰদান কৰা বুলিও ধানুকাই কয়। তদুপৰি উক্ত শিবিৰত বৰ্তমানলৈকে কমেও ২০ হাজাৰ লোকৰ ৰেপিড এণ্টিজেন টেষ্ট কৰা হৈছে। এনেদৰে লোকসকলে সুবিধা গ্ৰহণ কৰাৰ ফলত ফাঁচীবজাৰৰ দৰে ঘন জনবসতিপূৰ্ণ তথা ব্যৱসায়িক কেন্দ্ৰত সংক্ৰমণৰ হাৰ বহু পৰিমাণে কম কৰিবলৈ সক্ষম হৈছে।

ৰাজ্যৰ আন কে'বাটাও স্বেচ্ছাসেৱী অনুষ্ঠানেও এইক্ষেত্ৰত আগভাগ লৈছে। এইসকলৰ ভিতৰত ৰেইজড (মহাবীৰ ষ্টল), জে চি আই হাৰিয়ানা ভৱন, তেৰাপন্থী ভৱন, মাৰোৱাৰী যুৱ মঞ্চ, ৰেইজড হাই, পোড্ডাৰ কমপ্লেক্স (নাৰেংগী), লালমাটি গুৰুদ্বাৰা, কল্যাণ ভৱন আদিৰ লগতে আন বহু স্বেচ্ছাসেৱী সংগঠনে সৰ্বসাধাৰণ লোকসকলক ক'ভিড প্ৰতিষেধক প্ৰদানৰ বাবে অহৰ্নিশে চেষ্টা চলাই আহিছে। ক'ভিডকালীন সংকটৰ সময়ত এনেদৰে সহায়ৰ হাত আগবঢ়োৱাটো এটা ডাঙৰ কথা বুলি ক'ব লাগিব। যদিও আমাৰ সমাজৰ প্ৰায়সংখ্যক লোকৰে হাতত দুই-তিনিটা ম'বাইল ফোন আছে, তথাপি দুখীয়া শ্ৰেণীটোৱে আকৌ সাধাৰণ ম'বাইল এটাকে ক্ৰয় কৰিব পৰা নাই। সেইবাবে যিসকলৰ এনেধৰণৰ অনলাইনৰ প্ৰয়োজন হৈছে তেওঁলোকক এনেদৰে সহায়ৰ হাত আগবঢ়োৱাৰ ফলত লোকসকলে এখোজ আগুৱাই আহিছে। সমাজত এনেধৰণৰ সংগঠনৰ প্ৰয়োজন আছে। কাৰণ কিছুমান কাম স্বেচ্ছাসেৱী সংগঠনৰ দ্বাৰা কৰিলে ৰাইজৰ আস্থা আৰু বিশ্বাসো বৃদ্ধি পায়। আনহাতে প্ৰচাৰ আৰু সজাগতা সৃষ্টিৰ ক্ষেত্ৰতো সহায়ক হয়। ক'ভিড প্ৰতিষেধকৰ প্ৰতি থকা ভ্ৰান্ত ধাৰণা আৰু ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ ক্ষেত্ৰত স্বেচ্ছাসেৱী সংগঠনৰ ভূমিকা গুৰুত্বপূৰ্ণ। ফোন ঃ 94351–

**অমিয় কুমাৰ দাসৰ জীৱনৰ সবাতোকৈ উজ্জ্বল দিশ হ'ল তেওঁৰ জন সেৱাৰ কাহিনী। প্ৰকৃততে জনসেৱাৰ গঠনমূলক কামহে তেওঁৰ অধিক প্ৰিয় আছিল। অসমৰ বহুত প্ৰতিষ্ঠানৰ তেওঁ গুৰি ধৰিছিল আৰু বহুত প্ৰতিষ্ঠানৰ স্থাপনকৰ্তা আছিল। সমাজ সেৱাৰ মাজেদি বিমল আনন্দৰ সোৱাদ পাইছিল বাবেই তেওঁ চহৰৰ জাক-জমকতা আৰু হুলস্থূলীয়া পৰিৱেশ বৰ্জন কৰি ঢেকীয়াজুলিৰ এক নিভৃত চুকত নীড় স্বৰূপ এটা সৰু গৃহত থাকিবলৈ লয়। তেওঁৰ সেৱা সাধনাত সহধৰ্মিণী পুষ্পলতা দাস শক্তি স্বৰূপা হৈ থিয় দিছিল। এনে এক মণিকাঞ্চন যোগ দাম্পত্য জীৱনৰ উজ্জ্বল নিৰ্দৰ্শন**

# 'কটন গৌৰৱ নে অসম গৌৰৱ'?

## লোকপ্ৰাণ কটনিয়ান

# অমিয় কুমাৰ দাস

## ড° অৰূপ কুমাৰ হাজৰিকা



**ভা**ৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত অসমৰ যোগদানৰ সম্পৰ্কে যেতিয়া আমি চিন্তা কৰিবলৈ লওঁ, দুজন পুৰুষৰ কথা আমাৰ তৎক্ষণাৎ মনলৈ আহে— ফুকন আৰু বৰদলৈ। পিছে এই কথা ঘাইকৈ ১৯২১ৰ অসহযোগ আন্দোলনৰ বেলিকাহে। ১৯৩০ৰ আইন অমান্য আন্দোলনৰ ওচৰ চপাৰ লগে লগে দুজন সেনাপতিৰ ছবি সমুজ্জ্বল হৈ পৰে। ত্যাগবীৰ হেম বৰুৱা আৰু লোকপ্ৰাণ অমিয় কুমাৰ দাস। ১৯৩০ৰ আন্দোলন সমগ্ৰ ভাৰতত যেতিয়া বিয়পি পৰিল অসম তেতিয়াও গুণাগঁথাতে আছিল। ফুকন, বৰদলৈ তেতিয়া অৱসন্ন নহ'লেও বীৰদৰ্প হৈ থকা নাছিল। আগবাঢ়ি আহি নেতৃত্বৰ প্ৰেৰণা দিবলৈ যিমানে মানসিক উত্তেজনা আৰু উত্তাপৰ প্ৰয়োজন সিমানখিনি উত্তাপ- উত্তেজনা হয়তো তেওঁলোক দুজনে অনুভৱ কৰিলেও গুৰুভাৰ বহনৰ উৎসাহ আহৰণ কৰিব পৰা নাছিল। অথচ অসমৰ ৰাইজে তেওঁলোক দুজনৰ মুখলৈকে চাই আছিল। এনে এটা অৱস্থা অসমৰ ডেকাচামৰ পক্ষে অসহনীয় হৈ উঠিল। তেওঁলোকে স্থিৰ কৰিলে প্ৰবীণসকলৰ নেতৃত্বলৈ বাট চাই কাল হানি কৰাৰ ফল নাই। ওলোৱাৰহে কথা। এই ডেকা দলটোৰ নেতৃত্ব লৈ ওলাই আহিল তেজপুৰৰ হেম বৰুৱা আৰু অমিয় দাস বুকুত অসীম সাহস লৈ । এই দুজন সৰ্বস্ব ত্যাগী যুৱনেতা আগৰণুৱা হৈ ডেকা কৰ্মী আৰু ছাত্ৰসকলক উৎসাহ নিদিয়াহেঁতেন অসমৰ আইন অমান্য আন্দোলন সেইবেলি কি হ'লহেঁতেন উমান পোৱা টান। গৰমৰ বন্ধৰ পাছত কলেজ খোলাৰ লগে লগে এদল ছাত্ৰই কলেজ এৰি আন্দোলনত যোগ দিয়াৰ ইচ্ছা কৰিছিল। সেই দলটোৰ প্ৰেৰণাৰ গুৰিতে এই আলোচনাৰ উপজীব্য পুৰুষ অমিয় দাস।

দাস আৰু হেম বৰুৱাই ১৯২১ৰ অসহযোগ আন্দোলনতে কলেজ ত্যাগ কৰি আন্দোলনত যোগ দিছিল। বহুতো উকীল মুক্তিয়াৰে ওকালতি ব্যৱসায় সাময়িকভাৱে হ'লেও এৰি দি অসহযোগৰ কাৰ্যসূচীত অৰিহণা যোগাইছিল; কিন্তু প্ৰায় ১০ বছৰৰ পাছত হোৱা আইন অমান্য আন্দোলনৰ সময়ত সেইসকল সাংসাৰিক জীৱনৰ লেঠাত পৰি হতোদ্যম হৈ পৰিছিল। বহুতৰ অসহযোগৰ কাৰণে শেষত গৈ যেন অন্তৰৰ উত্তাপখিনি চেঁচা হৈ পৰিছিল। গাঁও অঞ্চলতো অৱস্থা প্ৰায় তথৈবচ। তাৰ বহুতে এৰা দিছিল আৰু অলপ সংখ্যক লোকে অন্তৰালত থাকি যি পাৰে সহায় কৰিছিল। প্ৰকাশ্যে সক্ৰিয়ভাৱে যোগ দিবলৈ আগবাঢ়ি অহা লোকৰ সংখ্যা তেনেই তাকৰীয়া আছিল। এনে এটা দৃশ্য চকুৰ আগত দেখিও হতাশাক এধানমানো লাই নিদিয়াকৈ পূৰ্ণ উদ্যমেৰে ওলাই আহি নেতৃত্ব দিছিল অমিয় কুমাৰ দাস আৰু হেম বৰুৱাই। গুৱাহাটীৰ উজান বজাৰ আছিল প্ৰথম থলি পোতাৰ সূচল ঠাই। তাতে সিদ্ধিনাথ শৰ্মা, বিষ্ণু ৰাম মেধি, ডাঃ ভূবনেশ্বৰ বৰুৱাকে প্ৰমুখ্যে কৰি কেইজনমান সাজু হৈ আছিল। নবীন বৰদলৈ পোনতে আগবঢ়া নাছিল যদিও বুদ্ধি-পৰামৰ্শ আৰু আন প্ৰকাৰেও সহায়-সাৰথি আছিল। ইয়াৰ উপৰি অনেক সহানুভূতিশীল লোক আছিল যিসকলে লেজুত ধৰি হ'লেও বল দিছিল। এনে এটা পৰিৱেশৰ গইনা লৈ আইন আন্দোলনৰ সূত্ৰপাত হৈছিল। কটন কলেজৰ সমুখত হোৱা পিকেটিঙেৰে কলেজ ত্যাগী ছাত্ৰ দলকে সমুখত লৈ এইদৰেই অসমত আইন অমান্য আন্দোলন ফিৰিঙতিতে খাণ্ডৱ দাহৰ মূৰ্তি ধৰিলে। কাৰো প্ৰতি অন্যায় নকৰাকৈ, কাকো লঘু নোবোলাকৈ বিনা দ্বিধাই ক'ব পাৰি খাণ্ডৱ দাহৰ প্ৰথম অগ্নি সংযোগ কৰিছিল হেম- অমিয়ই।

স্বাধীনতা যুঁজৰ সামৰণি তেতিয়াও পৰা নাছিল; কিন্তু তাৰ আগতে অসমত প্ৰথম কংগ্ৰেছী মন্ত্ৰী সভাই যেতিয়া শাসনভাৰ লৈছিল তেতিয়া মন্ত্ৰিত্বলৈ খোৱা-কামোৰা নাছিল সঁচা; কিন্তু গ্ৰহণ কৰিবলৈ অনিচ্ছুক বা উদাসীন আছিল কেৱল এজন লোক। সেইজন আছিল অমিয় কুমাৰ দাস বহুত অনুৰোধৰ পাছত মাদক দ্ৰব্য নিবাৰণী আয়ুক্ত পদ গ্ৰহণ কৰিছিল, সিয়ো গঠনমূলক কামৰ সুযোগ এটা বুলিহে পদবী বা ক্ষমতাৰ মোহত নহয়। এই এটা দৃষ্টান্তই মানুহজনৰ অনন্য সাধাৰণ সাত্ত্বিক ব্যক্তিত্বৰ শুদ্ধোজ্জ্বলৰ মহিমাৰ পৰিচয় দিয়ে। পাছত স্বাধীনোত্তৰ কংগ্ৰেছী মন্ত্ৰীসভাৰ সদস্য হৈছিল, কিন্তু সিয়ো সতীৰ্থসকলৰ একান্ত আহ্বানতহে; কিন্তু জনহিতকৰ গঠনমূলক কৰ্মৰ প্ৰতি অতি সস্পৃহ ব্যক্তি ৰাজনীতিৰ ক্ষেত্ৰত বিৰল। অথচ মহাত্মা গান্ধীৰ আদৰ্শও আছিল সেইটোৱেই। বহু ক্ষেত্ৰত দেখা যায় অসমৰ ৰাজনীতিৰ ক্ষেত্ৰত যিসকল মতলীয়া হৈ থাকে, সাহিত্যৰ ফালে তেওঁলোকৰ সময় আৰু ৰুচি এটাও নোহোৱা হৈ থাকে; কিন্তু লোকনায়ক দাস যেনেকৈ স্বৰাজ সংগ্ৰামৰ অধিনায়ক তেনেদৰেই সাহিত্য ক্ষেত্ৰৰো মহাৰথী। সাহিত্যৰ জীৱন ছাত্ৰ অৱস্থাতে আৰম্ভ হৈছিল যদিও তৃতীয় দশকৰ ৰাজনৈতিক আন্দোলনৰ কালছোৱাত 'বাঁহী'ৰ সম্পাদনাৰ ভাৰ লয়। অসমীয়া মাহেকীয়া কাকতৰ গতানুগতিক ৰূপটোৰ পৰা আঁতৰি সাহিত্যলৈ এটা নতুন ধাৰাৰ পাৰ ভাঙি দিবলৈ দাস সমৰ্থ হৈছিল। সেই ধাৰাটো আছিল দেশ-বিদেশৰ সাহিত্যৰ লগত যোগাযোগ স্থাপন আৰু ভাৰতৰ বিভিন্ন সমস্যাৰ বিষয়ে সজাগতা। অমিয় কুমাৰ দাস সম্পাদিত 'বাঁহী'ত বিদেশী সাহিত্যৰ বিখ্যাত গ্ৰন্থৰ ভাঙনি ধাৰাবাহিকভাৱে প্ৰকাশিত হৈছিল। আৰু সেই বিষয়ে আলোচনাও হৈছিল।

অমিয় কুমাৰ দাসৰ জীৱনৰ সবাতোকৈ উজ্জ্বল দিশ হ'ল তেওঁৰ জন সেৱাৰ কাহিনী। প্ৰকৃততে জনসেৱাৰ গঠনমূলক কামহে তেওঁৰ অধিক প্ৰিয় আছিল। অসমৰ বহুত প্ৰতিষ্ঠানৰ তেওঁ গুৰি ধৰিছিল আৰু বহুত প্ৰতিষ্ঠানৰ স্থাপনকৰ্তা আছিল। সমাজ সেৱাৰ মাজেদি বিমল আনন্দৰ সোৱাদ পাইছিল বাবেই তেওঁ চহৰৰ জাক-জমকতা আৰু হুলস্থূলীয়া পৰিৱেশ বৰ্জন কৰি ঢেকীয়াজুলিৰ এক নিভৃত চুকত নীড় স্বৰূপ এটা সৰু গৃহত থাকিবলৈ লয়। তেওঁৰ সেৱা সাধনাত সহধৰ্মিণী পুষ্পলতা দাস শক্তি স্বৰূপা হৈ থিয় দিছিল। এনে এক মণিকাঞ্চন যোগ দাম্পত্য জীৱনৰ উজ্জ্বল নিৰ্দৰ্শন।

যেতিয়া নিজৰ আদৰ্শ আৰু নীতিৰ কথা উঠিব তেতিয়া তেওঁ বজ্ৰকঠোৰ। হেজাৰ বিঘিনিয়ে আগুৰি নধৰক লাগে নিজৰ আদৰ্শৰ পৰা এচুলিমানো বিচ্যুত নহৈছিল। ৰাজনীতিৰ ক্ষেত্ৰত কেতিয়াবা দেশৰ শীৰ্ষ নেতাৰ লগতো খকা-খুন্দা লাগিছিল। সেইসকলক নিজৰ অবিচলিত মত ব্যক্ত কৰিবলৈ অকণো ইতঃস্তত নকৰিছিল।

১৯৩০ত অসম ছাত্ৰ সন্মিলনৰ তেওঁ বাৰ্ষিক সভাৰ সভাপতি নিযুক্ত হৈছিল। সেই বছৰতেই তেওঁ গ্ৰেপ্তাৰ বৰণ কৰি ছমাহ কাৰাদণ্ড বহন কৰিছিল। ১৯৩০ আৰু ১৯৩২ত পুনৰ দুবাৰ কাৰাবাস খাটে। ১৯৩৭ৰ নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থীৰূপে জয়লাভ কৰি অসম ব্যৱস্থাপক সভাৰ সভ্য হয়। ১৯৪০ত পুনৰ ছমাহৰ বাবে জেল খায়। ১৯৪৬ত বিধানসভাৰ সদস্য নিৰ্বাচিত হয় আৰু ১৯৬২লৈকে অটুট ৰাখে। ১৯৫৬-৫৭ কালছোৱাত তেওঁ কৃষি, যোগান, শিক্ষা, শ্ৰম আদি বিভিন্ন বিভাগৰ দায়িত্ব বহন কৰিছিল।



ৰাজনীতিৰ লগে লগে সাহিত্য চৰ্চা আৰু সংবাদ সেৱাও কৰিছিল। ১৯২৬ত চন্দ্ৰ কুমাৰ আগৰৱালা প্ৰতিষ্ঠিত সাপ্তাহিক 'অসমীয়া'ৰ সম্পাদক আছিল। ১৯৩৪-৩৬ কালছোৱাত লক্ষ্মীনাথ বেজবৰুৱাৰ পাছত তেওঁ 'বাঁহী'ৰ সম্পাদক আছিল। গান্ধীজীৰ জীৱন 'গান্ধী কথামৃত' 'অসমত মহাত্মা', 'মহাত্মা গান্ধীক আমি কিদৰে বুজিলো' আদি বিভিন্ন গ্ৰন্থ ৰচনা কৰি গৈছে। 'মোৰ সত্য অন্বেষণৰ কাহিনী' নাম দি মহাত্মা গান্ধীৰ আত্মজীৱনীখন অসমীয়ালৈ ভাঙনি কৰিছিল। ইয়াৰ উপৰি 'জীৱন স্মৃতি' নামে নিজেও এখন আত্মজীৱনী ৰচনা কৰিছিল। এইজন ব্যক্তিয়ে ১৯৭৫ৰ পাঁচ মাৰ্চত ইহলীলা সম্বৰণ কৰে।

*ফোন ঃ ৯৮৬৪০৪৪৪৫৩*

## এপালিত ৯৬.৬, দুপালিত ৯৭.৫ শতাংশ মৃত্যুৰ শংকা হ্ৰাস ক'ভিডত ঃ দাবী আই চি এম আৰৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ ছেপ্টেম্বৰ ঃ** ক'ভিডৰ প্ৰতিষেধকৰ কাৰ্যকাৰিতাক লৈ বিভিন্ন তথ্য প্ৰকাশ পাই অহাৰ সময়তে টিকাকৰণৰ প্ৰয়োজনীয়তাৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ তথ্য প্ৰকাশ কৰিলে আই চি এম আৰৰ সঞ্চালক প্ৰধান ডাঃ বলৰাম ভাৰ্গৱে। ২০২১ৰ ১৮ এপ্ৰিলৰ পৰা যোৱা ১৫ আগষ্টৰ সময়ছোৱাৰ তথ্য সংগ্ৰহ কৰি ডাঃ ভাৰ্গৱে কয় যে প্ৰতিষেধক গ্ৰহণ কৰিলে কৰ'নাত মৃত্যুৰ শংকা যথেষ্ট হ্ৰাস পায়। যোৱা এপ্ৰিল-মে'ত দ্বিতীয় ঢৌৰ সময়ত যিসকল লোকৰ কৰ'নাত মৃত্যু হৈছিল তেওঁলোকৰ সৰহসংখ্যকে প্ৰতিষেধক গ্ৰহণ কৰা নাছিল। ডাঃ ভাৰ্গৱে দাবী কৰি কয় যে এপালি প্ৰতিষেধক গ্ৰহণ কৰিলে কৰ'নাত মৃত্যুৰ শংকা ৯৬.৬ শতাংশ হ্ৰাস পায়। আনহাতে, দুপালি প্ৰতিষেধক গ্ৰহণ কৰিলে এই ভাইৰাছত মৃত্যুৰ শংকা ৯৭.৫ শতাংশলৈ হ্ৰাস পায়। আই চি এম আৰৰ মুৰব্বীজনৰ মতে, ক'ভিডৰ ৰক্ষা কবচ হৈছে একমাত্ৰ টিকাকৰণ।

## ২০ কিলো ওজন হ্ৰাস কীমৰ, সলনি হ'ল কেশসজ্জাও



নিউজ ব্যুৰ',পিয়ংইয়ং, ১০ ছেপ্টেম্বৰ ঃ সম্পূৰ্ণ নতুন চেহেৰাৰে আত্মপ্ৰকাশ কৰিলে উত্তৰ কোৰিয়াৰ কমিউনিষ্ট শাসক কীম জং উনে। সম্প্ৰতি দেশখনৰ সেনাবাহিনীৰ পেৰেডত অংশ লৈছিল কীমে। উত্তৰ কোৰিয়াৰ চৰকাৰী টিভি চেনেলে কালি এই অনুষ্ঠানৰ সম্প্ৰচাৰ কৰিছিল। সেনাৰ পেৰেডত উপস্থিত থকা কীমৰ চেহেৰা প্ৰত্যক্ষ কৰি সকলোৰে অবাক হ'ল। পূৰ্বৰ মেদবহুল চেহেৰা নাই, কীম এতিয়া যথেষ্ট খিনালে। কমেও ২০ কিলো শৰীৰৰ ওজন হ্ৰাস পালে কীমৰ। তদুপৰি কেশসজ্জাও সলনি কৰিলে উত্তৰ কোৰিয়াৰ ৰাষ্ট্ৰ নায়কে। আন বছৰৰ দৰে এইবাৰৰ সামৰিক পেৰেডত উত্তৰ কোৰিয়াই অৱশ্যে বিশেষ অস্ত্ৰ প্ৰদৰ্শনৰে চমক নিদিলে। ইয়াৰ পৰিৱৰ্তে স্বয়ং নতুন চেহেৰাৰে সকলোকে অবাক কৰিলে কীমে। অনুষ্ঠানত অংশ ল'লেও কীমে অৱশ্যে কোনো বক্তৃতা নিদিলে। এক সূত্ৰৰ দাবী অনুসৰি, হৃদৰোগত ভোগা কীমে চিকিৎসকৰ পৰামৰ্শতে জীৱনশৈলী সলনি কৰিবলৈ বাধ্য হ'ল আৰু ইয়াৰ পৰিণতিতে বিগত কে'বামাহত তেওঁ শৰীৰৰ ওজন ২০ কিলো হ্ৰাস কৰিবলৈ সফল হ'ল।

### দুবেলা আহাৰৰ বাবে আফগানিস্তানত সাধাৰণ নাগৰিকৰ হাহাকাৰ ঃ পৰিয়ালক ৰক্ষা কৰিবলৈ উপাৰ্জনহীন পিতৃৰ সিদ্ধান্ত

## চাকৰি হেৰুৱালে তালিবানৰাজত, চাৰিবছৰীয়া কন্যাক বিক্ৰী কৰিব পিতৃয়ে

**নিউজ ব্যুৰ' কাবুল, ১০ ছেপ্টেম্বৰ ঃ** তালিবানৰাজত এতিয়া আফগানিস্তানৰ সৰ্বত্ৰ কেৱল সন্ত্ৰাস আৰু হাহাকাৰ। দুবেলা দুসাঁজ আহাৰৰ বাবে এতিয়া আফগানিস্তানত সাধাৰণ নাগৰিকে হাহাকাৰ কৰিব লগা হৈছে। এইখন আফগানিস্তানত এতিয়া এনে এক পৰিস্থিতিৰ উদ্ভৱ হৈছে যে দুৰ্ভগীয়া পিতৃয়ে কণমানি কন্যাক বিক্ৰীৰ বাবে গ্ৰাহকৰ সন্ধান কৰিব লগা হৈছে। 'টাইমছ অৱ লণ্ডন' নামৰ কাকতখনত প্ৰকাশিত এটি বাতৰিত উল্লেখ কৰা অনুসৰি, মীৰ নাজিৰ নামৰ আফগান নাগৰিকজনে ১৫ আগষ্টৰ পূৰ্বলৈকে আফগান আৰক্ষীত কৰ্মী হিচাপে কাম কৰিছিল। কিন্তু তালিবানৰ কাবুল দখলৰ পাছত মীৰে চাকৰি হেৰুৱাব লগা হয়। সম্প্ৰতি উপাৰ্জনহীন হোৱা মীৰে তেওঁৰ আঠজনীয়া পৰিয়ালটোৰ বাবে দুবেলাৰ আহাৰ যোগাৰ কৰিবলৈ অক্ষম হৈছে। এনে পৰিস্থিতিত উপায়হীন হৈ মীৰে



তেওঁৰ চাৰিবছৰীয়া কন্যাক বিক্ৰী কৰিব বিচাৰিছে। সংবাদপত্ৰখনত মীৰে কয় যে কন্যাক বিক্ৰী কৰাৰ পৰিৱৰ্তে তেওঁ নিজক হত্যা কৰা উচিত যদিও তেওঁৰ মৃত্যু হ'লে পৰিয়ালটো কোনোপধ্যে চলিব নোৱাৰিব। সেয়েহে উপায়হীন হৈ তেওঁ কণমানি কন্যাক বিক্ৰী কৰিব বিচাৰিছে। এজন সন্তানহীন ব্যৱসায়ীয়ে মীৰৰ কন্যাক ১৭ হেজাৰ টকাত ক্ৰয় কৰিব বিচাৰিছে যদিও মীৰে কমেও ৪৩ হেজাৰ টকা দাবী কৰিছে। মীৰে কয় যে আঠজনীয়া পৰিয়াল প্ৰতিপালন কৰাটো তালিবানৰাজত তেওঁৰ বাবে সংস্থাপন অবিহনে কেতিয়াও সম্ভৱ নহ'ব আৰু সেয়েহে তেওঁ কণমানি কন্যাৰ ভাল ভৱিষ্যতৰ কথা চিন্তা কৰি ধনৰ বিনিময়ত কোনো ধনী পৰিয়ালক অৰ্পণ কৰিব বিচাৰিছে। কেৱল মীৰেই নহয়, সম্প্ৰতি আফগানিস্তানত বহু লোকে এইদৰে ধনৰ অভাৱত সন্তানক বিক্ৰী কৰিবলৈ বাধ্য হৈছে বুলি আন্তৰ্জাতিক সংবাদপত্ৰখনত প্ৰকাশ।



## ডেৰ বছৰৰ পাছত খুলিল বিদ্যালয়, পিতৃয়ে বজালে বেণ্ড

**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ ছেপ্টেম্বৰ ঃ** ২০২০ৰ পৰা অব্যাহত থকা কৰ'না ভাইৰাছৰ সংক্ৰমণৰ প্ৰকোপত বিশ্বজুৰি বিগত ডেৰ বছৰ ধৰি শিক্ষানুষ্ঠানসমূহ বন্ধ হৈ আছে। শেহতীয়াভাৱে দেশৰ একাংশ অঞ্চলত ক'ভিড বিধি পালনৰে শিক্ষানুষ্ঠান পুনৰ মুকলি কৰা হৈছে। অভিভাৱকসকলেও এনেবোৰ অঞ্চলত সন্তানক পুনৰ বিদ্যালয়লৈ প্ৰেৰণ কৰিবলৈ ধৰিছে। অৱশ্যে একাংশ অভিভাৱকে সন্তানক বিদ্যালয়লৈ পঠিয়াবলৈ শংকা প্ৰকাশ কৰিছে। এনে সময়তে এজন পিতৃয়ে ডেৰ বছৰৰ পাছত সন্তানক পুনৰ বিদ্যালয়লৈ প্ৰেৰণ কৰি ঢোল বজাই আনন্দ প্ৰকাশ কৰিলে। এনে এক ভিডিঅ' সামাজিক মাধ্যমত শেহতীয়াভাৱে ভাইৰেল হৈছে। সন্তানক স্কুললৈ প্ৰেৰণৰ পূৰ্বে ঘৰলৈ বেণ্ডপাৰ্টিক মাতি আনি পিতৃয়ে বেণ্ড বজাই আনন্দ প্ৰকাশ কৰে।

## বিশ্বৰ শ্ৰেষ্ঠ চহৰৰ তালিকাত শীৰ্ষত ছেন ফ্ৰান্সিস্কো, নাই ভাৰতৰ চহৰ

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১০ ছেপ্টেম্বৰ ঃ** আন্তঃৰাষ্ট্ৰীয় সংবাদ প্ৰতিষ্ঠান 'টাইম আউট'-এ বিশ্বৰ সবাতোকৈ শ্ৰেষ্ঠ ৩৭ খন চহৰৰ এখন তালিকা প্ৰকাশ কৰিছে। এই তালিকাত বিশ্বৰ ভিতৰতে সবাতোকৈ উন্নত চহৰ হিচাপে শীৰ্ষ স্থান লাভ কৰিলে ছেন ফ্ৰান্সিস্কোৱে। আমেৰিকাৰ এইখন চহৰ বসবাসৰ লগতে খাদ্য, সংস্কৃতি আৰু উন্নত নৈশ জীৱনৰ বাবে বিশ্বজুৰি বিশেষভাৱে প্ৰসিদ্ধ। ছেন ফ্ৰান্সিস্কো হৈছে কেলিফ'ৰ্ণিয়াৰ চতুৰ্থখন সৰ্বাধিক জনবহুল চহৰ আৰু আমেৰিকাৰ ১২ সংখ্যক সৰ্বাধিক জনসংখ্যাৰ মহানগৰ। বিশ্বৰ শ্ৰেষ্ঠ চহৰৰ তালিকাত দ্বিতীয় স্থান লাভ কৰিছে নেদাৰলেণ্ডছৰ ৰাজধানী আমষ্টাৰড'মে। তৃতীয় স্থানত আছে ইংলণ্ডৰ মানচেষ্টাৰ। চতুৰ্থ স্থানত আছে ডেনমাৰ্কৰ ৰাজধানী ক'পেনহেগেন। আনহাতে, আমেৰিকাৰ নিউ য়ৰ্কে তালিকাত পঞ্চম স্থান লাভ কৰিছে। ইয়াৰ পাছতে তালিকাত আছে ক্ৰমে মন্ট্ৰিয়েল, প্ৰাগ, তেল অভিভ, পৰ্টো, টকিঅ', লছ এঞ্জেলছ, চিকাগো, লণ্ডন, বাৰ্চিলোনা, মেলবৰ্ণ, চিডনী, ছাংঘাই, মাদ্ৰিদ, মেক্সিকো চিটী আৰু হংকঙৰ নাম। এই তালিকাত অন্তৰ্ভুক্ত নহ'ল ভাৰতৰ এখনো চহৰ।



## কৰ'না কালত ৮০ শতাংশ শিশু শিক্ষা আহৰণত হ'ল বাধাগ্ৰস্ত ঃ ইউনিছেফ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ ছেপ্টেম্বৰ ঃ কৰ'না অতিমাৰীৰ সময়ছোৱাত ভাৰতত বিদ্যালয়সমূহ বন্ধ হৈ থকাৰ ফলত ১৪-১৮ বছৰ বয়সীয়া ছাত্ৰ-ছাত্ৰীসকলৰ ৮০ শতাংশই শিক্ষা আহৰণৰ ক্ষেত্ৰত বাধাগ্ৰস্ত হৈছিল।** ৰাষ্ট্ৰসংঘৰ ইউনিছেফে চলোৱা এক গৱেষণামূলক অধ্যয়নত এই তথ্য প্ৰকাশ পাইছে। এই অধ্যয়নত কৰ'না কালত বিদ্যালয় বন্ধ থকাৰ ফলত শিশুৰ শিক্ষা আহৰণৰ ক্ষেত্ৰত হোৱা সমস্যাসমূহৰ সন্দৰ্ভত বিশ্লেষণ কৰা হৈছিল। অধ্যয়নটোত অংশ লোৱা সৰহসংখ্যক ছাত্ৰ আৰু অভিভাৱকে স্বীকাৰ কৰে যে শিশুসকলে মহামাৰীৰ পূৰ্বৰ তুলনাত বিগত ডেৰ বছৰত কমকৈ শিক্ষা আহৰণ কৰিছিল। ইউনিছেফ ইণ্ডিয়াৰ এই সমীক্ষাৰ তথ্য অনুসৰি, ক'ভিড কালত দেশত অনলাইন শিক্ষাদানৰ ব্যৱস্থা কৰা হৈছে যদিও মূলত স্মাৰ্টফোনৰ অভাৱত বহু ছাত্ৰ-ছাত্ৰীয়ে এই সুবিধা লাভৰ পৰা বঞ্চিত হৈছিল।

## মমতাৰ বিৰুদ্ধে বিজেপিয়ে প্ৰিয়ংকাক প্ৰক্ষেপ কৰিলে কিয় ?



**নিউজ ব্যুৰ', কলকাতা, ১০ ছেপ্টেম্বৰ ঃ** ভৱানীপুৰ সমষ্টিত অহা ৩০ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব লগা বিধানসভাৰ উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ বাবে আজি তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে মনোনয়নপত্ৰ দাখিল কৰে। এই সমষ্টিত মমতাৰ বিৰুদ্ধে বিজেপিয়ে প্ৰাৰ্থী প্ৰক্ষেপ কৰিলে প্ৰিয়ংকা টিব্ৰেৱালাক। বিধানসভাৰ বিগত নিৰ্বাচনত প্ৰিয়ংকাই এণ্টালিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি তৃণমূল কংগ্ৰেছৰ হাতত ৫৯ হেজাৰ ভোটত পৰাজিত হৈছিল। কেৱল বিধানসভাৰ নিৰ্বাচনত পৰাজিত হোৱাই নহয়, ইয়াৰ পূৰ্বে পৌৰ নিৰ্বাচনতো প্ৰিয়ংকা পৰাজিত হৈছিল। এনে এগৰাকী প্ৰাৰ্থীক বিজেপিয়ে মমতাৰ দৰে প্ৰভাৱশালী নেত্ৰীৰ বিৰুদ্ধে ভৱানীপুৰত কিয় প্ৰক্ষেপ কৰিলে বুলি প্ৰশ্ন উত্থাপিত হৈছে। বিজেপিৰ সূত্ৰৰ খবৰ অনুসৰি, বিগত নিৰ্বাচনৰ পাছৰে পৰা কে'বাজনো বিজেপিৰ বিধায়ক আৰু নেতাই তৃণমূল কংগ্ৰেছত যোগদান কৰিছে। কিন্তু প্ৰিয়ংকাই এনে আচৰণ প্ৰদৰ্শন কৰা নাই। ইয়াৰ বিপৰীতে নিৰ্বাচন পৰৱৰ্তী হিংসাৰ গোচৰত এগৰাকী আইনজীৱী হিচাপে প্ৰিয়ংকাই যুঁজ অব্যাহত ৰাখিছে। তদুপৰি নানা প্ৰসংগত তেওঁ পথত নামিও দলৰ হৈ সৰৱ ভূমিকা গ্ৰহণ কৰিছে। দলৰ বহু গোচৰত আদালতত বিজেপিৰ হৈ আইনী যুঁজত অংশ লৈছে এইগৰাকী অধিবক্তাই। তদুপৰি নতুন প্ৰজন্মৰ স'তে প্ৰিয়ংকাৰ বিশেষ যোগাযোগ থকা বুলিও বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বই বিশ্বাস কৰে। উল্লেখ্য যে বিধানসভাৰ বিগত নিৰ্বাচনত ভৱানীপুৰত অভিনেতা ৰুদ্ৰনীল ঘোষে বিজেপিৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰিছিল। কিন্তু এইবাৰ মমতাৰ বিৰুদ্ধে বিজেপিয়ে এগৰাকী মহিলাক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰাটো অধিক যুক্তিসংগত বিবেচনা কৰি প্ৰিয়ংকাক এই দায়িত্ব অৰ্পণ কৰিলে। যোৱা ১৯ আগষ্টত নিৰ্বাচন পৰৱৰ্তী হিংসাৰ গোচৰত কলকাতা উচ্চ ন্যায়ালয়ে হত্যা, ধৰ্ষণ, অস্বাভাৱিক মৃত্যুৰ দৰে ঘটনাৰ চি বি আইৰ তদন্তৰ নিৰ্দেশ দিছিল। এই গোচৰত বিজেপিক আদালতত নেতৃত্ব দিছিল প্ৰিয়ংকাই। এনেবোৰ কাৰণতে বিজেপিয়ে ভৱানীপুৰত মমতাৰ বিৰুদ্ধে প্ৰিয়ংকাক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিলে।

## বায়ুসেনাৰ বাবে দেশতে তৈয়াৰ কৰা হ'ব 'অগ্ৰিম সতৰ্কতা' ব্যৱস্থা সংলগ্ন 'নেত্ৰ' বিমান



**নিউজ ব্যুৰ' নতুন দিল্লী, ১০ ছেপ্টেম্বৰ ঃ** অগ্ৰিম সতৰ্কতা আৰু নিয়ন্ত্ৰণ সক্ষম বিশেষ বিমান তৈয়াৰ কৰিব প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা (ডি আৰ ডি অ')ই। এই প্ৰকল্পত মুঠ ১১ হেজাৰ কোটি টকা ব্যয় হ'ব। ডি আৰ ডি অ'ক এই প্ৰকল্পৰ বাবে সেউজ সংকেত দিলে ভাৰতৰ প্ৰতিৰক্ষা বিষয়ক কেবিনেট কমিটীয়ে। এয়াৰ ইণ্ডিয়াৰ পৰা বিশেষ এয়াৰবাছ ক্ৰয় কৰি সেইসমূহত বিশেষ 'অগ্ৰিম সতৰ্কতা' ব্যৱস্থা সংলগ্ন কৰি বায়ুসেনাৰ হাতত অৰ্পণ কৰিব ডি আৰ ডি অ'ই। যোৱা নিশা প্ৰতিৰক্ষা বিষয়ক কেবিনেট কমিটীয়ে ৫৬ খন চি ২৯৫ মধ্যমীয়া বিমান ক্ৰয়ৰ প্ৰস্তাৱতো অনুমোদন জনালে। ইয়াৰ বাবে ভাৰতে ২২ হেজাৰ কোটি টকা ব্যয় কৰিব। ডি আৰ ডি অ'ই নতুন এ ই ডব্লিউ এণ্ড চি ব্যৱস্থা এয়াৰবাছ এ ৩২১ বিমানত সংস্থাপন কৰিব। এই 'নেত্ৰ' ব্যৱস্থাৰ পৰিসীমা হ'ব ২০০ কিলোমিটাৰ পৰ্যন্ত।

## হলিউডৰ ছবি বেছিকৈ নাচাব ঃ আহ্বান কংগনাৰ



**নিউজ ব্যুৰ', মুম্বাই, ১০ ছেপ্টেম্বৰ ঃ 'হলিউডৰ চিনেমা নাচাব, আমাৰ ভাৰতীয় চিনেমাৰ কথা কওঁক। দেশৰ আঞ্চলিক ছবিসমূহ চাওক। আমি ভাৰতীয় চিনেমাৰ অধিক প্ৰচাৰ চলোৱা উচিত।' এই মন্তব্য বলিউডৰ অভিনেত্ৰী কংগনা ৰণৌটৰ। বৃহস্পতিবাৰে দিল্লীত নিজে অভিনয় কৰা 'থালাইভি' ছবিখনৰ প্ৰচাৰ চলাবলৈ গৈ অনুৰাগীসকলক হলিউডৰ ছবি কমকৈ চাবলৈ আহ্বান জনালে কংগনাই। আত্মনিৰ্ভৰ ভাৰত নিৰ্মাণৰ বাবে সকলোৱে দেশৰ চলচ্চিত্ৰ উদ্যোগক অধিক উৎসাহিত কৰা উচিত বুলিও অভিনেত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে। 'আমেৰিকান বা ইংৰাজী ছবিয়ে ভাৰতীয় চিনেমাৰ বজাৰ নষ্ট কৰিছে। এক দেশ এক জাতি হিচাপে আমি ইয়াৰ সন্মুখীন হোৱা উচিত। দক্ষিণ ভাৰত কিম্বা উত্তৰ ভাৰত—এই ধৰণৰ বৈষম্যমূলক চিন্তা-ধাৰা বাদ দিয়া উচিত। দেশীয় ছবি আমি অধিক চোৱা উচিত। সেই ছবি মালায়ালম, তামিল, তেলেগুৱে হওক বা পঞ্জাৱী।' কংগনাই এইদৰে কয়। উল্লেখ্য যে 'থালাইভি'ত কংগনাই প্ৰয়াত ৰাজনীতিক জয়ললিতাৰ চৰিত্ৰত অভিনয় কৰিছে।**



## সাতমাহত প্ৰথমবাৰ বাইডেন-জিনপিঙৰ ফোনত বাৰ্তালাপ

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১০ ছেপ্টেম্বৰ ঃ** চীনৰ ৰাষ্ট্ৰপতি জি জিনপিং আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে সাতমাহত প্ৰথমবাৰৰ বাবে ফোনত বাৰ্তালাপ কৰিলে। চীন আৰু আমেৰিকাৰ সম্পৰ্ক সম্প্ৰতি যথেষ্ট অৱনমিত হৈছে। উভয় ৰাষ্ট্ৰই বাণিজ্যিক বিবাদক আঁতৰাই ৰাখি সুসম্পৰ্ক অব্যাহত ৰখা উচিত বুলি সহমত প্ৰকাশ কৰিলে বাইডেন আৰু জিনপিঙে। হোৱাইট হাউছ আৰু চীনৰ চৰকাৰী সংবাদ মাধ্যমে উভয় নেতাই ফোনযোগে বাৰ্তালাপ কৰাৰ কথা স্বীকাৰ কৰে। শুকুৰবাৰে পুৱাতে প্ৰায় ৯০ মিনিট সময় বাইডেন-জিনপিঙে বাৰ্তালাপ কৰে। বাৰ্তালাপত মাৰ্কিন ৰাষ্ট্ৰপতিয়ে চীনৰ ৰাষ্ট্ৰপ্ৰধানক কয় যে উভয় ৰাষ্ট্ৰই প্ৰতিযোগিতাক প্ৰতিদ্বন্দ্বিতালৈ ৰূপান্তৰিত কৰা উচিত নহ'ব।

## বিহাৰত মহিলাৰ মাজত ৫০০ টকীয়া নোট বিলালে তেজস্বীয়ে ঃ ভিডিঅ' ভাইৰেল



**নিউজ ব্যুৰ', পাটনা, ১০ ছেপ্টেম্বৰ ঃ** বিহাৰৰ বিৰোধী নেতা তেজস্বী যাদৱৰ এটা ভিডিঅ' সামাজিক মাধ্যমত শেহতীয়াভাৱে যথেষ্ট ভাইৰেল হৈছে। এই ভিডিঅ'ত আৰ জে ডিৰ নেতাজনে একাংশ মহিলাক ৫০০ টকীয়া নোট বিলোৱা দৃশ্য আবদ্ধ হৈছিল। ভিডিঅ'টোত আবদ্ধ হোৱা দৃশ্য অনুসৰি, এখন গাড়ীৰ ভিতৰত বহি থকা অৱস্থাত তেজস্বীয়ে বাহিৰত থিয় দি থকা একাংশ মহিলাক ৫০০ টকীয়া নোট উপহাৰ দিছিল। এই ভিডিঅ'টো জে ডি ইউৰ নেতা নীৰজ কুমাৰে টুইটাৰত শ্বেয়াৰ কৰে। লগে লগে কি কাৰণত তেজস্বীয়ে মহিলাক ধন এইদৰে নগদ ধন বিতৰণ কৰিছিল বুলি বিৰোধীয়ে প্ৰশ্ন উত্থাপন কৰে। অৱশ্যে সংবাদ মাধ্যমৰ আগত আত্মপক্ষ সমৰ্থন কৰি তেজস্বীয়ে কয় যে দৰিদ্ৰৰ মাজত ধন বিলাই দিয়াটো কেতিয়াও অপৰাধ হ'ব নোৱাৰে।

## মথুৰা-বৃন্দাবনৰ ১০ কিলোমিটাৰ অঞ্চল তীৰ্থস্থান ঘোষণা, সুৰা-মাংস নিষিদ্ধ



**নিউজ ব্যুৰ', মথুৰা, ১০ ছেপ্টেম্বৰ ঃ উত্তৰ প্ৰদেশৰ যোগী আদিত্যনাথৰ চৰকাৰে মথুৰা আৰু বৃন্দাবনত ১০ কিলোমিটাৰ অঞ্চলত তীৰ্থস্থল ঘোষণা কৰিলে। এই ১০ কিলোমিটাৰ অঞ্চলত এতিয়াৰে পৰা মাংস আৰু সুৰা বিক্ৰী নিষিদ্ধ হ'ব। যোগী চৰকাৰে ৰাজ্যখনৰ তীৰ্থস্থানৰ বিকাশৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰিলে। উল্লেখ্য যে যোৱা জন্মাষ্টমীৰ দিনা মুখ্যমন্ত্ৰী আদিত্যনাথে মথুৰাৰ বৃন্দাবন, গোৱৰ্ধন, নন্দগাঁও, বৰছানা, গোকুল, মহাবন আৰু বলদেৱত মাংস আৰু সুৰাৰ বিক্ৰী নিষিদ্ধ কৰা হ'ব বুলি ঘোষণা কৰিছিল।**



## ১৯ বছৰত তৃতীয়বাৰ সৰ্বাধিক উষ্ণ আছিল আগষ্ট ঃ ২৪ শতাংশ বৃষ্টি হ্ৰাস

**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি ২০০২ৰ পাছত বিগত ১৯ বছৰত যোৱা আগষ্টত সবাতোকৈ কম বৃষ্টিপাত দেশত হৈছিল। যোৱা মাহত দেশত স্বাভাৱিক বৃষ্টিপাতৰ তুলনাত ২৪ শতাংশ কম বৃষ্টি হৈছিল। আনহাতে, বিগত ১৯ বছৰত আগষ্টত তৃতীয়বাৰৰ বাবে সবাতোকৈ অধিক উষ্ণতা অনুভূত হৈছিল। আগষ্টৰ সময়ছোৱাত মধ্য ভাৰতত দেশত গড় অধিক তাপমান আছিল দ্বিতীয় সৰ্বাধিক ৩১.২৫ ডিগ্ৰী চেলছিয়াছ। আনহাতে, গড় ন্যূনতম তাপমান আছিল ষষ্ঠ সৰ্বাধিক ২৪.৫০ ডিগ্ৰী চেলছিয়াছ।

## টিকা নল'লে চাকৰি হেৰুৱাব চৰকাৰী কৰ্মীয়ে ঃ ঘোষণা বাইডেনৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১০ ছেপ্টেম্বৰ ঃ** আমেৰিকাত এতিয়াও লাখ লাখ লোকে ক'ভিড প্ৰতিষেধক গ্ৰহণ কৰা নাই। কাৰণ টিকাৰ অভাৱ নহয়, অনীহাহে। ইয়াৰ ফলতে দেশখনত কৰ'নাৰ সংক্ৰমণ পুনৰ বৃদ্ধি পাইছে। ক'ভিডৰ সংক্ৰমণ প্ৰতিৰোধৰ ক্ষেত্ৰত কঠোৰ পদক্ষেপ ল'বলৈ সাজু হৈছে ৰাষ্ট্ৰপতি জ' বাইডেনৰ প্ৰশাসন। মাৰ্কিন ৰাষ্ট্ৰপতিয়ে কয় যে সকলো কাৰ্যবাহী বিষয়া, চৰকাৰী কৰ্মী আৰু স্বাস্থ্যকৰ্মীয়ে প্ৰতিষেধক ল'ব লাগিব। অন্যথা তেওঁলোকক চাকৰিৰ পৰা অব্যাহতি দিয়া হ'ব বুলিও বাইডেনে সকীয়াই দিয়ে। আমেৰিকাত এতিয়ালৈকে ছয় লাখ ৫০ হেজাৰ লোকৰ কৰ'নাত মৃত্যু হ'ল। অথচ দেশখনত প্ৰাপ্তবয়স্কৰ ২৫ শতাংশই এতিয়ালৈকে প্ৰতিষেধক গ্ৰহণ কৰা নাই।

## দেশত এদিনত আক্ৰান্তৰ সংখ্যা ৩৫ হেজাৰৰ তললৈ নামিল



**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ ছেপ্টেম্বৰ ঃ** বৃহস্পতিবাৰে দেশত কৰ'নাত আক্ৰান্ত হৈছিল ৪৩,২৬৩ জন লোক। শুকুৰবাৰে দেশত ক'ভিড আক্ৰান্তৰ সংখ্যা ৩৫ হেজাৰৰ তললৈ নামিল। যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ৩৪,৯৭৩ জন লোক। বৰ্তমানলৈকে দেশত মুঠ তিনি কোটি ৩১ লাখ ৭৪ হেজাৰ ৯৫৪ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। বিগত এদিনত ৩৭,৬৮১ জন ক'ভিড ৰোগী সুস্থ হ'ল। বৃহস্পতিবাৰৰ তুলনাত দেশত আজি কৰ'নাত মৃত্যুৰ সংখ্যাও সামান্য হ্ৰাস পালে। যোৱা ২৪ ঘণ্টাত এই ভাইৰাছৰ সংক্ৰমণে প্ৰাণ কাঢ়িলে ২৬০ জন লোকৰ। তদুপৰি বৃহস্পতিবাৰলৈকে ভাৰতত মুঠ ৭২ কোটি ৩৭ লাখ ৮৪ হেজাৰ ৫৮৬ জন লোকে ক'ভিডৰ প্ৰতিষেধক লাভ কৰিলে।

## অষ্ট্ৰেলিয়াত দৈনিক সংক্ৰমণ বৃদ্ধি



**নিউজ ব্যুৰ', চিডনী, ১০ ছেপ্টেম্বৰ ঃ 'ডেল্টা' প্ৰজাতিৰ ব্যাপক সংক্ৰমণৰ ফলত অষ্ট্ৰেলিয়াত শেহতীয়াভাৱে ক'ভিড আক্ৰান্তৰ সংখ্যা প্ৰতিদিনে বৃদ্ধি পাবলৈ ধৰিছে। আজি দেশখনত প্ৰথমবাৰৰ বাবে ক'ভিডৰ দৈনিক সংক্ৰমণে ১৯০০ সীমাৰ অতিক্ৰম কৰিলে। অষ্ট্ৰেলিয়াৰ দুখন বৃহৎ চহৰ চিডনী আৰু মেলবৰ্ণত তলাবন্ধৰ পাছতো 'ডেল্টা' প্ৰজাতিৰ ব্যাপক সংক্ৰমণ অব্যাহত আছে। ক'ভিডৰ নতুনকৈ সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি অষ্ট্ৰেলিয়াত অতিমাৰীৰ তৃতীয়টো ঢৌৰ আগমন ঘটা বুলি সন্দেহ কৰা হৈছে। অষ্ট্ৰেলিয়া চৰকাৰে সংক্ৰমণ প্ৰতিৰোধৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছিল যদিও ক'ভিড পৰিস্থিতি নিয়ন্ত্ৰণ কৰাটো সম্ভৱ হোৱা নাই।**

# ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষাৰ দৰিদ্ৰ গ্ৰাহকে সময়মতে লাভ নকৰে বিনামূলীয়া চাউল

## অনাদায় চাউল পাছত গ্ৰাহকে লাভ নকৰাৰ অভিযোগ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১০ ছেপ্টেম্বৰ ঃ** ভাৰতীয় খাদ্য নিগম (এফ চি আই)ৰ নগাঁৱস্থ কাৰ্যালয়ৰ চৰম দায়িত্বজ্ঞানহীন কাণ্ড আৰু মইমতালিৰ বাবেই ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত লাভ কৰা চাউলৰ পৰা কে'বা লক্ষাধিক দৰিদ্ৰ হিতাধিকাৰী বঞ্চিত হ'ব লগা হৈছে। উত্থাপিত আঁচনিৰ অভিযোগ অনুসৰি, ভাৰতীয় খাদ্য নিগমৰ নগাঁও শাখাই সময়মতে চাউল মজুত কৰিব নোৱাৰাৰ বাবেই যোৱা আগষ্টত দৰিদ্ৰ হিতাধিকাৰীসকলে নিৰ্দিষ্ট নিৰিখতকৈ প্ৰায় ৫০ শতাংশ পৰিমাণৰ কম চাউল লাভ কৰিছে। ইয়াকে লৈ ৰেছন কাৰ্ডৰ গ্ৰাহকসকলৰ মাজত তীব্ৰ অসন্তুষ্টিয়ে দেখা দিয়া পৰিলক্ষিত হৈছে। নগাঁও জিলা যোগান বিভাগৰ যুটীয়া সঞ্চালকৰ কাৰ্যালয়ৰ পৰা পোৱা তথ্য অনুসৰি, যোগান বিভাগৰ অধীনত নগাঁও জিলাখনত মুঠ ৩৬খন সমবায় সমিতি আছে। এই সমবায় সমিতিৰ অন্তৰ্গত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত মুঠ ১২,২৫,৬৪০ গৰাকী হিতাধিকাৰী আছে। ইয়াৰে অন্ত্যোদয় অন্ন সুৰক্ষা আঁচনিৰ অধীনত ৩০,২৭৮ টা পৰিয়ালৰ বিপৰীতে মুঠ ১,৪০,৯৭২ সদস্য আৰু অগ্ৰাধিকাৰ পৰিয়াল আঁচনিৰ ২,২৬,০৬১টা পৰিয়ালৰ বিপৰীতে ১০,৮৪,৬৬৮ জন হিতাধিকাৰী আছে। ইপিনে, অন্ত্যোদয় অন্ন সুৰক্ষা আঁচনিৰ অধীনত থকা প্ৰতিটো কাৰ্ডযুক্ত পৰিয়াল প্ৰতিমাহে ৩৫ কেজি বিনামুলীয়া চাউল আৰু অগ্ৰাধিকাৰ পৰিয়াল আঁচনিৰ অধীনত থকা প্ৰতিটো পৰিয়ালৰ প্ৰতিজন সদস্যৰ বিপৰীতে প্ৰতিমাহে বিনামূলীয়াকৈ পাঁচ কেজিকৈ চাউল লাভ কৰিব লাগে। কিন্তু এফচিআয়ে এটা বছৰত প্ৰায় চাৰি-পাঁচটা মাহেই পৰ্যাপ্ত চাউল ভঁৰালত জমা নকৰাৰ অজুহাত দেখুৱাই অৰ্দ্ধেক পৰিমাণৰ চাউলহে সমবায় সমিতিসমূহক আবণ্টন দিয়ে। ইপিনে, অনাদায় চাউলসমূহ এফচিআয়ে সমবায় সমিতিসমূহক পৰৱৰ্তী সময়ত আবণ্টন দিয়ে যদিও সেই চাউল অধিকাংশ গ্ৰাহকেই লাভ নকৰাৰ অভিযোগ উঠিছে। কেতিয়াবা আকৌ এফচিআয়ে বাকী অংশৰ চাউল সমবায় সমিতিসমূহক যোগান নধৰাৰ অভিযোগো উঠিছে। এই ক্ষেত্ৰত সমবায় সমিতিসমূহৰ ভূমিকাও অতি ৰহস্যজনক। ইপিনে, কেইবাটাও সমবায় সমিতিসমূহক খাদ্য সুৰক্ষা আঁচনিৰ অধীনত বিনামূলীয়া চাউল যোগান ধৰাৰ সময়ত জোখ-মাখৰ ক্ষেত্ৰতো কাৰচাজি কৰে বুলি প্ৰায়েই অভিযোগ উত্থাপিত হৈ আহিছে। ঠিক একেদৰে সমবায় সমিতিসমূহেও এজেন্টসকলক আবণ্টিত চাউল যোগানৰ সময়ত জোখ-মাখৰ ক্ষেত্ৰত সঠিক পৰিমাণে দিবলৈ সক্ষম নোহোৱাৰ অভিযোগ সৰ্বত্ৰে উঠি আহিছে। যাৰ ফলত হিতাধিকাৰীসকলে চৰকাৰীভাৱে নিৰ্ধাৰণ কৰি দিয়া নিৰিখতকৈ কম পৰিমাণৰ চাউল লাভ কৰিব লগা হয়। উল্লেখ্য যে আকৌ এফচিআই আৰু সমবায় সমিতিসমূহৰ বিতৰণ কৰিব লগা খাদ্য সামগ্ৰীসমূহ জোখ-মাখ নিৰীক্ষণ কৰাৰ বাবে জিলা জোখমাখ নিয়ন্ত্ৰণ নামৰ এটা বিভাগ আছে যদিও এই বিভাগটো নিৰ্বিকাৰ দৰ্শকৰ ভূমিকা গ্ৰহণ কৰি অহাৰ অভিযোগ উঠিছে। এই বিভাগটো কাৰ্যতঃ অস্তিত্বহীন হৈ পৰিছে নগাঁও জিলাত।

# বিশিষ্ট শিক্ষাবিদ দীপ কুমাৰ শৰ্মাৰ বিয়োগ

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১০ ছেপ্টেম্বৰ ঃ** বিশিষ্ট শিক্ষাবিদ তথা ফুকন বাম মজলীয়া বিদ্যালয়ৰ শিক্ষক দীপ কুমাৰ শৰ্মা (৫৯)ৰ মৃত্যু হয়। কিছুদিন আগৰে পৰা উচ্চ ৰক্তচাপ আৰু মধুমেহ ৰোগত ভুগি থকা শৰ্মাক অসম চিকিৎসালয় মহাবিদ্যালয়ত ভৰ্তি কৰা হৈছিল উন্নত চিকিৎসাৰ বাবে ব্যক্তিগত চিকিৎসালয় ভৰ্তি কৰা হয়। কালি তেওঁক হাস্পতালৰ পৰা নিজা গৃহলৈ নিয়া হৈছিল যদিও আজি পুৱা ৮.৩০ বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। আজি তেওঁৰ মৃতদেহ কৰ্মস্থলী ফুকনবাম মজলীয়া বিদ্যালয় আৰু দীপাৱলী সংঘৰ কাৰ্যালয়লৈ শ্ৰদ্ধাঞ্জলি যাচিবৰ বাবে নিয়া হয়। মৃত্যুৰ সময়ত তেওঁ পত্নী, পুত্ৰ, বোৱাৰী, জী-জোঁৱাই এৰি যায়। তেওঁৰ মৃত্যুত স্থানীয় স্বেচ্ছাসেৱী সংগঠন 'জোনাক', 'তৰুণজ্যোতি সংঘ', 'দীপাৱলী সংঘ', ফুকনবাম মজলীয়া বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী মঞ্চ আৰু বৰবৰুৱা আঞ্চলিক কৰ্মচাৰী পৰিষদে শোক প্ৰকাশ কৰিছে।

# হাজোত শিশু অপহৰণ কাণ্ড টিউচনলৈ অহাৰ পথত ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ অপহৰণ

## কৌশলৰে অপহৰণকাৰীৰ কবলৰ পৰা পলাই সাৰিল

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১০ ছেপ্টেম্বৰ ঃ** তীৰ্থনগৰী হাজোত ঘৰৰ পৰা টিউচনলৈ অহা এজন শিশু-ছাত্ৰক অপহৰণ কৰি নিয়াৰ পাছত কৌশলৰে পলায়ন কৰাৰ ঘটনা পোহৰলৈ অহাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তথ্য মতে, হাজো আৰক্ষী থানাৰ অন্তৰ্গত শনিয়াদী গাঁৱৰ হজৰত আলীৰ ১২ বছৰীয়া পুত্ৰ গোলাম ৰছুল নামৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰজনে কালি পুৱা আঠ বজাত নিজ গৃহৰ পৰা কলিতাকুছিলৈ আহিছিল। কলিতাকুছিস্থিত চি ভি ৰমণ ইংলিছ স্কুলৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ গোলাম ৰছুলে শনিয়াদীৰ পৰা কলিতাকুছিলৈ এখন যাত্ৰীবাহী টেম্প'ত উঠি আহে। টেম্প'খনে কলিতাকুছিত ছাত্ৰজনক নমাই থৈ যোৱাৰ কিছু মুহূৰ্তৰ পাছতে আগৰ পৰা ৰখাই থোৱা বগা ৰঙৰ ছুইফট ডিজায়াৰৰ পৰা এজন যুৱকে নামি গৈ ছাত্ৰজনক কিবা কথা আছে বুলি কৈ গাড়ীখনৰ ওচৰলৈ মাতি নিয়ে। ছাত্ৰজনে গাড়ীখনৰ ওচৰলৈ যাবলৈ অমান্তি হোৱাত জোৰ কৰি গাড়ীত উঠাই লৈ হাজো অভিমুখে ৰাওনা হয়। চাৰিজন যুৱক থকা বাহনখনে এক কিলোমিটাৰমান অহাৰ পাছতে সুৰেন দাস মহাবিদ্যালয়ৰ পিছফালে নিৰ্জন স্থানত ৰখাই থোৱা শিশু ছাত্ৰজনক গাড়ীৰ ভিতৰতে থৈ তিনি যুৱকে জংঘলৰ দিশলৈ গৈ ফোনত ব্যস্ত হয়। সেই সময়তে হেড ফোন কাণত লৈ আগৰ ছিটত বহি থকা যুৱকজনে গম নোপোৱাকৈ অতি কৌশলেৰে ছাত্ৰজনে দুৱাৰ খুলি জংঘলৰ মাজেৰে পলায়ন কৰি আহি কিছুদুৰৰ সুৰেন দাস মহাবিদ্যালয়খন প্ৰত্যক্ষ কৰি দৌৰি গৈ ওচৰতে থকা 'আস্থা মেডিকেল'ত সোমাই গৈ ভয়তে বিতত ছাত্ৰজনে 'মোক বচোৱা, বচোৱা' বুলি কান্দিবলৈ ধৰে। ফাৰ্মাচীখনৰ গৰাকী গৌতম মালাকৰে ঘটনাৰ সবিশেষ জানিব পাৰি ছাত্ৰজনৰ পৰা ফোন নম্বৰ লৈ লগে লগে পৰিয়ালৰ লোকক খবৰ দিয়ে। পৰিয়ালৰ লোকে ততাতৈয়াকৈ হাজোত উপস্থিত হৈ শিশুটিক উদ্ধাৰ কৰাৰ লগতে হাজো আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে উপস্থিত হৈ ঘটনাস্থলী পৰিদৰ্শন কৰাৰ লগতে থানালৈ লৈ আহে। পাছত ছাত্ৰজনৰ ভাষ্যৰ ভিত্তিত এটা গোচৰ ৰুজু কৰি ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে। শিশুটিক অপহৰণকাৰী কেইজন মানৰ অংগ সৰবৰাহকাৰী চক্ৰৰ সদস্য হোৱাৰ সন্দেহ কৰা হৈছে। এই ঘটনাই সমগ্ৰ অঞ্চলটোৰ অভিভাৱকসকলৰ মাজত আতংকৰ সৃষ্টি কৰিছে।

# বাঙালী যুৱ-ছাত্ৰ ফেডাৰেছনৰ বিৰুদ্ধে

*এক পৃষ্ঠাৰ পৰা*

বিৰোধী মন্তব্য কৰা বুলি আজি কাকপথাৰৰ পৰিদৰ্শন বঙলাত আয়োজিত এখন সংবাদমেলত সৰৱ হয় আলফাৰ তিনিচুকীয়া জিলা সমিতি। সমিতিৰ নেতৃবৃন্দই বাঙালী যুৱ ছাত্ৰ ফেডাৰেছনক অসমীয়া বিৰোধী মন্তব্য ভৱিষ্যতে নকৰিবলৈ সকীয়াই দিয়ে। তেনে মন্তব্য শুনি থাকিবলৈ আলফাই আত্মসমৰ্পণ কৰি ঘৰত বহি থকা নাই বুলিও তেওঁলোকে কয়। প্ৰয়োজনত পুনৰ অস্ত্ৰ তুলি লোৱাৰ হুংকাৰ দিয়া হয়।

# জনস্বাস্থ্যৰ টেংকী চাফাই কৰিবলৈ গৈ

*এক পৃষ্ঠাৰ পৰা* কাৰিকৰী বিভাগৰ ৰিজাৰ্ভাৰ টেংকী চাফাই কৰিবলৈ নামিছিল তিনি শ্ৰমিক ক্ৰমে ছেলিম উদ্দিন লস্কৰ, নাজিম উদ্দিন লস্কৰ আৰু ছামচুল আলম। শ্ৰমিক তিনিজনে পানী পাম্প লৈ ৰিজাৰ্ভাৰ টেংকীত সোমোৱাৰ পাছতে উশাহ-নিশাহ লোৱাত কষ্ট অনুভৱ কৰে। পাছত সম্পূৰ্ণ শ্বাসৰুদ্ধ হৈ ঘটনাস্থলীতে ছেলিম উদ্দিন নামৰ শ্ৰমিকজনৰ মৃত্যু হয়। আনহাতে, সংকটজনক অৱস্থাত আন দুজনক শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়া হয় যদিও তাতে মৃত্যু হয় ক্ৰমে নাজিম উদ্দিন আৰু ছামচুলৰ। এই ঘটনাৰ পাছতে স্থানীয় লোকসকলে তিনিওটা মৃতদেহ সন্মুখত লৈ প্ৰতিবাদ সাব্যস্ত কৰে। ঠিকাদাৰ আৰু বিভাগৰ বিষয়াসকলৰ গাফিলতিৰ বাবে শ্ৰমিক তিনিজনে মৃত্যুক আঁকোৱালি লোৱা বুলি অভিযোগ কৰি স্থানীয় লোকসকলে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। তদুপৰি সুৰক্ষা অবিহনে ৰিজাৰ্ভাৰত কেনেকৈ শ্ৰমিককেইজনে প্ৰৱেশ কৰিলে তাকে লৈয়ো প্ৰশ্ন উত্থাপন হৈছে। শ্ৰমিক তিনিজনৰ মৃত্যুৰ বাবে ঠিকাদাৰেই দায়ী বুলি অভিযোগ কৰি মৃত শ্ৰমিকৰ পৰিয়াললৈ গাইপতি ১০ লাখকৈ আৰ্থিক সাহায্যৰ দাবী জনায়।

# উপঢৌকন লৈ কোকৰাঝাৰত ধৰা পৰিল

*এক পৃষ্ঠাৰ পৰা* তদাৰকী আৰু দুৰ্নীতি বিৰোধী শাখাই গ্ৰেপ্তাৰ কৰে আবকাৰী অধীক্ষকজনক। কোকৰাঝাৰৰ এজন ব্যৱসায়ীৰ পৰা মাহেকীয়া ভিত্তিত ২৫ হেজাৰ টকা দাবী কৰে। এই সন্দৰ্ভত ব্যৱসায়ীজনে তদাৰকী আৰু দুৰ্নীতি বিৰোধী শাখাক অৱগত কৰে। সেই মতে ব্যৱসায়ীজনে আজি পূৰ্ব নিৰ্ধাৰিত সময়ত কোকৰাঝাৰ চেন্ট্ৰেল বেংকৰ পিছফালে থকা আবকাৰী বিষয়া বৰাৰ ভাড়া ঘৰত উপস্থিত হৈ ২৫ হেজাৰ টকা আগবঢ়ায়। বৰাই ধনখিনি সংগ্ৰহ কৰা মাত্ৰকে গুৱাহাটীৰ পৰা অহা তদাৰকী আৰু দুৰ্নীতি বিৰোধী শাখাৰ ১৪জনীয়া দল এটাই হাতে-লোটে আটক কৰে। সম্প্ৰতি আবকাৰী অধীক্ষকজনৰ ভাড়াঘৰত অভিযানকাৰী দলটোৱে তালাচী চলাই বিভিন্ন নথিপত্ৰ, ফাইল পৰীক্ষা কৰাৰ লগতে কেতবোৰ নথি জব্দ কৰিছে। অৱশ্যে ঘটনা সন্দৰ্ভত অভিযানকাৰী দলটোৱে কোনো ধৰণৰ তথ্য সংবাদ মাধ্যমক সদৰী কৰা নাই।

### নগাঁৱৰ বাসগৃহত তালাচী

**নগাঁৱৰ বিশেষ সংবাদদাতা ঃ** ইফালে, উৎকোচ লৈ দুৰ্নীতি নিবাৰক শাখাৰ হাতত গ্ৰেপ্তাৰ হোৱা আবকাৰী অধীক্ষকজনৰ নগাঁও চহৰৰ ব্লু বাৰ্ডৰ সমীপৰ নাইটিংগল এপাৰ্টমেণ্টৰ বাসগৃহত উপ-আৰক্ষী অধীক্ষক দীপ্তি মালিৰ নেতৃত্বত আৰক্ষীৰ এটা দলে তালাচী চলায়। অভিযান কালত বিষয়াজনৰ বাসগৃহৰ পৰা কি জব্দ কৰা হৈছে সেয়া অৱগত কৰা নাই আৰক্ষীয়ে। আনহাতে, আৰক্ষীৰ এটা দলে আবকাৰী অধীক্ষক বৰাৰ ধিং নগৰৰ বাসগৃহতো অভিযান চলাবলৈ গৈছিল যদিও ঘৰটো তলাবন্ধ অৱস্থাত থকা হেতুকে আজি আৰক্ষীয়ে তালাচী চলাব নোৱাৰিলে।

# তেজপুৰত ধন লুট-মটৰচাইকেল চুৰিৰ ঘটনা

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১০ ছেপ্টেম্বৰ ঃ** সুযোগ পালেই তেজপুৰৰ যিকোনো স্থানৰ পৰা সৰ্বসাধাৰণৰ ধন, সোণ লুটি নিয়া চিলনী চোৰে আজি চহৰৰ মাজমজিয়াৰ পৰা একলাখ ৬০ হেজাৰ টকা থপিয়াই নিয়া বিপৰীতে আন এক পৃথক ঘটনাত মটৰ চাইকেল চোৰে লৈ যায় এখন মটৰচাইকেল। ইয়াৰে ভিতৰত ধনলুটৰ ঘটনাটো সংঘটিত হয় তেজপুৰৰ হাৰিপট্টি অঞ্চলত।

মাজগাঁও নৰপুৰ নিবাসী তথা বিহগুৰি চন্দ্ৰ নাথ শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক উপেন চন্দ্ৰ নাথে আজি দুপৰীয়া তেজপুৰস্থ এপেক্স বেংক আৰু এছ বি আইৰ ইভিনিং শাখাৰ পৰা মুঠ একলাখ ৬০ হেজাৰ টকা উলিয়াই আনি হাৰিপট্টিত ৰখাই থোৱা তেওঁৰ গাড়ীখনত উঠিবলৈ দুৱাৰ খোলাৰ সময়তে পিছ ফালৰ পৰা একন পালছাৰ মটৰ চাইকেলত অহা দুই যুৱকে ধনৰ মোনাখন কাঢ়ি উধাও হয়। ঘটনাৰ প্ৰত্যক্ষদৰ্শী একাংশই দুই দুৰ্বৃত্তক অনুসৰণ কৰিছিল যদিও তীব্ৰ গতিত উধাও হোৱা দুৰ্বৃত্তই আনকি বান পাঁচআলিত আৰক্ষী বিষয়াৰ বিভাগীয় বাহন আৰু আৰক্ষীকো হেলাৰঙে অতিক্ৰম কৰি উধাও হয়। ঘটনা সন্দৰ্ভত নাথে তেজপুৰ সদৰ থানাত এজাহাৰ দাখিল কৰিছে যদিও দুৰ্বৃত্তৰ কোনো সন্ধান উলিয়াব পৰা নাই তেজপুৰ আৰক্ষীয়ে। উল্লেখ্য যে অৱসৰপ্ৰাপ্ত শিক্ষক নাথ মাজগাঁও শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি আৰু সেই সূত্ৰেই তেওঁ এপেক্স বেংকৰ পৰা ধন মোকলাবলৈ অহাৰ উপৰি ষ্টেট বেংকৰ ইভিনিং শাখাত তেওঁ কিছু ফটা নোট সলায় উভতি আহিছিল। দুৰ্বৃত্তই কাঢ়ি নিয়া মোনাটোত ধনৰ লগতে গুৰুত্বপূৰ্ণ নথিও আছিল। আনহাতে, তেজপুৰ সদৰ থানাৰ পৰা প্ৰায় দুশ মিটাৰ নিলগৰ তথা জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ সমীপৰ পৰাই আজি দিনৰ প্ৰায় ১২ বজাত এখন মটৰচাইকেল চোৰে চুৰি কৰি নিয়ে। এ এছ ১২ কিউ ০৯৭৪ নম্বৰৰ মটৰচাইকেলখন নিলোৎপল গোস্বামী নামৰ লোকজনে নেট কম্পিউটাৰ নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ সন্মুখত ৰখাই থৈ কামত ব্যস্ত থকাৰ সময়তে চোৰে বাইক লৈ উধাও হয়। ঘটনা সন্দৰ্ভত পাছত তেজপুৰ সদৰ আৰক্ষী থানাত লিখিত অভিযোগ দাখিল কৰিছে যদিও মটৰচাইকেল আৰু চোৰৰ সন্ধান ওলোৱা নাই।

# অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গোবিন্দ চন্দ্ৰ বৰদলৈৰ মৃত্যু

**মৰিগাঁও, ১০ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলা কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি, অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক গোবিন্দ চন্দ্ৰ বৰদলৈ(৬৩)ৰ ক'ভিডত আক্ৰান্ত হৈ আজি নিজেই পুৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। সমাজপ্ৰিয় অৱসৰপ্ৰাপ্ত শিক্ষকজনৰ মৃত্যুৰ বাতৰি সদৰী হোৱাৰ লগে লগে সমগ্ৰ জিলাখনত শোকৰ ছাঁ পৰাৰ উপৰি জন্মস্থান বঘালধৰাতো গভীৰ শোকৰ ছাঁ পৰে। উল্লেখ্য যে মৰিগাঁও জিলাৰ ধৰমতুল থানাৰ অন্তৰ্গত বঙালধৰাত জন্মগ্ৰহণ কৰা বৰদলৈয়ে ছাত্ৰাৱস্থাৰ পৰাই বহু অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত সক্ৰিয়ভাৱে নিজক জড়িত কৰি ৰাখিছিল। জিলাখনৰ মধ্য মায়ং মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হিচাপে যোগদান কৰি শিক্ষাদানৰ দৰে মহৎ বৃত্তিৰ স'তে জড়িত হৈ ২০১৯ত শিক্ষকতাৰ পৰা অৱসৰ গ্ৰহণ কৰে। বৰদলৈয়ে মৰিগাঁও জিলা কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি, মৰিগাঁও হাইস্কুল শিক্ষক সন্থাৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ সেৱা আগবঢ়াই আহিছিল। ক'ভিডত আক্ৰান্ত হৈ বৰদলৈয়ে অৱশেষত মৃত্যুক সাবটি ল'বলগীয়া হোৱাত জিলাখনত গভীৰ শোকৰ ছাঁ পৰে। মৰিগাঁও জিলা হাইস্কুল শিক্ষক সন্থাই আজি মৰিগাঁও স্থিত কাৰ্যালয়ত সন্থাৰ পতাকা তিনিদিনৰ বাবে অৰ্ধনমিত কৰি গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে। সন্থাৰ সম্পাদক অনিল নাথে হাইস্কুল শিক্ষক সন্থাৰ সভাপতিজনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি সমবেদনা জ্ঞাপন কৰে। একেদৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সম্পাদক পিনাকী ভূষণ মহন্ত, মৰিগাঁও জিলা কৰ্মচাৰী পৰিষদৰ সম্পাদক খগেন মহন্ত, অসম হাইস্কুল শিক্ষক সন্থাৰ ৰাজ্যিক সদস্য প্ৰতাপ হাজৰিকাকে ধৰি জিলাখনৰ একাধিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ ব্যক্তি বিশেষে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। ইপিনে, সমাজপ্ৰিয় অৱসৰপ্ৰাপ্ত শিক্ষকজনে মৃত্যুৰ সময়ত পত্নী সহ দুই পুত্ৰ-কন্যাৰ লগতে বহু গুণমুগ্ধক ইহসংসাৰত এৰি যায়।



*যমুনামুখত অবৈধ কাঠফলা মিলসহ কাঠ জব্দ, শুকুৰবাৰে।*

# উৎপাদিত শস্যৰ উচিত মূল্য নোপোৱাত ক্ষোভ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১০ ছেপ্টেম্বৰ ঃ** কালি বিশ্বনাথত ভাৰতীয় কৃষক সংঘৰ উদ্যোগত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। সম্পূৰ্ণ ক'ভিড নিয়ম মানি উক্ত কাৰ্যসূচী পালন কৰে কৃষক সংঘই। কৃষকে উৎপাদন কৰা শস্য ধানৰ উচিত মূল্য, নিৰ্ধাৰিত এমএছপি নোপোৱাত ক্ষুব্ধ হৈ বিশ্বনাথ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত বিভিন্ন শ্ল'গান দিয়ে।

# আৰক্ষী থানাৰ সমীপতে চোৰে লুটি নিলে মটৰ চাইকেল

**অগ্ৰদূত বাৰ্তা**

**লংকা, ১০ ছেপ্টেম্বৰ ঃ** লংকাৰ চতুৰ্দিশে ট্ৰেফিক পুলিচকে ধৰি টহলদাৰী আৰক্ষী বিষয়াই গিজগিজাই থকাৰ পাছতো সকলোৰে চকুত ধূলি দি চহৰৰ মাজমজিয়াৰ তথা লংকা আৰক্ষী থানাৰ তেনেই সমীপৱৰ্তী লংকা কানাডা বেংকৰ সন্মুখৰ পৰা কালি দিনৰ ১০ বজাত চোৰে এখন হিৰো হোণ্ডা বাইক চুৰি কৰে। জানিব পৰা মতে, চুৰি হোৱা বাইকখন এএছ-০২ ইউ-৫৫৪৯ নম্বৰ, উক্ত স্থানৰ টিগৰিয়া ইলেকট্ৰনিক দোকানৰ স্বত্বাধিকাৰী গুণধৰ দাসৰ বাইকখন এনেদৰে আৰক্ষীৰ নাকৰ তলেৰেই দিন দুপৰতে চুৰি কৰি লৈ যোৱাক লৈ সমগ্ৰ অঞ্চলবাসীৰ গুণধৰ দাসৰ বাইকখন এনেদৰে আৰক্ষীৰ নাকৰ তলেৰেই দিন দুপৰতে চুৰি কৰি লৈ যোৱাক লৈ সমগ্ৰ অঞ্চলবাসীৰ মাজৰ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চুৰি হোৱা সমগ্ৰ দৃশ্য চি চি কেমেৰাত আৱদ্ধ হোৱা বুলিও ভুক্তভোগী ব্যৱসায়ীগৰাকীৰ পৰা জানিব পৰা গৈছে। বৰ্তমান ভুক্তভোগী ব্যৱসায়ীগৰাকীয়ে ঘটনা সন্দৰ্ভত লংকা থানাত এজাহাৰ দাখিল কৰিছে।

# পাকিস্তানক পৰাভূত কৰা ৫০ বছৰ তেজপুৰত স্বৰ্ণীল বিজয় উৎসৱ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১০ ছেপ্টেম্বৰ ঃ** চিৰবৈৰী ৰাষ্ট্ৰ পাকিস্তানৰ বিৰুদ্ধে ১৯৭১ৰ ১৬ ডিচেম্বৰত দেশে যুদ্ধ জয় কৰা সময়ে ৫০ বছৰত প্ৰৱেশ কৰে ২০২০ৰ ১৬ ডিচেম্বৰত। ইয়াৰ বাবেই সম্প্ৰতি দেশে পালন কৰিছে স্বৰ্ণীল বিজয় বৰ্ষ। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২০ৰ ১৬ ডিচেম্বৰত ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকৰ অনন্ত শিখাৰ পৰা স্বৰ্ণীল বিজয় শিখা প্ৰজ্বলন কৰা দনটোৰ পৰাই দেশে পালন কৰিছে স্বৰ্ণীল বিজয় বৰ্ষ। ভাৰত চৰকাৰৰ প্ৰতিৰক্ষা বিভাগৰ উদ্যোগত উদ্‌যাপন কৰা স্বৰ্ণীল বিজয় বৰ্ষ উপলক্ষে জনসাধাৰণৰ মাজত দেশপ্ৰেমৰ ভাব জগাই তোলাৰ লক্ষ্যৰে দেশজুৰি ভ্ৰমণ কৰা স্বৰ্ণীল বিজয় শিখা কালি ব্ৰহ্মপুত্ৰৰ পাৰত থকা যুদ্ধ স্মাৰকলৈ অনাৰ পাছত শোণিতপুৰৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসে এই শিখা গ্ৰহণ কৰে। শোণিতপুৰ জিলা প্ৰশাসনৰ হৈ শোণিতপুৰৰ উপায়ুক্ত সমন্বিতে সামৰিক আৰু অসামৰিক বিষয়াসকলে বিজয় শিখাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ সময়ত সেনাই বেণ্ডৰে সামৰিক সন্মান প্ৰদৰ্শন কৰে। ইয়াৰ পাছতে সম্পূৰ্ণ সামৰিক মৰ্যাদাৰে এই বিজয় শিখা ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডেটসকলে তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ আদৰি অনাৰ সময়ত শিক্ষক শিক্ষয়িত্ৰীসকলে দেশপ্ৰেমমূলক গীত পৰিবেশন কৰি বিজয় শিখাৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰে। একেদৰে, শোণিতপুৰৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়লৈ বিজয় শিখা আদৰণি অনাৰ সময়ত শোণিতপুৰৰ আৰক্ষী অধীক্ষক ড° ধনঞ্জয় ঘনাৱটে শিখা গ্ৰহণ কৰাৰ সময়ত অসম আৰক্ষীয়ে গাৰ্ড অফ অনাৰেৰে অভিবাদন জনায়।

# বালি-চোৰাং কাঠৰ বেহা বন্ধৰ দাবী ছয়গাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ হুংকাৰ

**ছয়গাঁও, ১০ ছেপ্টেম্বৰ ঃ** পশ্চিম কামৰূপ বন সংমণ্ডলৰ বামুণীগাঁও আৰু কুলচী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত বিভিন্ন অঞ্চলত অবৈধ বালি আৰু চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় অব্যাহত আছে। এই সমগ্ৰ ঘটনাৰ বিৰুদ্ধে কালি ছয়গাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থাই ইয়াৰ বিৰুদ্ধে গৰজি উঠে। বিশেষকৈ সংমণ্ডলটোৰ কৰ্দৈগুৰী, কাহুৱা, বহতপুৰ, হাতীগড়, ঔগুৰী ভেৰভেৰী আদি অঞ্চলৰ পৰা অবৈধভাৱে বালি খনন আৰু বালি সৰবৰাহ চলি থকা সন্দৰ্ভত এক বিবৃতিযোগে প্ৰতিবাদ জনাইছে। আনহাতে, উক্ত অঞ্চলেৰে দৈনিক মূল্যবান শাল-চেগুন গছ কাটি তহিলং কৰা চোৰাং বেপাৰী সকলোকো সকীয়াই দিয়ে ৰাভা ছাত্ৰ সন্থাই। পশ্চিম কামৰূপৰ বামুণীগাঁও আৰু কুলচী আদি অঞ্চলত অবৈধ বালি খনন আৰু বালি সৰবৰাহ শীঘ্ৰে ৰোধ কৰি বৈধ প্ৰক্ৰিয়াৰে যাতে চৰকাৰে এই মহলসমূহ চলোৱাৰ ব্যৱস্থা কৰে তাৰ বাবে ছয়গাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি জীতেন ৰাভা, ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অৰবিন্দ ৰাভাই এক বিজ্ঞপ্তিযোগে দাবী জনাইছে।

# অধিক ঘন-ভয়াৱহ তাপপ্ৰৱাহ হ'ব ভাৰতত

*এক পৃষ্ঠাৰ পৰা* প্ৰকট হ'ল। অধিক ঘন, অতি ভয়াৱহ আকাৰত বৃহৎ অঞ্চলজুৰি হ'ব পাৰে দেশত তাপপ্ৰৱাহৰ ঘটনা। দেশত তাপপ্ৰৱাহৰ নতুন নতুন অঞ্চল সৃষ্টি হৈছে। এইসমূহ অঞ্চলত আগন্তুক দিনত ঘন ঘন তাপপ্ৰৱাহৰ ঘটনা সংঘটিত হ'ব পাৰে। তদুপৰি এনে তাপপ্ৰৱাহ অধিক দিনলৈ স্থায়ী হৈ থাকিব পাৰে। এই তাপপ্ৰৱাহৰ ফলত বিপদ বৃদ্ধি পাব দেশৰ প্ৰায় ৩০ কোটি নাগৰিকৰ। বৃদ্ধি পাব মৃত্যুৰ সংখ্যাও। একে সময়তে খেতিবাতিৰো হ'ব ব্যাপক ক্ষয়-ক্ষতি। অৱনতি ঘটিব নাগৰিকৰ স্বাস্থ্যৰ। সম্ভাব্য তাপপ্ৰৱাহৰ অঞ্চলসমূহক সূচিত কৰা হৈছে 'হিটৱেভ হটস্পট' হিচাপে। এই অশনি সংকেত দিলে শেহতীয়া এটি গৱেষণামূলক অধ্যয়নে। দেশৰ বিগত সাত বছৰৰ তাপপ্ৰৱাহৰ তথ্য বিশ্লেষণ কৰি গৱেষকে ভাৰতত সম্ভাব্য তাপপ্ৰৱাহৰ সন্দৰ্ভত এইদৰে জানিবলৈ দিয়ে।

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰণালয়ৰ পৃষ্ঠপোষকতাত বেনাৰস হিন্দু বিশ্ববিদ্যালয় (বি এইচ ইউ)ৰ গৱেষকে এই অধ্যয়নত কয় যে এইবাৰ ঘন ঘন ভয়াৱহ তাপপ্ৰৱাহৰ কবলত পৰিব দেশৰ উত্তৰ-পশ্চিম, দক্ষিণ মধ্য আৰু মধ্যভাগৰ অঞ্চলসমূহ। সবাতোকৈ অধিক তাপপ্ৰৱাহৰ ঘটনা সংঘটিত হ'ব পশ্চিম মধ্য প্ৰদেশত। তাপপ্ৰৱাহৰ সময়ত এইসমূহ অঞ্চলত তাপমাত্ৰা ৫০ৰ পৰা ৫৩ ডিগ্ৰী চেলছিয়াছৰ মাজত থকাৰ সম্ভাৱনা যথেষ্ট আছে। বিশ্ববিদ্যালয়খনৰ গৱেষকে চলোৱা এই অধ্যয়নৰ সবিশেষ প্ৰকাশ পাইছে আন্তৰ্জাতিক জলবায়ু বিজ্ঞান গৱেষণা পত্ৰিকা 'ইণ্টাৰনেচনেল জাৰ্ণেল অৱ ক্লাইমেট'লজী'ত। ১৯৫১ বৰ্ষৰ পৰা ২০১৬ বৰ্ষলৈকে ভাৰতত সৰ্বত্ৰ মাৰ্চৰ পৰা মে'লৈ আৰু জুনৰ পৰা জুলাইলৈ তাপপ্ৰৱাহ আৰু ভয়াৱহ তাপপ্ৰৱাহৰ মাত্ৰাৰ যাৱতীয় তথ্য সংগ্ৰহ কৰি গৱেষকে ইয়াৰ বিশ্লেষণ চলায়। তদুপৰি গৱেষকে বতৰৰ মাহেকীয়া পৰিসংখ্যাও পৰীক্ষা কৰি এক দশকৰ বিৰতিত পৰিস্থিতি কিমান সলনি হৈছিল তাৰ খতিয়ানো এই অধ্যয়নত গ্ৰহণ কৰিছিল। উল্লেখ্য যে ইমানদিনে ভাৰতত ভয়াৱহ তাপপ্ৰৱাহৰ ঘটনা মূলত গুজৰাট, ৰাজস্থান, উত্তৰ প্ৰদেশ, বিহাৰসহ উত্তৰ ভাৰতৰ এক বৃহৎ অঞ্চলত সংঘটিত হৈ আহিছিল। ওড়িছা আৰু মধ্য প্ৰদেশৰ কিছু অঞ্চলতো তাপপ্ৰৱাহৰ ঘটনা সময়ে সময়ে পূৰ্বে সংঘটিত হৈছিল।

### কেতিয়া আৰু কি পৰিস্থিতিত তাপপ্ৰৱাহ সৃষ্টি হয়?

বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি, সৰ্বোচ্চ তাপমাত্ৰাই ৪০ ডিগ্ৰী চেলছিয়াছৰ সীমা অতিক্ৰম কৰিলে ইয়াক 'হিটৱেভ' অৰ্থাৎ তাপপ্ৰৱাহ বুলি কোৱা হয়। আনহাতে, ভয়াৱহ তাপপ্ৰৱাহৰ ঘটনা সংঘটিত হয় তাপমাত্ৰাই ৪৭ ডিগ্ৰী চেলছিয়াছৰ পৰা ৫০ ডিগ্ৰী চেলছিয়াছৰ মাজত অৱস্থান কৰিলে। অৰ্থাৎ কোনো অঞ্চলত তাপমাত্ৰা ৪০ ডিগ্ৰী চেলছিয়াছতকৈ বৃদ্ধি পালে সেই অঞ্চলত তাপপ্ৰৱাহৰ ঘটনা সৃষ্টি হয়। এইবাৰ দেশৰ একাংশ অঞ্চলত ভয়াৱহ তাপপ্ৰৱাহৰ ঘটনা বৃদ্ধি পাব বুলি বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ গৱেষকে শংকা প্ৰকাশ কৰিছে। অৱশ্যে গৱেষণাত গাংগেয় পশ্চিমবংগৰ পূব অঞ্চলৰ বাবে আশাৰ বতৰা দিলে অধ্যয়নকাৰী গৱেষকে। এই অঞ্চলত পূৰ্বৰ তুলনাত তাপপ্ৰৱাহ সামান্য হ্ৰাস পাব পাৰে বুলি গৱেষকে পূৰ্বানুমান কৰিছে। কিয়নো তাপপ্ৰৱাহৰ অভিমুখ বৰ্তমানে পশ্চিমবংগৰ পূব অঞ্চলৰ পৰিৱৰ্তে দেশৰ মধ্যভাগ আৰু দক্ষিণ-মধ্যভাগৰ দিশলৈ অতি দ্ৰুততাৰে গতি কৰিছে। বতৰ বিজ্ঞানীৰ তথ্য অনুসৰি, বায়ুমণ্ডলৰ ওপৰৰ স্তৰত উত্তৰ-পশ্চিম দিশত জমা বান্ধি থকা অতি উচ্চচাপৰ বতাহে এটা গম্বুজ তৈয়াৰ কৰে আৰু ইয়াকে ইংৰাজীত 'হিট ড'ম' অৰ্থাৎ তাপ গম্বুজ বুলি কোৱা হয়। কানাডাত কিছুদিন পূৰ্বে যি ভয়াৱহ তাপপ্ৰৱাহৰ ঘটনা সংঘটিত হৈছিল ইয়াৰ কাৰণ আছিল এনে 'হিট ড'ম'।

# গোৱালপাৰাত সাতটা কেন্দ্ৰত এ পি এছ চিৰ প্ৰাৰম্ভিক পৰীক্ষা

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১০ ছেপ্টেম্বৰ ঃ** গোৱালপাৰাৰ সাতটা কেন্দ্ৰত ১১৮৫ গৰাকী পৰীক্ষাৰ্থীয়ে অসম লোকসেৱা আয়োগৰ প্ৰাৰম্ভিক পৰীক্ষাত অৱতীৰ্ণ হ'ব। অসম লোকসেৱা আয়োগৰ প্ৰাৰম্ভিক পৰীক্ষা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত কালি অনুষ্ঠিত হোৱা প্ৰস্তুতি সভাখনত সঞ্চালনা কৰে জিলা উপায়ুক্ত মীনাক্ষী দাস নাথে। উক্ত সভাত অতিৰিক্ত উপায়ুক্ত মানস দাসে কয় যে অহা ১২ ছেপ্টেম্বৰত অনুষ্ঠিত হ'বলগীয়া অসম লোকসেৱা আয়োগৰ প্ৰাৰম্ভিক পৰীক্ষাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। জিলাখনৰ সাতটা কেন্দ্ৰ ক্ৰমে গোৱালপাৰা মহাবিদ্যালয়, পি আৰ চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়, আগিয়া জে এন মেম'ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়, আগিয়া মহাবিদ্যালয়, গোৱালপাৰা চহৰৰ চেণ্ট্ৰেল গাৰ্লছ হাইস্কুল, গোৱালপাৰাৰ পলিটেকনিক, বলদমাৰী হাইস্কুলত পৰীক্ষা অনুষ্ঠিত হ'ব। জিলাখনৰ এই সাতটা পৰীক্ষা কেন্দ্ৰত ১১৮৫ গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষাত অৱতীৰ্ণ হ'ব। পৰীক্ষাৰ্থীসকলৰ অহা-যোৱাৰ বাবে পৰিবহণ বিভাগে পাঁচখনকৈ বিশেষ বাছৰ ব্যৱস্থা কৰিছে। সম্পূৰ্ণ ক'ভিড বিধি মানি পৰীক্ষা অনুষ্ঠিত হ'ব। উক্ত পৰীক্ষা সুচাৰুৰূপে পৰিচালনা কৰিবলৈ কেতবোৰ গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত ভাষণ দিয়ে জিলা স্কুলসমূহৰ পৰিদৰ্শক ছাদুল্লা খানে। সভাত অসম লোকসেৱা আয়োগৰ প্ৰতিনিধি, সংশ্লিষ্ট বিদ্যালয়, মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু প্ৰতিনিধিসকল, ডাকঘৰ, কোষাগাৰ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, পৰিবহণ বিভাগ, আৰক্ষী বিভাগ, দণ্ডাধীশসকলেও উপস্থিত থাকে।

No.HPE-/RCC-3/2020/100

**NOTICE**

It is for general information to all the qualified candidates for the viva voce interview for the selection of candidates for undergoing RCCC training, that the viva voice through virtual test is scheduled to be held on 18/09/2021 at 10.00 AM to 5.00 PM at DC's office, South Salmara Mankachar, Hatsingimari.

All the candidates are requested to produce the calling letters which were already issued from the office of the DLR & S, Assam for the previously scheduled to appear in the viva voice through virtual mode to be held on 18/09/2021, after due inspection and production of substantial photo identy proof.

They are requested to bring one copy of passport size photograph, identy proof and original testimonial before 9.00 AM on 18/09/2021.

The candidates bearing the following Roll Nos. Shall appear in the viva voice interview for selection of candidates for undergoing RCCC training.

SS-059, SS-113, SS-047, SS-119, SS-034, SS-194, SS-052, SS-060, SS-193, SS-302, SS-102, SS-066, SS-084, SS-094.

Sd/-
Deputy Commissioner
South Salmara Mankachar
Hatsingimari

Janasanyog/D/5751/21

# গোৱালপাৰা অসামৰিক চিকিৎসালয়ত চিকিৎসকৰ অনিয়মীয়া উপস্থিতিত ৰোগীৰ মাজত হাহাকাৰ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১০ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা অসামৰিক চিকিৎসালয়ৰ একাংশ চিকিৎসকে নিজ কৰ্তব্যক ফাঁকি দি ব্যক্তিগত খণ্ডৰ নাৰ্ছিংহোমত ব্যৱস্থা থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। ইপিনে, চিকিৎসালয়ত আজি ১০.৩০ বজালৈ অধিকাংশ চিকিৎসকে উপস্থিত নথকাত এক অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হয়। চিকিৎসক, নাৰ্ছ তথা কৰ্মচাৰীসকলে পুৱা ৮-৩০ বজাত চিকিৎসালয়ত উপস্থিত হ'ব লাগে যদিও আজি ১০.৩০ বজালৈ মাত্ৰ দুই-এজন চিকিৎসকৰ বাহিৰে অধিকাংশ চিকিৎসক চিকিৎসালয়ত উপস্থিত নোহোৱাত ৰোগী তথা ৰোগীৰ অভিভাৱক সকলৰ মাজত হাহাকাৰৰ সৃষ্টি হয়। উল্লেখ্য যে গোৱালপাৰা অসামৰিক চিকিৎসালয়ত গোৱালপাৰা জিলাৰ উপৰি বঙাইগাঁও, ধুবুৰী, বৰপেটা, মানকাচৰ জিলাৰ লগতে চুবুৰীয়া ৰাজ্য মেঘালয়ৰ পৰা প্ৰতিদিনে হেজাৰ হেজাৰ ৰোগীৰ আগমন ঘটে। কিন্তু একাংশ চিকিৎসকে নিজৰ চেম্বাৰ আৰু ব্যক্তিগত চিকিৎসালয়ত ব্যস্ত হৈ থকাৰ বাবে চিকিৎসালয়ত পলমকৈ উপস্থিত হোৱাটো এক প্ৰকাৰগ পৰম্পৰাত পৰিণত হৈছে। ইপিনে, চিকিৎসালয়ৰ লেবৰেটৰী সেৱাৰ ক্ষেত্ৰতো অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উঠিছে। এই সন্দৰ্ভত চিকিৎসালয়ৰ অধীক্ষকে অনিয়মীয়া উপস্থিতি তথা কৰ্মত অৱহেলা কৰা চিকিৎসক-কৰ্মচাৰীসকলক সকীয়নি দিয়াৰ পাছতো কোনোধৰণৰ গুৰুত্ব প্ৰদান কৰা নাই বুলি জানিবলৈ দিয়ে। এইদৰে নিজৰ কৰ্তব্যৰ প্ৰতি পিঠি দিয়া এইসকল চিকিৎসক তথা চিকিৎসা কৰ্মচাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰোগীৰ অভিভাৱকসকলে স্বাস্থ্যমন্ত্ৰীক দাবী জনাইছে।

# ২৫ বছৰে বনৰীয়া হাতীৰ উপদ্ৰৱ

## ■সহ্য কৰি ধৈৰ্য হেৰুৱাইছে কৃষকে ■তেজপুৰৰ এটা অঞ্চলৰ কৃষকৰ ক্ষোভ



অগ্ৰদূত বাৰ্তা
**তেজপুৰ, ১০ ছেপ্টেম্বৰ ঃ** ১৯৯৬ৰ পৰা যোৱা প্ৰায় ২৫ বছৰে তেজপুৰৰ পাৰ্শ্ববৰ্তী নতুন ঘগৰাৰ একাংশ কৃষকে বন্যহস্তীৰ উপদ্ৰৱ সহ্য কৰিবলগীয়া হৈ আহিছে। প্ৰতিবছৰে এই অঞ্চলত ধাননি পথাৰ তহিলং কৰা হাতীৰ জাকৰ বাবেই বহু সংখ্যক কৃষকে তেওঁলোকৰ কৃষিভূমিত খেতি কৰিবলৈ এৰি দিয়াৰ দৰে এক পৰিস্থিতিৰ উদ্ভৱ হৈছে। শেহতীয়াকৈ যোৱা এমাহে এই অঞ্চলত তিনিটা বনৰীয়া হাতীয়ে ধাননি পথাৰ তহিলং কৰি থকাৰ পাছত যোৱা নিশাৰ পৰা আৰু দুটা বন্যহস্তী এই তিনিটাৰ লগ লাগে। ফলত ইয়াত কৃষকৰ ক্ষতিৰ মাত্ৰা আৰু অধিক বৃদ্ধি পাইছে। দিনত বাগিচাত হাজিৰা কৰাৰ পাছত দিশা ১২ বজালৈকে বনৰীয়া হাতীক পথাৰত প্ৰৱেশ কৰাত বাধা দি খেদি পথোৱা এইসকল কৃষকে প্ৰকাশ কৰা অনুসৰি ৰাইজ নিশা পথাৰৰ পৰা উভতি অহাৰ পাছতে পুনৰ কৃষি পথাৰলৈ অহা হাতীৰ জাকে পুৱা চাৰি বজালৈকে পথাৰৰ ধান তহিলং কৰে। অঞ্চলটোৰ চন্দ্ৰৰাম কৰ্মকাৰ নামৰ কৃষকজনে তেওঁৰ তিনিবিঘা ভূমিৰ ধান খেতি তহিলং কৰাৰ বিষয়ে ক্ষোভৰে প্ৰশ্ন কৰি কয় যে এতিয়া কেৱল ধান গছ এনেদৰে নষ্ট কৰা বনৰীয়া হাতীয়ে ধান পকাৰ সময়ত যিদৰে অঞ্চলটোত উপদ্ৰৱ চলাই সেয়া ভুক্তভোগীয়ে বুজি পায়। কৃষকজনে কয় যে তেওঁ এতিয়া এই তিনিবিঘা কৃষিতলিত গৰু এৰাল দিয়াৰ বাহিৰে আৰু অন্য উপায় নাই। একেদৰে আন এজন কৃষক গান্দুৰা কৰ্মকাৰৰো তিনিবিঘা মাটিৰ ধানখেতি হাতীয়ে ধ্বংস কৰিছে। এইজন কৃষকে কয় যে আধিত লোৱা মাটিত খেতি কৰি এনেদৰে হেৰুৱাবলগীয়া হোৱাৰ পাছত এতিয়া ভাত কেনেদৰে খাব তাকে লৈ তেওঁৰ পৰিয়ালটো চিন্তাত পৰিছে। একেখন পথাৰৰ হাবিল কেৰ্কেটা নামৰ আনজন কৃষকৰো আঢৈ বিঘা মাটিৰ ধান হাতীৰ খোজত পিষ্ট হৈছে। এইসকল ক্ষুদ্ৰ কৃষকে পথাৰৰ শোকলগা অৱস্থা দেখুৱাই কয় যে কৃষকসকল বছৰি সন্মুখীন হৈ অহা এই সমস্যাৰ প্ৰতি বন বিভাগৰ কোনো গুৰুত্ব নাই। বনকৰ্মীৰ এটা টহলদাৰী দল তেজপুৰৰ পৰা বিয়লি চাৰিমান বজাতে পথৰে এবাৰ আহি উভতি যায়হি যদিও কৃষকৰ ক্ষতিৰ বুজ লোৱাৰ নতুবা পথাৰ চোৱাৰ বা কৃষকৰ স'তে আলোচনা কৰাৰ কাম তেওঁলোকে কেতিয়াও নকৰে। ক্ষতিগ্ৰস্ত এজন কৃষকেও এই পৰ্যন্ত কোনো ধৰণৰ ক্ষতিপূৰণ লাভ কৰা নাই বুলি উল্লেখ কৰি ক্ষুব্ধ কৃষকসকলে কয় যে বন বিভাগে তেওঁলোকক হাতী খেদাৰ বাবে ফটকা নতুবা টৰ্চ এটাও দিয়া নাই। দিনহাজিৰা আৰু খেতি কৰিয়েই পৰিয়াল চলোৱা কৃষকসকলে কয় যে ধান পকাৰ সময়ত এই অঞ্চলত এশতকৈ অধিক হাতী এই অঞ্চলৰ লগতে কাষৰীয়া ধাননি পথাৰসমূহত নমাটো এক নিয়মত পৰিণত হৈছে। এনে পৰিস্থিতিত এই অংশৰে ১০বিঘা মাটিত এইবাৰ কৃষকে খেতিয়েই নকৰিলে বুলি মন্তব্য কৰি কৃষকসকলে কয় যে এতিয়া পাঁচটা হাতীৰ জাকটো নতুন ঘগৰা চাহ বাগিচাৰ মাজতে যোৱা এমাহে আছে। কাষৰীয়া বহু অঞ্চলত দোকান, ঘৰ ভঙা বনৰীয়া হাতীৰ উপদ্ৰৱে কৃষক ৰাইজৰ ধৈৰ্যৰ বান্ধ ছিঙা বুলি উল্লেখ কৰি তেওঁলোকে আৰু কয় যে পৰিস্থিতি এনেদৰে থাকিলে অঞ্চলটোত মানুহ আৰু বনৰীয়া হাতীৰ সংঘাতে ক্ষয়ংকৰী ৰূপ লোৱাৰ আশংকা বৃদ্ধি পাইছে। সোণাই ৰূপাই অভয়াৰণ্যৰ পৰা ওলাই অহা বুলি ধাৰণ কৰা এই পাঁচটা মখনা হাতীৰ জাকটোত দুটা হাতীৰ উচ্চতা প্ৰায় ন-১০ ফুট হ'ব বুলি প্ৰকাশ কৰিছে কৃষকসকলে।

# পথৰুঘাটত পশু খাদ্য সংৰক্ষণৰ প্ৰশিক্ষণ-বিতৰণ

অগ্ৰদূত বাৰ্তা
**দুমুনিচকী, ১০ ছেপ্টেম্বৰ ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ খানাপাৰা পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ পশু প্ৰসূতি বিভাগৰ মুৰব্বী অধ্যাপক ড° কুতুবুদ্দিন আহমেদৰ অধীনত চলি থকা আইচিএআৰ-এআইচিআৰপি সৌজন্যত আৰু পাথৰিঘাট দুগ্ধ উন্নয়ন সমবায়, সমিতিৰ সহযোগত যোৱা সাত ছেপ্টেম্বৰত পশু খাদ্য সংৰক্ষণৰ প্ৰশিক্ষণ আৰু বিতৰণৰ এক দিনজোৰা কাৰ্যসূচী অনুষ্ঠিত হয়। দৰং জিলাৰ ঐতিহাসিক পথৰুঘাট অনুষ্ঠিত উক্ত অনুষ্ঠানত পথৰুঘাটত দুগ্ধ উৎপাদন সমবায় সমিতিৰ এশগৰাকী গো-পালকে অংশগ্ৰহণ কৰে। পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ পশু পৰিপুষ্টি বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰবীন ভূঞাই পশুৰ পৰিপুষ্টিৰ লগত গাখীৰ উৎপাদন আৰু ৰোগ প্ৰতিৰোধ সন্দৰ্ভত বিতংভাৱে পৰ্যালোচনা কৰে। পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ অধ্যাপক ড° গুণাৰাম শইকীয়া, ড° পাপৰি তালুকদাৰ, প্ৰকল্প সহযোগী ড° চাবেৰা ইছলাম চৌধুৰীয়ে চাইলেজ উৎপাদন, ইউৰিয়া ব্যৱহাৰ কৰি ধানখেৰৰ পুষ্টি বৃদ্ধিৰ ওপৰত ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদান কৰে। অসম কৃষি বিশ্ববিদ্যালয়ৰ ভেটেৰিনাৰী খণ্ডৰ গৱেষণা সঞ্চালক ড° নিৰঞ্জন কলিতাৰ সভাপতিত্বত বিয়লি আয়োজিত মুকলি সভাত উদ্দেশ্য ব্যাখ্যা কৰে দুগ্ধ উন্নয়ন সমবায় সমিতিৰ সম্পাদক অমূল্য বৰুৱাই। দুগ্ধ সমিতিৰ সভাপতি কুলেন্দ্ৰ ডেকাই ২০০৬ত চাৰিজন সদস্যৰে আৰম্ভ কৰা পাথৰিঘাট দুগ্ধ উৎপাদন সমবায় সমিতিখনে কঠোৰ পৰিশ্ৰম আৰু সংগ্ৰামৰ মাজেৰে কালি এশজন গো-পালকে দৈনিক প্ৰায় পাঁচহেজাৰ লিটাৰ দুগ্ধ উৎপাদন কৰি স্ব-নিৰ্ভৰশীল হ'বলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি এয়া নাবাৰ্ড আৰু পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ সহযোগিতাৰ বাবেহে সম্ভৱ হৈছে বুলি মন্তব্য কৰে। উক্ত সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে নাবাৰ্ডৰ জিলা উন্নয়ন অধিকাৰী অভিষেক বৰুৱা, গৱেষক অধ্যাপক ড° নগেন্দ্ৰ বৰ্মন।

# কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বুঢ়াপাহাৰ বনাঞ্চলত গঁড়ৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা
**কলিয়াবৰ, ১০ ছেপ্টেম্বৰ ঃ** কাজিৰঙাৰ প্ৰলয়ংকৰী বানৰ কবলত পৰি মৃত্যুক সাবটি লোৱা এজনী মাইকী গঁড়ৰ মৃতদেহ উদ্ধাৰ হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ বুঢ়াপাহাৰ বনাঞ্চলৰ টুনীকাটি বনশিবিৰ অঞ্চলত উদ্ধাৰ হৈছে গঁড়জনীৰ মৃতদেহ। বনশিবিৰ অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে উদ্ধাৰ হৈছে মাইকী গঁড়জনীৰ মৃতদেহটো। মৰণোত্তৰ পৰীক্ষাৰ অন্তত চিকিৎসকে প্ৰকাশ কৰা তথ্য অনুসৰি বুঢ়া গঁড়জনীয়ে এই শেহতীয়া বানৰ কবলত পৰিয়েই মৃত্যুক সাবটি ল'লে। বনশিবিৰ অঞ্চলটোত দুৰ্গন্ধৰ পম খেদি গঁড়জনীৰ মৃত্যুদেহ উদ্ধাৰৰ পাছতে বিভাগীয় হাতীৰে টানি বনকৰ্মীয়ে পানীৰ পৰা উঠাই মৃত গঁড়জনীৰ মৃতদেহ। ইয়াৰ পাছতে বিভাগীয় কাৰ্য সম্পাদন কৰি খৰ্গটো সুৰক্ষিত ৰূপত উদ্ধাৰ কৰি বন বিভাগে চমজি লোৱাৰ লগতে মৃতদেহটো পুতি থোৱাৰ ব্যৱস্থা কৰে কাজিৰঙাৰ বন বিভাগে।

# শিল্পীৰ মনৰ ভিতৰত বহুতো কথা লুকাই থাকে

## হাউলীত 'অনুৰাগ'ৰ উদ্যোগত সুধাকণ্ঠৰ ওপজা দিন পালন

অগ্ৰদূত বাৰ্তা
**হাউলী, ১০ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে হাউলীত 'অনুৰাগ'ৰ উদ্যোগত পৰহি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ৯৫ সংখ্যক ওপজা দিন উদ্‌যাপন কৰা হয়। পুৱা ১০ বজাত গছপুলি ৰোপণ কৰা হয়। সন্ধিয়া হাউলীৰ চণ্ডী বৰুৱা স্মৃতি ভৱন প্ৰাংগণত 'মই আৰু মোৰ ছাঁ' শীৰ্ষক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে হাউলীস্থ জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যক্ষা মিনাক্ষী দাসে। অনুষ্ঠানত মুখ্য অতিথিৰূপে বৰপেটা জিলাৰ উপায়ুক্ত তেজপ্ৰসাদ ভূষালৰ লগতে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে বৰপেটা জিলাৰ অতিৰিক্ত উপায়ুক্ত লখিমী দত্ত, নৰজিত পাঠক, হাউলী বি এইছ কলেজৰ অদ্যক্ষ ড° ভূষণ চন্দ্ৰ পাঠকে। অধ্যক্ষ ড° পাঠকে ভাষণ প্ৰসংগত কয় যে শিল্পীসকলৰ মনৰ ভিতৰত বহু কথা লুকাই থাকে। ড° ভূপেন হাজৰিকা সাধাৰণ মানুহ আছিল। ড° হাজৰিকাৰ গীতৰ সাৰমৰ্ম কথাবোৰ ৰাইজক বহলাই ব্যাখ্যা কৰাৰ লগতে সুধাকণ্ঠৰ গীত শুনিবলৈ ৰাইজক আহ্বান জনায়। সাংস্কৃতিক অনুষ্ঠানত পৰমানন্দ দাস, নৱ পাঠক, ধীৰাজ ডেকা, পাৰ্থ প্ৰতিম দাস, মাণিক বৰ্মন, ৰাকেশ তালুকদাৰ আদিয়ে গীত পৰিৱেশন কৰে। উক্ত অনুষ্ঠানত অনুৰাগৰ উপদেষ্টা সুশীল ৰঞ্জন চৌধুৰীয়ে বৰপেটা জিলাৰ উপায়ুক্তজনক সম্বৰ্ধনা জনায়। সাংস্কৃতিক অনুষ্ঠানত আঁত ধৰে প্ৰদীপ কুমাৰ দাস আৰু চম্পক কুমাৰ নাথে।

# নলবাৰীত অসম দৰ্শনৰ অধীনত ৭৭টা নামঘৰৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা
**নলবাৰী, ১০ ছেপ্টেম্বৰ ঃ** নলবাৰী সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাই যোৱা ৭৭টা ৰাজহুৱা নামঘৰৰ পুনৰ নিৰ্মাণৰ সামূহিক আধাৰশিলা স্থাপন কৰে। নলবাৰী নাট্য মন্দিৰ প্ৰাংগণত আয়োজিত এক অনুষ্ঠানত বিধায়কজনে একেলগে একোখনকৈ ফলক বিতৰণ কৰি সামূহিক আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে অসম দৰ্শন আঁচনিৰ অধীনত সমষ্টিটোৰ এই ৭৭টা নামঘৰলৈ দুই লাখ ৫০ হেজাৰকৈ আৰ্থিক অনুদান আগবঢ়াইছে। আঁচনিখন উদ্বোধন কৰি বিধায়কজনে কয় যে সমষ্টিটোৰ বাকী থকা মন্দিৰসমূহকো শীঘ্ৰে এই আঁচনিৰ দ্বাৰা সামৰি লোৱা হ'ব। তেওঁ কয় যে নামঘৰে যুগ যুগ ধৰি সমাজ পৰিৱৰ্তন কৰি আহিছে। সেই নামঘৰসমূহ পুননিৰ্মাণ কৰাটো আমাৰ দায়িত্ব। অনুষ্ঠানত নলবাৰী জিলাৰ উপায়ুক্ত গীতিমণি ফুকন, বিশিষ্ট নাগাৰা নামৰ শিল্পী ৰামচৰণ ভৰালী, কৈলাশ তালুকদাৰ আদি উপস্থিত থাকে।

# আধাৰকাৰ্ড প্ৰস্তুত কৰা যন্ত্ৰসহ ১০ লাখ টকাৰ সামগ্ৰী চুৰি

## বিশ্বনাথ মহকুমা বিদ্যালয় উপ-পৰিদৰ্শকৰ কাৰ্যালয়ত চুৰি

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ১০ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ মহকুমা বিদ্যালয় উপ-পৰিদৰ্শকৰ কাৰ্যালয়ত চুৰি কাৰ্য সংঘটিত হয়। পুৱা ১০ বজাত কাৰ্যালয়খনত কৰ্মচাৰী উপস্থিত হোৱাত পোহৰলৈ আহে এই চুৰি কাৰ্য। মহকুমা উপ-পৰিদৰ্শক কৰুণাকান্ত ভট্টই সদৰী কৰা মতে, কাৰ্যালয়ৰ খিৰিকীৰ ৰদ কাটি সংঘটিত কৰে এই চুৰি কাণ্ড। চোৰে আধাৰকাৰ্ড প্ৰস্তুত কৰা যন্ত্ৰ, কম্পিউটাৰ, ফেন আৰু বহু মূল্যবান সামগ্ৰী চুৰি কৰে। চুৰি কাৰ্য যোৱা পৰহি নিশা সংঘটিত হৈছিল নে মঙলবাৰে সংঘটিত হৈছিল এই বিষয়ে জানিব পৰা হোৱা নাই। কাৰণ বুধবাৰে গুৰুজনাৰ তিৰোভাৱ তিথি থকাৰ বাবে কাৰ্যালয় বন্ধ আছিল আৰু উপ-পৰিদৰ্শকে কালি কাৰ্যালয়ত উপস্থিত হৈছিল যদিও সামগ্ৰী থকা কোঠাত প্ৰৱেশ কৰা নাছিল। বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰা হৈছে।

# নামভৰ্তিৰ সমস্যা সমাধানৰ দাবী আমছুৰ

অগ্ৰদূত ব্যুৰ'
**বঙাইগাঁও, ১০ ছেপ্টেম্বৰ ঃ** চিৰাং জিলাৰ বিজনীত কালি দিনৰ ভাগত বিজনী জাৰ্ণেলিষ্ট ফ'ৰামত আমছুৰ কেন্দ্ৰীয় শিক্ষা সম্পাদক আবুল কালাম আজাদে এখন সংবাদমেলৰ আয়োজন কৰে। উক্ত সংবাদমেলৰ জৰিয়তে বিজনী মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্তিৰ বাবে যি অসুবিধাৰ সন্মুখীন হৈছে, সেয়া ৰাজ্যৰ মুখ্যমন্ত্ৰীক সমাধানৰ বাবে আহ্বান জনায়। উল্লেখ্য যে অসমত এই বছৰ মূল্যায়নৰ জৰিয়তে বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল আৰু হাইমাদ্ৰাছা চূড়ান্ত পৰীক্ষা মূল্যায়নৰ জৰিয়তে উত্তীৰ্ণ হৈছে। তাৰ লগে লগে মহাবিদ্যালয়সমূহত বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অতি বেছি হোৱাৰ বাবে ঠাইৰ নাটনি হোৱাত বহু ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্তি কৰিব পৰা নাই। কালি বিজনী মহাবিদ্যালয়ত আমছুৰ এটা সঁজাতী দলে উপস্থিত হৈ বিজনী মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগত আলোচনা কৰাৰ পাছত অধ্যক্ষ গৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ অসুবিধাৰ কথা আমছুৰ দলটোক অৱগত কৰে। পাছত বিজনী জিলা আমছুৰ তৰফৰ পৰা এখন স্মাৰকপত্ৰ প্ৰদান কৰে বিজনী মহাবিদ্যালয়ত। সমগ্ৰ অসমৰ লগতে বিটিআৰ অঞ্চলক হোৱা শিক্ষাৰ্থীৰ সমস্যা সমাধানৰ বাবে পাছলৈ সংবাদমেলৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োক আহ্বান জনাই চলিত মাহতে এই সমস্যাৰ সমাধান কৰি ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধা কৰি দিবলৈ এই ধৰণৰ দাবী উত্থাপন কৰে।



বিহপুৰীয়াত অবৈধ শিল পৰিবাহী ডাম্পাৰ জব্দ, শুকুৰবাৰে।

# গোৰেশ্বৰত প্ৰমোদ বড়োৰ নাম উল্লিখিত নামফলক লণ্ডভণ্ড দুৰ্বৃত্তৰ

অগ্ৰদূত বাৰ্তা
**গোৰেশ্বৰ, ১০ ছেপ্টেম্বৰ ঃ** বাগ্‌সা জিলাৰ গোৰেশ্বৰৰ দলংদিয়াত যোৱা নিশা দুষ্কৃতিকাৰীয়ে এটি পথৰ নামফলক লণ্ডভণ্ড কৰে। বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো আৰু গোৰেশ্বৰ পৰিষদীয় সমষ্টিৰ পাৰিষদ পবিত্ৰ কুমাৰ বড়োৰ নাম উল্লিখিত নৱ-নিৰ্মিত ফলকখন অজ্ঞাত লোকে ভাঙি নষ্ট কৰাত অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে গোৰেশ্বৰৰ দলংদিয়াস্থিত জলসিঞ্চন প্ৰকল্পৰ পৰা বাগানবস্তি সংযোগী ৰাজ্য চৰকাৰ গুড উইল আঁচনিৰ অধীনত নিৰ্মিত চিচি ব্লকৰৰ পথছোৱা নিৰ্মাণৰ অন্তত পথটিত মুখ্য কাৰ্যবাহী সদস্য আৰু এমচিএলএৰ এখন ফলক লগাই দিয়া গৈছিল যোৱা সাত ছেপ্টেম্বৰত। উক্ত ফলকখন যোৱা নিশা কোনো দুৰ্বৃত্তই ভাঙি চূৰমাৰ কৰে। এই ঘটনা কোনো লোকে উদ্দেশ্যপ্ৰণোদিতভাৱে কৰাৰ লগতে কোনো ৰাজনৈতিক অভিসন্ধি লুকাই থাকিব পাৰে বুলি সন্দেহ কৰিছে অঞ্চলটোৰ সচেতন লোকসকলে।

# বাগ্‌সাৰ তামুলপুৰত অবৈধ ফাৰ্মাচীৰ বিৰুদ্ধে সৰৱ প্ৰশাসন

## ■ছীল কৰিলে ফাৰ্মাচী

অগ্ৰদূত বাৰ্তা
**তামুলপুৰ, ১০ ছেপ্টেম্বৰ ঃ** স্বাস্থ্য বিভাগৰ উদাসীনতাৰ সুযোগ লৈ অতি সম্প্ৰতি তামুলপুৰ মহকুমাৰ গাঁৱে-ভূঞে কাঠফুলাৰ দৰে গঢ় লৈ উঠা অনুজ্ঞাপত্ৰহীন ফাৰ্মাচীৰ বিৰুদ্ধে সৰৱ হৈছে তামুলপুৰ মহকুমা প্ৰশাসন। মহকুমাটোত অবৈধভাৱে গঢ় লৈ উঠা ঔষধৰ বিপণী তথা ফাৰ্মাচীসমূহ তদাৰক কৰি এক প্ৰতিবেদন দাখিল কৰাৰ বাবে তামুলপুৰ মহকুমাৰ মহকুমাধিপতি (অসামৰিক) ডাঃ বেদাংগ তালুকদাৰে তামুলপুৰৰ অতিৰিক্ত আয়ুক্ত তথা দণ্ডাধীশ প্ৰীতম ঠাকুৰীয়াক নিৰ্দেশ দিছিল। মহকুমাধিপতিৰ নিৰ্দেশ মৰ্মে ঠাকুৰীয়াই মহকুমাটোৰ বিভিন্ন অঞ্চল পৰিভ্ৰমণ কৰি মহকুমাধিপতিগৰাকীৰ হাতত প্ৰতিবেদন দাখিল কৰে। এই প্ৰতিবেদনৰ ভিত্তিত কালি তামুলপুৰ মহকুমা প্ৰশাসনে ড্ৰাগছ পৰিদৰ্শকক লগত লৈ তামুলপুৰ মহকুমা সদৰৰ মেডিকেল চ'কত কে'বাখনো ফাৰ্মাচীত অভিযান চলায়। অভিযান কালত 'মা মেডিক'জ' নামৰ ফাৰ্মাচীখনে ফাৰ্মাচীত থাকিবলগীয়া যথোপযুক্ত নথিপত্ৰ বিভাগীয় কৰ্তৃপক্ষক দেখুৱাব নোৱাৰাত দণ্ডাধীশৰ উপস্থিতিত 'মা মেডিক'জ' নামৰ ফাৰ্মাচীখন বন্ধ কৰে। তামুলপুৰ মহকুমাৰ অতিৰিক্ত আয়ুক্ত তথা দণ্ডাধীশ প্ৰীতম ঠাকুৰীয়াই সদৰী কৰা মতে, তামুলপুৰ মহকুমাৰ বিভিন্ন প্ৰান্তত অসংখ্য ফাৰ্মাচী অবৈধভাৱে গঢ় লৈ উঠিছে। মানুহৰ জীৱন-মৃত্যুৰ স'তে জড়িত ঔষধৰ ব্যৱসায়ৰ ক্ষেত্ৰত তামুলপুৰ মহকুমা প্ৰশাসনে কঠোৰ স্থিতি গ্ৰহণ কৰি অবৈধ ফাৰ্মাচীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। আজি উপযুক্ত নথিপত্ৰ নথকা বাবে উক্ত ফাৰ্মাচীখন ছীল কৰা হৈছে।

# মূল্যবৃদ্ধি ৰোধ-ৰাজহুৱা খণ্ডুক ৰক্ষাৰ দাবীত নগাঁৱত চিপিআইৰ ধৰ্মঘট

বিশেষ সংবাদদাতা
**নগাঁও, ১০ ছেপ্টেম্বৰ ঃ** মূল্যবৃদ্ধি ৰোধ কৰা আৰু ৰাজহুৱা খণ্ডুক ৰক্ষা কৰাৰ দাবীত চিপিআইৰ নগাঁও জিলা সমিতিয়ে কালি অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। হাতে হাতে প্লেকাৰ্ড লৈ প্ৰতিবাদকাৰীসকলে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰা, বিতৰ্কিত কৃষি আইন তিনিখন বাতিল কৰা, ৰাজহুৱা শিক্ষা ব্যৱস্থা ৰক্ষা কৰা, নিবনুৱা যুৱক-যুৱতীৰ কৰ্ম সংস্থাপন নিশ্চিত কৰা, ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰাকে ধৰি ১০টা দাবী শীঘ্ৰে সমাধান কৰিবলৈ চৰকাৰক দাবী জনায়। উক্ত প্ৰতিবাদী কাৰ্যসূচী চিপিআই ৰাতুল বৰা, কিষাণ মৰ্চাৰ প্ৰণৱ দলে, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ মনোজ সিংহ ৰাজা আদিয়ে অংশগ্ৰহণ কৰে।

# জুৰীয়াত আৰক্ষীৰ জালত তিনি জুৱাৰী

অগ্ৰদূত বাৰ্তা
**জুৰীয়া, ১০ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ জুৰীয়াত ড্ৰাগছ-জুৱা আদি অসামাজিক কাৰ্য-কলাপৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত থকাৰ মাজতে কালি আৰক্ষীয়ে উদমাৰীৰ পৰা নগদ ধন আৰু জুৱাত ব্যৱহৃত সামগ্ৰীসহ তিনি জুৱৰীক গ্ৰেপ্তাৰ কৰে। ধৃত জুৱাৰী কেইজন হ'ল আকবৰ আলী, ছিৰাজুল ইছলাম আৰু ৰহমত আলী।

# ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মৰ ১৮০১ কিতাপ বড়োলেণ্ড বিশ্ববিদ্যালয়ত আগবঢ়ালে সহধৰ্মিণীয়ে



অগ্ৰদূত বাৰ্তা
**কোকৰাঝাৰ, ১০ ছেপ্টেম্বৰ ঃ** বড়ো জনগোষ্ঠীৰ প্ৰথিতযশা সাহিত্যিক, লেখক তথা সাহিত্য একাডেমী বটাপ্ৰাপ্ত প্ৰয়াত ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মৰ বিভিন্ন ১৮০১খন কিতাপ আজি বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰত আগবঢ়োৱা হয়। উল্লেখ্য যে প্ৰয়াত ব্ৰহ্মৰ সহধৰ্মিণী কৌশলা ব্ৰহ্মই আজি বড়ো ভাষা সাহিত্যত অৱদান আগবঢ়োৱা প্ৰয়াত লেখক ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মৰ স্মৃতি নৱ প্ৰজন্ম পঢ়ুৱৈসকলৰ মাজক সজীৱ কৰি ৰখাৰ উদ্দেশ্যে বড়োলেণ্ড বিশ্ববিদ্যালয়ক ১,৮০১খন কিতাপ দান কৰে। এই উপলক্ষে আজি কোকৰাঝাৰ চহৰৰ দেৱৰগাঁওস্থিত বড়োলেণ্ড বিশ্ববিদ্যালয় কেন্দ্ৰীয় গ্ৰন্থাগাৰত আয়োজিত এক অনুষ্টুপীয়া সভা যোগে প্ৰয়াত ব্ৰহ্মৰ সহধৰ্মিণী কৌশলা ব্ৰহ্মই ১৮০১খন কিতাপ আনুষ্ঠানিকভাৱে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° লাইশ্ৰাম লাডু সিঙ, পঞ্জীয়ক ড° এইছ কে সাহু আৰু অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া পি কে হাজোৰাৰী আৰু ভাৰপ্ৰাপ্ত লাইব্ৰেৰীয়ান খগেন কলিতাৰ উপস্থিত অৰ্পণ কৰে। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য লাইশ্ৰাম লাডু সিঙে বড়ো সাহিত্য জগতৰ কাণ্ডাৰী প্ৰয়াত ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মৰ সহধৰ্মিণী কৌশলা ব্ৰহ্মই বিশ্ববিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰত আজি বড়ো ভাষাত ১৮০১খন কিতাপ বৰঙণি হিচাপে দিয়াত শলাগ লয় আৰু পঢ়ুৱৈ ছাত্ৰ-ছাত্ৰী আৰু গৱেষকসকলৰ মাজত প্ৰয়াত ব্ৰহ্মৰ ৰচিত কিতাপে জ্ঞানৰ ভঁৰাল টনকিয়াল কৰিব বুলি আশা ব্যক্ত কৰে।



তেজপুৰত গণেশ চতুৰ্থীত ভক্তৰ ভিৰ, শুকুৰবাৰে।

# পূৰ্বৰ সভাপতিৰ বিৰুদ্ধে পঞ্চায়ত সদস্যই উত্থাপন কৰিছিল অনাস্থা

## মৰিগাঁৱৰ ভূৰবন্ধা আঞ্চলিক পঞ্চায়তৰ সভাপতিক অপসাৰণ

অগ্ৰদূত বাৰ্তা
**মৰিগাঁও, ১০ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ ভূৰবন্ধা আঞ্চলিক পঞ্চায়তৰ বিজেপি নেতৃত্বাধীন সভাপতি বিজু পাতৰৰ কাম-কাজত অসন্তুষ্টি প্ৰকাশ কৰি কেইমাহমান পূৰ্বে একাংশ সদস্যই অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিছিল। যোৱা ২২ জুলাইত বিজেপি ৰাজ্যিক সভাপতি ভৱেশ কলিতাৰ নিৰ্দেশ অনুসৰি ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক তপন কুমাৰ গগৈয়ে দলৰ পৰা নিৰ্বাচিত সদস্যসকলে ৰাজ্যিক সমিতিৰ অনুমতিবিহীনভাৱে কোনো জিলা পৰিষদ, আঞ্চলিক পঞ্চায়তত অনাস্থা উত্থাপন কৰিব নোৱাৰিব বুলি জিলাসমূহলৈ এক নিৰ্দেশনা জাৰি কৰে। কিন্তু ৰাজ্যিক বিজেপিয়ে নিৰ্দেশনা দিয়া সত্ত্বেও আজি উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াৰ অধ্যক্ষতাত আৰু ভূৰবন্ধা খণ্ড উন্নয়ন বিষয়া কাশ্যপী কাশ্যপৰ উপস্থিতিত পঞ্চায়ত সদস্যসকলে ভূৰবন্ধা আঞ্চলিক পঞ্চায়তৰ সভাপতি হিচাপে দীপেন দাসক সমৰ্থন আগবঢ়ায়। আনহাতে, ৰাজ্যিক বিজেপিৰ নিৰ্দেশনাক অৱমাননা কৰি ভূৰবন্ধা আঞ্চলিক পঞ্চায়তৰ পূৰ্বৰ সভাপতিক অপসাৰণ কৰাৰ লগতে আজি পঞ্চায়তটোৰ নৱ-সভাপতি হিচাপে দীপেন দাসক সমৰ্থন কৰা কাৰ্যক লৈও এক ৰহস্যৰ সৃষ্টি হৈছে। ইফালে, আজি ভূৰবন্ধা আঞ্চলিক পঞ্চায়তৰ সভাপতি হিচাপে সমৰ্থন লাভ কৰাত দাসৰ নেতৃত্বত পঞ্চায়তৰ কাম-কাজ সুচাৰুৰূপে পৰিচালিত হ'ব বুলি একাংশ আঞ্চলিক পঞ্চায়ত সদস্যই আশা প্ৰকাশ কৰে।

# ঘগ্ৰাপাৰৰ বৰাজোল বজাৰ-আকনা সংযোগী পথত যাতায়াতত দুৰ্ভোগ

## ■কালভাৰ্ট স্থাপনৰ দাবীত বৰাজোল আছুৰ ৰাজহ চক্ৰ বিষয়াক স্মাৰকপত্ৰ

অগ্ৰদূত বাৰ্তা
**ঘগ্ৰাপাৰ, ১০ ছেপ্টেম্বৰ ঃ** সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত বৰাজোল আঞ্চলিক ছাত্ৰ সন্থাই আকনা-বৰাজোল অঞ্চলৰ কে'বাটাও কালভাৰ্ট পুনৰ স্থাপনৰ দাবীত কালি ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ জৰিয়তে নলবাৰী জিলা পৰিষদৰ মুখ্য বিষয়ালৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰা হয়। বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত ১৪ নম্বৰ পূব বনভাগ গাঁও পঞ্চায়তৰ অন্তৰ্গত আকনা গাঁৱৰ কে'বাটাও কালভাৰ্ট ভগ্ন অৱস্থাত থকাৰ ফলত ৰাইজে সমস্যাৰ সন্মুখীন হৈছে।

উল্লেখ্য যে বৰাজোল বজাৰ-আকনা সংযোগী পথত এটা, ৰামপুৰ-আকনা সংযোগী পথত দুটা আৰু আকনা-পোনৰ কাউনীয়া পথত এটা কালভাৰ্ট সম্পূৰ্ণ ভগ্ন অৱস্থাত আছে। এই কালভাৰ্টকেইটাৰে চাৰিচকীয়া যানবাহন চলাচল সম্পূৰ্ণৰূপে বন্ধ হৈ থকাৰ বিপৰীতে চাইকেল বা মটৰ চাইকেলেৰে অতি বিপদসংকুলভাৱে ৰাইজে চলাচল কৰিব লগা হৈছে।

তদুপৰি যিকোনো মুহূৰ্ততে দুৰ্ঘটনাৰ আশংকা কৰা হৈছে। সেয়েহে বৰাজোল আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি জীৱনজ্যোতি ডেকা আৰু সাধাৰণ সম্পাদক আতিকুৰ ৰহমান স্বাক্ষৰিত স্মাৰকপত্ৰ প্ৰদান কাৰ্যসূচীত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ৰমজান আলী প্ৰমুখ্যে ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকে। ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মণীষা কলিতাৰ জৰিয়তে স্মাৰকপত্ৰ প্ৰদান কৰি জিলা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক আজিজুল ইছলামে অতিশীঘ্ৰে সমস্যা সমাধান কৰিবলৈ দাবী জনায় অন্যথা ৰাইজৰ সহযোগত গণতান্ত্ৰিক সংগ্ৰাম গঢ়ি তোলাৰ হুংকাৰ দিয়ে।

## কয়াকুছি বজাৰত ১৮৭খন দোকান উচ্ছেদ প্ৰশাসনৰ



অগ্ৰদূত বাৰ্তা

**কয়াকুছি, ১০ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলা প্ৰশাসনে কয়াকুছি বজাৰৰ উন্নয়নৰ বাবে আজি ১৮৭খন দোকান উচ্ছেদ কৰে। অতিৰিক্ত উপায়ুক্ত নৱজিৎ পাঠক, বৰপেটা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া প্ৰাঞ্জল বৰুৱাৰ উপস্থিতিতি এক বৃহৎসংখ্যক আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ উপস্থিতিত চাৰিখন এক্সকেভেটৰে দোকানসমূহ উচ্ছেদ কৰে। কয়াকুছিৰ পাকা বেতবাৰী আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত কয়াকুছি বজাৰত যোৱা ২৬ ফেব্ৰুৱাৰীত ১০ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া ছিগ্নেছাৰ আঁচনিৰ আধুনিক বজাৰ আৰু প্ৰশিক্ষণৰ সুবিধাযুক্ত দুই মহলীয়া গ্ৰামীণ কৃষি কেন্দ্ৰ ভৱন নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিছিল বিধায়ক জাকিৰ হুছেইন শিকদাৰে। কিন্তু বিধানসভা নিৰ্বাচনৰ পাছত ঠিকাদাৰে কাম কৰিবলৈ অহাত দোকানীসকলে ঠাই খালী কৰি দিবলৈ অস্বীকাৰ কৰে। ঠাই এৰি দিলে পাছত নিৰ্মাণ হোৱা ঠাইত মাটি নাপায় বুলি ধাৰণা কৰি ঠাই এৰি দিবলৈ অস্বীকাৰ কৰাত উন্নয়ন খণ্ডৰ বিষয়া-কৰ্মচাৰীসকলে, আঞ্চলিক পঞ্চায়তৰ সভাপতি প্ৰমুখ্যে সদস্যসকলে বুজনি দিছিল ঠাই এৰি দিবলৈ। এই লৈ জিলা প্ৰশাসনেও দোকানীসকলক আলোচনাৰ বাবে মাতিছিল। কিন্তু দোকানীসকলে সেই আলোচনাত অংশগ্ৰহণ নকৰিলে। বিধায়কৰ লগতে এই বিষয়ে কে'বালানি আলোচনা হৈছিল। অৱশ্যে একাংশ দোকানীয়ে স্বইচ্ছাই বহুত আগতেই কয়াকুছি বজাৰৰ উন্নতিৰ কথা চিন্তা কৰি নিৰ্মাণৰ বাবে ঠাই এৰি দিছিল। এই সন্দৰ্ভত যোৱা ২৫ আগষ্টত কয়াকুছিৰ গাখীৰ বজাৰত বিধায়ক শিকদাৰৰ উপস্থিতিত এক ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। সেই সভাত দোকানীসকলে ঠাই এৰি দিব বুলি কোৱাৰ পাছতো পুনৰ ঠাই এৰিবলৈ অস্বীকাৰ কৰে। অৱশেষত কোনো উপায় নাপাই প্ৰশাসনে আজি বজাৰ গৃহ নিৰ্মাণৰ বাবে ঠাইখিনি মুকলি কৰিবলৈ বাধ্য হয়।






দৈনিক অগ্ৰদূত
ক্ৰীড়াভূমি/ক্ৰীড়াভূমি
গুৱাহাটী, ১১ ছেপ্টেম্বৰ ২০২১
শনিবাৰ, পৃষ্ঠা ১৩



# অনিৰ্দিষ্টকাললৈ স্থগিত শৃংখলাৰ অন্তিম টেষ্ট

## পৰৱৰ্তী সময়ত তাৰিখ নিৰ্ণয়ৰ অনুৰোধ বিচিচিআইৰ ঃ ভাৰতৰ ২-১ৰ অগ্ৰগতি অক্ষুণ্ণ ঃ ইংলণ্ডৰ চেষ্টা ব্যৰ্থ



**নিউজ ব্যুৰ’**

**মানচেষ্টাৰ, ১০ ছেপ্টেম্বৰ ঃ** ক’ভিড-১৯ৰ আশংকাতে অনিৰ্দিষ্টকাললৈ স্থগিত ৰখা হ’ল ভাৰত আৰু ইংলণ্ডৰ মাজৰ শৃংখলাৰ পঞ্চম তথা অন্তিম টেষ্ট। পৰৱৰ্তী সময়ত এই টেষ্টখন পুনৰ আয়োজন কৰা হ’ব যদিও এতিয়াই তাৰিখ স্থিৰ হোৱা নাই। ভাৰতীয় দলৰ সহকাৰী ফিজিঅ’থেৰাপিষ্ট যোগেশ পাৰমাৰৰ শৰীৰত কৰ’নাৰ উপস্থিতি ধৰা পৰাৰ পাছতে টেষ্টখনক কেন্দ্ৰ কৰি অনিশ্চয়তাৰ সৃষ্টি হৈছিল। আজি বিচিচিআই আৰু ইংলণ্ড-ৱেলছ ক্ৰিকেট ব’ৰ্ডৰ যৌথ সিদ্ধান্ত মৰ্মে টেষ্টখন সাময়িকভাৱে স্থগিত ৰখা হয়।

উল্লেখ্য যে কালি পাৰমাৰৰ শৰীৰত ক’ভিডৰ উপস্থিতি ধৰা পৰে। তেতিয়াই টেষ্টখনৰ সন্দৰ্ভত প্ৰশ্ন উত্থাপন হয়। কিয়নো ৰোহিত শৰ্মা, চেটেশ্বৰ পূজাৰা, মহম্মদ ছামিসহ কে’বাজনো ক্ৰিকেটাৰ সহকাৰী ফিজিঅ’জনৰ সংস্পৰ্শলৈ আহিছিল। যাৰ বাবে সমগ্ৰ ভাৰতীয় দলটোৰ ক’ভিড পৰীক্ষা কৰা হয়। লক্ষ্যণীয়ভাৱে ইচিবিৰ তৰফৰ পৰা কালিয়ে টেষ্টখন বাতিল কৰিবলৈ ভাৰতক হেঁচা দিয়া হৈছিল। সেয়া হ’লে সমগ্ৰ শৃংখলাটো বাতিল হ’ব আৰু শৃংখলাৰ ফলাফলো নাথাকিব। সম্প্ৰতি ভাৰত শৃংখলাত ২-১ত আগবাঢ়ি আছে। ইংলণ্ড ব’ৰ্ডৰ এই প্ৰস্তাৱ অধিনায়ক বিৰাট কোহলিসহ ভাৰতীয় খেলুৱৈসকলে অগ্ৰাহ্য কৰে। ভাৰতীয় খেলুৱৈসকলে টেষ্টখনত খেলাৰ আগ্ৰহ প্ৰকাশ কৰি কয় যে যদি বাতিল কৰা হয়, তেন্তে ভাৰতক শৃংখলাত বিজয়ী ঘোষণা কৰিব লাগিব। ইফালে, নিশা ভাৰতীয় খেলুৱৈসকলৰ পৰীক্ষাৰ ফলাফল নিগেটিভ অহাত টেষ্টখন অনুষ্ঠিত হোৱাৰ আশা জিলিকিছিল। তথাপি আজি পুৱা ইচিবিৰ তৰফৰ পৰা ঘোষণা কৰা হয় যে ক’ভিডৰ আশংকাতে ভাৰতে টেষ্টখন এৰি দিব খুজিছে। অৱশ্যে বিচিচিআইৰ হেঁচাত পৰৱৰ্তী সময়ত ইচিবিয়ে নিজৰ ভাষ্য সলনি কৰে। ইয়াৰ পাছতে এলানি আলোচনাৰ অন্তত টেষ্টখন অনিৰ্দিষ্টকাললৈ পিছুৱাই দিয়াৰ সিদ্ধান্ত লয়। উল্লেখ্য যে ইংলণ্ডে দুদিনৰ পাছত টেষ্টখন আয়োজনৰ প্ৰস্তাৱো দিছিল। কিন্তু টেষ্টখন সমাপ্ত হোৱাৰ পাছতে আইপিএলৰ দ্বিতীয় অৰ্ধ আৰম্ভ হ’ব বাবে সেয়া সম্ভৱ নহ’ল। আইপিএলৰ পাছতে অনুষ্ঠিত হ’ব টি-২০ বিশ্বকাপ। সেয়ে পৰৱৰ্তী সময়ত টেষ্টখনৰ পুনৰ আয়োজনৰ প্ৰস্তাৱ বিচিচিআইৰ তৰফৰ পৰা দিয়া হয় আৰু ইচিবিয়েও গ্ৰহণ কৰে। এই কথা সদৰী কৰিছে বিচিচিআইৰ সচিব প্ৰধান জয় শ্বাহে। টেষ্টখন পুনৰ অনুষ্ঠিত নোহোৱা পৰ্যন্ত ভাৰতৰ অগ্ৰগতি বাহাল থাকিব।

## অনিশ্চয়তাৰ কবলত পৰিল আইপিএল



**নিউজ ব্যুৰ’**

**কলকাতা, ১০ ছেপ্টেম্বৰ ঃ** ভাৰত আৰু ইংলণ্ডৰ মাজৰ মানচেষ্টাৰ টেষ্ট স্থগিত ৰখাৰ পাছত আগন্তুক আইপিএলৰ ভৱিষ্যতো অনিশ্চিত হৈ পৰিল। ইয়াৰ কাৰণ হৈছে ভাৰতীয় শিবিৰত কৰ’নাৰ আক্ৰমণ। কালি দলৰ সহকাৰী ফিজিঅ’ যোগেশ পাৰমাৰ ক’ভিডত আক্ৰান্ত হয়। ইতিমধ্যে তেওঁৰ সংস্পৰ্শলৈ আহিছিল ৰোহিত শৰ্মা, ৰবীন্দ্ৰ জাদেজা, চেটেশ্বৰ পূজাৰা, মহম্মদ ছামি আৰু ঈশান্ত শৰ্মা। প্ৰতিজন খেলুৱৈ আইপিএলৰ বিভিন্ন ফ্ৰেঞ্চাইজিৰ সদস্য।

উল্লেখ্য যে অহা ১৯ ছেপ্টেম্বৰৰ পৰা আইপিএলৰ দ্বিতীয় অৰ্ধ কাতাৰ আৰু সংযুক্ত আৰব আমিৰশ্বাহিত অনুষ্ঠিত হ’ব। কালি ভাৰতীয় খেলুৱৈসকলৰ ক’ভিড পৰীক্ষাৰ ফল নিগেটিভ আহে। তৎসত্ত্বেও পাৰমাৰৰ সংস্পৰ্শলৈ অহা খেলুৱৈসকল ক’ভিডত আক্ৰান্ত হোৱাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি। সেয়া হ’লে এই খেলুৱৈসকলে মানচেষ্টাৰতে নিভৃতবাসত থাকিব লাগিব। অথচ ইয়াৰ মাজতে আন খেলুৱৈৰ শৰীৰতো সংক্ৰমণ হোৱাৰ আশংকাও কৰিছে বিচিচিআয়ে। উল্লেখ্য যে একাধিক ক্ৰিকেটাৰ ক’ভিডত আক্ৰান্ত হোৱাৰ বাবেই আইপিএল আধাতে বন্ধ ৰাখিবলগীয়া হৈছিল।

## আন্তৰ্জাতিক মেচত পুনৰ এক অভাৰত ছয় ছিক্সাৰৰ কৃতিত্ব



### আমেৰিকাৰ ভাৰতীয় বংশোদ্ভৱ খেলুৱৈৰ বিৰল অভিলেখ

**নিউজ ব্যুৰ’**

**কলকাতা, ১০ ছেপ্টেম্বৰ ঃ** আন্তৰ্জাতিক মেচত পুনৰ দেখা গ’ল এটা অভাৰত একেৰাহে ছটাকৈ ছিক্সাৰৰ ঘটনা। হাৰ্চেল গিবছ, যুৱৰাজ সিং আৰু কেইৰ’ন প’লাৰ্ডৰ পাছত এই বিৰল কৃতিত্ব স্থাপন কৰিলে আমেৰিকাৰ এজন ভাৰতীয় বংশোদ্ভৱ ক্ৰিকেটাৰে। পাপুৱা নিউ গিনিৰ বিপক্ষে এখন এদিনীয়া আন্তৰ্জাতিক মেচত এই বিশেষ কৃতিত্ব স্থাপন কৰিলে আমেৰিকাৰ ক্ৰিকেটাৰ জস্কৰণ মালহোত্ৰাই।

দল দুটাৰ মাজৰ শৃংখলাৰ দ্বিতীয়খন মেচত মালহোত্ৰাই ১২৪টা বলত ১৭৩ ৰাণৰ এক বিস্ফোৰক ইনিংছ খেলে। ইয়াৰ ভিতৰত আছে ১৬টা ছিক্সাৰ আৰু চাৰিটা বাউণ্ডেৰী মাৰে। ইনিংছৰ অন্তিম অভাৰত গাউটি টোকাৰ অভাৰত ছটাকৈ ছিক্সাৰ মাৰে। তেওঁ আমেৰিকাৰ প্ৰথম ক্ৰিকেটাৰৰূপে এদিনীয়া আন্তৰ্জাতিক মেচত শতৰাণ অৰ্জনৰো অভিলেখ স্থাপন কৰে। অৱশ্যে সামান্য ব্যৱধানৰ বাবে মালহোত্ৰাই ইংলণ্ডৰ তাৰকা ইয়ন ম’ৰ্গানৰ বিশ্ব অভিলেখ স্পৰ্শ কৰিব নোৱাৰিলে। ম’ৰ্গানে সীমিত অভাৰৰ আন্তৰ্জাতিক মেচত সৰ্বাধিক ১৭টা ছিক্সাৰ মাৰিছিল। মালহোত্ৰাৰ পূৰ্বে এটা ইনিংছত ১৬টা ছিক্সাৰ মাৰিছিল ক্ৰিছ গেইল, ৰোহিত শৰ্মা আৰু এ বি ডে ভিলিয়াৰ্ছে। উল্লেখ্য যে আন্তৰ্জাতিক ক্ৰিকেটৰ এটা অভাৰত ছটা ছিক্সাৰ পৰা চতুৰ্থজন বেটছমেনত পৰিণত হ’ল মালহোত্ৰা। ইয়াৰ পূৰ্বে গিবছে এদিনীয়া আন্তৰ্জাতিকত তথা যুৱৰাজ আৰু প’লাৰ্ডে টি-২০ মেচত এই কৃতিত্ব স্থাপন কৰিছিল।



ইউ এছ অপেনৰ ছেমিফাইনেলত মাৰিয়া ছাকাৰি।

## স্বাধীনতা কাপ ফুটবল আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ১০ ছেপ্টেম্বৰ ঃ** বাগ্‌সা জিলাৰ সুৰণখাটাত নৰ্থইষ্ট ক্লাবৰ উদ্যোগত আজিৰে পৰা স্বাধীনতা কাপ প্ৰাইজমানি ফুটবল আৰম্ভ হৈছে। আজিৰ উদ্বোধনী মেচখনত ডুমুনী ফুটবল ক্লাবে আয়োজক নৰ্থইষ্ট ক্লাবক টাইব্ৰেকাৰৰ জৰিয়তে ৪-৩ গ’লত পৰাজিত কৰে। নিৰ্ধাৰিত সময়ত খেলখন ২-২ গ’লত ড্ৰ হৈছিল।

## বলিভিয়াৰ বিপক্ষে হেট্ৰিক মেছিৰ পেলেক অতিক্ৰম কৰি নতুন অভিলেখ

**নিউজ ব্যুৰ’**

**বুয়েনছ আয়াৰ্ছ, ১০ ছেপ্টেম্বৰ ঃ** বলিভিয়াৰ বিপক্ষে হেট্ৰিক অৰ্জন কৰি নতুন অভিলেখ গঢ়িলে লিয়নেল মেছিয়ে। কালিৰ বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী পৰ্বৰ খেলখনত মেছিৰ হেট্ৰিকৰ সহায়তে আৰ্জেণ্টিনাই বলিভিয়াক ৩-০ গ’লত পৰাজিত কৰে। ইয়াৰ জৰিয়তে তেওঁ ব্ৰাজিলৰ কিংবদন্তি পেলেক অতিক্ৰম কৰি দক্ষিণ আমেৰিকাৰ হৈ আন্তৰ্জাতিক মেচত সৰ্বাধিক গ’ল দিয়া ফুটবলাৰত পৰিগণিত হ’ল। পেলেই ব্ৰাজিলৰ হৈ ৯২খন মেচত ৭৭টা গ’ল দিছিল। মেছিয়ে ১৫৩খন মেচত এই পৰ্যন্ত ৭৯টা গ’ল দিছে।



## ৰেষ্টইণ্ডিজৰ টি-২০ বিশ্বকাপ দল

### ছবছৰৰ পাছত দললৈ প্ৰত্যাৱৰ্তন ৰবি ৰামপলৰ

**নিউজ ব্যুৰ’**

**কিংষ্টন, ১০ ছেপ্টেম্বৰ ঃ** সুদীৰ্ঘ ছবছৰৰ মূৰত কেৰিবিয়ান দললৈ প্ৰত্যাৱৰ্তন ঘটিল বৰ্ষীয়ান ফাষ্টবলাৰ ৰবি ৰামপলৰ। আগন্তুক টি-২০ বিশ্বকাপৰ বাবে নিৰ্বাচিত যোৱাবাৰৰ চেম্পিয়ন ৱেষ্টইণ্ডিজ দলত ৰামপলক স্থান দিয়া হৈছে। জাতীয় দলৰ হৈ তেওঁ ২০১৫ত অন্তিম মেচ খেলিছিল। অৱশ্যে দলত স্থান নাপালে ছিক্সাৰ মৰাৰ বাবে বিখ্যাত অলৰাউণ্ডাৰ কাৰ্লোছ ব্ৰেথৱেইটে। ২০১৬ৰ টি-২০ বিশ্বকাপৰ ফাইনেলৰ অন্তিম অভাৰত ব্ৰেথৱেইটে ইংলণ্ডৰ তাৰকা বেন ষ্ট’কছৰ বলত একেৰাহে ছটা ছিক্সাৰ মাৰি দললৈ নাটকীয় জয় আনিছিল। তেওঁৰ পৰিৱৰ্তে দলত স্থান পালে অলৰাউণ্ডাৰ ৰ’ষ্টন চেজে। কেৰিবিয়ান প্ৰিমিয়াৰ লীগত দুৰ্দান্ত প্ৰদৰ্শনৰ সূত্ৰে চেজে টি-২০ জাতীয় দলত প্ৰথমবাৰলৈ স্থান পালে। প্ৰাক্তন অধিনায়ক জেছন হ’ল্ডাৰ, ডাৰেন ব্ৰেভ’, শ্বেল্ডন ক’ট্ৰেল আৰু আকিল হুছেইনক অতিৰিক্তৰ তালিকাত ৰখা হৈছে।

নিৰ্বাচিত দলটো— কেইৰ’ণ প’লাৰ্ড (অধিনায়ক), নিকোলাছ পূৰাণ, ফেবিয়ান এলেন, ডুৱেইন ব্ৰেভ’, ৰ’ষ্টন চেজ, আন্দ্ৰে ফ্লেচাৰ, ক্ৰিছ গেইল, শ্বিমৰন হেটমেয়াৰ, এভিন লিৱিছ, অ’বেদ মেককয়, লেণ্ডল ছিমন্স, ৰবি ৰামপল, আন্দ্ৰে ৰাছেল, অ’শ্বান থমাছ আৰু হেইডেন ৱালছ জুনিয়ৰ।

## ১৪ বছৰ অনূৰ্ধ্বৰ অইল আইটা টেনিছ সমাপ্ত

### বৰাজ-নাইনিকাৰ দ্বি-মুকুট অৰ্জন

**গুৱাহাটী, ১০ ছেপ্টেম্বৰ ঃ** অসম টেনিছ সন্থাৰ উদ্যোগত মহানগৰীৰ চচল টেনিছ প্ৰকল্পত অনুষ্ঠিত ১৪ বছৰ অনূৰ্ধ্বৰ অইল আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছৰ আজি সামৰণি পৰে। এই প্ৰতিযোগিতাত গুজৰাটৰ বৰাজ গ’হিলে ল’ৰাৰ শাখাত আৰু মহাৰাষ্ট্ৰৰ নাইনিকা বেণ্ডৰামে ছোৱালীৰ শাখাত দ্বি-মুকুট অৰ্জন কৰিবলৈ সক্ষম হয়। আজি দুয়োটা বিভাগৰ একক শাখাৰ ফাইনেল দুখন অনুষ্ঠিত হয়। ল’ৰাৰ ফাইনেলত বৰাজে কৰ্ণাটকৰ আৰাধ্যা কছিটিজক ৬-১, ৬-৪ ছেটত পৰাজিত কৰে। আনহাতে, ছোৱালীৰ ফাইনেলত নাইনিকা গুজৰাটৰ মান’জ্ঞানা মাদাছোৰ বিপক্ষে ৬-৪, ৬-১ ছেটত বিজয়ী হয়। উল্লেখ্য যে বৰাজে কালি অসমৰ অন্তৰীশ তামুলীৰ স’তে যুটি বান্ধি ল’ৰাৰ দ্বৈত শাখাৰ খিতাপ জয় কৰিছিল। সেইদৰে নাইনিকাই কালিয়ে মহাৰাষ্ট্ৰৰে ঐশ্বৰ্য যাদৱৰ স’তে যুটি বান্ধি ছোৱালীৰ দ্বৈত শাখাৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হৈছিল।




## অলিম্পিকৰ পাছত ডায়মণ্ড লীগৰ এশ মিটাৰত এলাইনিৰ জয়লাভ




**নিউজ ব্যুৰ’**

**লছ এঞ্জেলছ, ১০ ছেপ্টেম্বৰ ঃ** আন এক জয়েৰে ছিজন সামৰিলে টকিঅ’ অলিম্পিকত মহিলাৰ এশ মিটাৰ দৌৰৰ স্বৰ্ণজয়ী এলাইনি থম্পছন-হেৰাহে। কালি তেওঁ ডায়মণ্ড লীগ ফাইনেলছৰ অন্তিম প্ৰতিযোগিতাত ১০.৬৫ ছেকেণ্ডত দৌৰ সামৰি বিজয় অৰ্জন কৰে। জামাইকাৰ দৌৰবিদগৰাকীয়ে চলিত ছিজনত তিনিখন ডায়মণ্ড লীগ প্ৰতিযোগিতাত জয়লাভ কৰে। কালিৰ দৌৰত তেওঁ ব্ৰিটেইনৰ ডিনা এশ্বাৰ-স্মিথক পৰাজিত কৰে। পুৰুষৰ এশ মিটাৰ দৌৰত বিজয় সাব্যস্ত কৰে টকিঅ’ অলিম্পিকৰ ৰূপ বিজয়ী আমেৰিকাৰ ফ্ৰেড কাৰ্লীয়ে। পুৰুষৰ চাৰিশ মিটাৰ হাৰ্ডলছত খিতাপ অক্ষুণ্ণ ৰাখিলে নৰ’ৱেৰ কাৰ্ষ্টেন ৱাৰহ’মে। আনহাতে, পুৰুষৰ প’লভল্টত বিজয়ী হয় আৰ্মেণ্ড ডুপ্লাণ্টিছে।

# বিশ্ব টেনিছত সৃষ্টি ‘অখ্যাত’ ইতিহাস

## প্ৰথমবাৰলৈ ইউ এছ অপেনৰ ফাইনেলত মুখামুখি দুই কিশোৰী খেলুৱৈৰ



এমা ৰাডুকানু

**নিউজ ব্যুৰ’**

**নিউ য়ৰ্ক, ১০ ছেপ্টেম্বৰ ঃ** বিশ্ব টেনিছত নতুন ইতিহাস ৰচনা কৰিলে দুগৰাকী ‘অখ্যাত’ কিশোৰী খেলুৱৈয়ে। ১৮ বছৰৰ এমা ৰাডুকানু আৰু ১৯ বছৰৰ লেইলা ফাৰ্ণাণ্ডেজে প্ৰৱেশ কৰিলে চলিত ইউ এছ অপেনৰ মহিলা ছিংগলছৰ ফাইনেলত। বাছনিহীন খেলুৱৈৰূপে দুয়ো ইউ এছ অপেনত খেলাৰ সুযোগ লাভ কৰিছিল।

১৯৬৮ৰ পৰা টেনিছৰ মুকলি যুগত পুৰুষ বা মহিলাৰ বিভাগত প্ৰথমবাৰলৈ দুগৰাকী বাছনিহীন খেলুৱৈ কোনো গ্ৰেণ্ড শ্লাম প্ৰতিযোগিতাৰ ফাইনেলত পৰস্পৰৰ সন্মুখীন হ’ব। আনহাতে, ১৯৯৯ৰ পাছত প্ৰথমবাৰলৈ কোনো গ্ৰেণ্ড শ্লাম প্ৰতিযোগিতাৰ ফাইনেলত প্ৰতিদ্বন্দ্বিতা কৰিব দুগৰাকী ‘টিন এজাৰ’ খেলুৱৈয়ে। সেইবাৰ ইউ এছ অপেনৰ ছিংগলছৰ ফাইনেলত তেতিয়াৰ ১৭ বছৰীয়া ছেৰেণা উইলিয়ামছে পৰাজিত কৰিছিল ১৮ বছৰীয়া মাৰ্টিনা হিংগিজক। অৱশ্যে টেনিছৰ মুকলি যুগত অষ্টমবাৰলৈ দুই কিশোৰীক গ্ৰেণ্ড শ্লাম ফাইনেলত পৰস্পৰৰ বিপক্ষে দেখা যাব।

কালিৰ ছেমিফাইনেলত ব্ৰিটিছ খেলুৱৈ ৰাডুকানুৱে অঘটনৰ দৌৰ অব্যাহত ৰাখি সপ্তদশ বাছনিৰ গ্ৰীচৰ খেলুৱৈ মাৰিয়া ছাকাৰিক ৬-১, ৬-৪ ছেটত পৰাজিত কৰে। দ্বিতীয়খন ছেমিফাইনেলত কানাডাৰ কিশোৰী ফাৰ্ণাণ্ডেজে প্ৰতিযোগিতাৰ দ্বিতীয় বাছনিপ্ৰাপ্ত বেলাৰুছৰ তাৰকা আৰিনা ছাবালেংকাক তুমুল যুঁজৰ অন্তত ৭-৬ (৭/৩), ৪-৬, ৬-৪ ছেটত পৰাজিত কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ৰাডুকানুৱে ইউ এছ অপেনৰ যোগ্যতা অৰ্জন পৰ্বত খেলিবলগীয়া হৈছিল। যোগ্যতা অৰ্জনকাৰী পৰ্বৰ পৰা একেৰাহে তেওঁ মূল প্ৰতিযোগিতাৰ ছেমিফাইনেল পৰ্যন্ত বিজয়ী হোৱাৰ বিৰল কৃতিত্ব স্থাপন কৰিলে। টেনিছৰ মুকলি যুগত পুৰুষ-মহিলা কোনো খেলুৱৈৰে এই নজিৰ নাই। ৰাডুকানুৰ পূৰ্বে অন্তিমবাৰলৈ ১৯৭৭ত ব্ৰিটিছ খেলুৱৈৰূপে ভাৰ্জিনিয়া ৱেডে কোনো গ্ৰেণ্ড শ্লাম প্ৰতিযোগিতাৰ ফাইনেল খেলিছিল।




লেইলা ফাৰ্ণাণ্ডেজ

## বড়িদতৰা ফুটবলৰ ছেমিত চামতা

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১০ ছেপ্টেম্বৰ ঃ** বড়িদতৰাৰ নৱজ্যোতি সংঘৰ উদ্যোগত আয়োজিত দশম প্ৰাইজমানি চলন্ত ট্ৰফী ফুটবলৰ ছেমিফাইনেলত উপনীত হৈছে চামতাৰ এ জে ইলেভেন। বি আৰ মেধি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত প্ৰতিযোগিতাখনৰ আজিৰ কোৱাৰ্টাৰ ফাইনেলত চামতাৰ দলটোৱে হাজোৰ কেতেকীবাৰী ফুটবল দলক ৩-১ গ’লত পৰাজিত কৰে। ১২ ছেপ্টেম্বৰৰ প্ৰথম ছেমিফাইনেলত চামতা দলে উত্তৰ গুৱাহাটী ফুটবল একাদশৰ বিপক্ষে খেলিব।

## পেৰালিম্পিকত পদকজয়ীলৈ আৰ্থিক পুৰস্কাৰ ঘোষণা

### দেশৰ ৫৪ পেৰা-এথলীটক সম্বৰ্ধনা সামাজিক ন্যায় মন্ত্ৰীৰ

**নিউজ ব্যুৰ’**

**নতুন দিল্লী, ১০ ছেপ্টেম্বৰ ঃ** টকিঅ’ পেৰালিম্পিকত অংশগ্ৰহণকাৰী ভাৰতৰ ৫৪ পেৰা-এথলীটক আজি সম্বৰ্ধনা জনালে কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী বীৰেন্দ্ৰ কুমাৰে। এথলীটৰ লগতে ভাৰতীয় দলৰ প্ৰশিক্ষকসকলকো বিভাগৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰে। লগতে সদ্যসমাপ্ত টকিঅ’ পেৰালিম্পিকত পদকজয়ী পেৰা-এথলীটসকললৈ আৰ্থিক পুৰস্কাৰো ঘোষণা কৰে।

উল্লেখ্য যে ভাৰতৰ পেৰা-এথলীটসকলে টকিঅ’ত সৰ্বকালৰ শ্ৰেষ্ঠ প্ৰদৰ্শন আগবঢ়ায়। ভাৰতীয় পেৰা-এথলীটসকলে প্ৰতিযোগিতাত অসাধাৰণ ক্ৰীড়াশৈলীৰে পাঁচটা স্বৰ্ণ, আঠটা ৰূপ আৰু ছটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে। আজি ঘোষণা কৰা অনুসৰি স্বৰ্ণজয়ীসকলে ১০ লাখ, ৰূপজয়ীসকলে আঠ লাখ আৰু ব্ৰঞ্জ বিজয়ীসকলে পাঁচ লাখকৈ টকা লাভ কৰিব। পেৰা-এথলীটসকলৰ বেংক একাউণ্টত এই ধন ভৰাই দিয়া হ’ব বুলি মন্ত্ৰী কুমাৰে কয়। মন্ত্ৰীজনে কয়, ‘আপোনালোকে নিজৰ অসাধাৰণ প্ৰদৰ্শনেৰে সমগ্ৰ দেশক গৌৰৱান্বিত কৰিলে। আপোনালোকে দেশক এক নতুন পৰিচিতি প্ৰদান কৰিলে।’ আজিৰ অনুষ্ঠানত ভাৰতীয় পেৰালিম্পিক কমিটীৰ সভাপতি দীপা মালিককে ধৰি বহু বিষয়ববীয়াৰ লগতে কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ৰামদাস আঠাৱালে উপস্থিত থাকে।

## ব্ৰাজিলৰ ধাৰাবাহিক জয়

**নিউজ ব্যুৰ’**

**ছাও পাওল’, ১০ ছেপ্টেম্বৰ ঃ** বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী পৰ্বত অসাধাৰণ ফৰ্ম প্ৰদৰ্শন কৰিছে ব্ৰাজিলে। দক্ষিণ আমেৰিকা মণ্ডলৰ মেচত দলটোৱে আঠখন খেলত জয়লাভ কৰিলে। অৱশ্যে চলিত সপ্তাহতে আৰ্জেণ্টিনাৰ বিপক্ষে ব্ৰাজিলৰ মেচখন কৰ’নাজনিত কাৰণত বাতিল হৈছিল। কালিৰ খেলত ব্ৰাজিলে পেৰুক ২-০ গ’লত পৰাজিত কৰে। দলৰ হৈ প্ৰথমটো গ’ল দিয়ে এভাৰটন ৰিবেইৰোৱে। তেওঁৰ আন এক প্ৰচেষ্টা পেৰুৰ গ’লকীপাৰে ব্যৰ্থ কৰিলেও বল আয়ত্ত কৰি ব্ৰাজিলৰ জয়ৰ ব্যৱধান বৃদ্ধি কৰে নেইমাৰে।

Bodoland Territorial Council

অসম চৰকাৰ

# Launch of BODOLAND PIG MISSION

बड'लेण्ड अमा बिथांखि | বড়োলেণ্ড গাহৰি মিছন

A new Initiative for Farmers to make BTR a Piggery Hub



Bodoland Pig Mission

बड'लेण्ड अमा बिथांखि



by

## Shri Atul Bora

Hon'ble Minister of Agriculture, Horticulture, Animal Husbandry & Veterinary, Govt. of Assam

in presence of

## Shri Pramod Boro

Chief Executive Member (CEM) of the Bodoland Territorial Council

## Urkhao Gwra Brahma

Minister for Handloom & Textile, Soil Conservation and Welfare of Bodoland

**Date: 11th September, 2021**

**Venue: Bodofa Cultural Complex Auditorium, Kokrajhar**

The Government of BTR is launching an ambitious mission named "Bodoland Pig Mission" to make **"BTR the Piggery Hub of India"** in view of the Hon'ble Chief Minister of Assam's vision of making Assam Self-sufficient in Pork Production in the next five years. The Mission is being soft launched by the Hon'ble Minister, Animal Husbandry & Veterinary Department, Government of Assam on the 11th of the September 2021 at the Bodofa Cultural Complex Auditorium, Kokrajhar.

### Aims & Objectives :

- To transform traditional livelihood into sustainable economic activity
- 1 lakh kg of pork per day by the 5th year
- Production of 1,700 quality piglets per day
- Pig population of 3 lakh pigs (of all ages) on any day

### The Roadmap :

- Skill enhancement of farmers
- Setting up modern pig breeding facilities
- Quality Feed at Competitive Prices
- Timely delivery of Veterinary services
- Insurance
- Livestock Identification and Traceability
- Brand Creation, Value Chain Development and Processing
- Minimal Waste Production Approach

### Mission Outcomes:

- Direct involvement of 30,000 households in pork production activities
- Additional involvement of 20,000+ farmers in feed raw material production
- Approximately 5,000 direct employment in non-farm support activities





IPR(BTC)-238/2021